● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত


গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

দিগ্‌দৰ্শন



আপোনাৰ মূৰত মগজু আছে, ভৰিত আছে জোতা। সেয়েহে আপুনি বিচৰা দিশতে জীৱনৰ চকা ঘূৰাব পাৰে।

থিঅ'ডৰ ছুছ গাইছল
*আমেৰিকান লিখক-কাৰ্টুনিষ্ট*

৫ শিক্ষাৰ ক্ষতি কৰিছে অনলাইন পদ্ধতিয়ে ঃ সমীক্ষা
১৫ মহিলাৰ ফাইনেলত বাৰ্টি-ডানিয়েলা
৪ প্ৰাচীন শাস্ত্ৰত ইতিহাসৰ সমল বিচৰাৰ যথাৰ্থতা

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১১০তম সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ১৪ মাঘ ১৪২৮ ভাস্কৰাব্দ ২৮ জানুৱাৰী ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 28 January 2022 মূল্য ঃ ৯.০০ টকা

■ ফেব্ৰুৱাৰীত ৰাজহ আদায়ৰ বিশেষ অভিযান চলাবলৈ প্ৰতিটো বিভাগকে নিৰ্দেশ মুখ্যমন্ত্ৰীৰ ■ মাৰ্চৰ বাজেট অধিৱেশনৰ পূৰ্বে লাগিব হিচাপ ■ অনাদায়কাৰীৰ বিৰুদ্ধে কঠোৰতা অৱলম্বন

# এমাহতে অনাদায় ৰাজহ সংগ্ৰহৰ নিৰ্দেশ




*ৰাজ্যৰ ছয় জনগোষ্ঠীক জনজাতিকৰণৰ দাবীত জনগোষ্ঠীয় ঐক্যমঞ্চৰ অৱস্থান ধৰ্মঘট, মহানগৰীত বৃহস্পতিবাৰে।*

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৭ জানুৱাৰী ঃ** চলিত বিত্তীয় বৰ্ষ শেষ হ'বলৈ মাজত মাত্ৰ দুমাহ বাকী। তাৰ পূৰ্বে অহা মাৰ্চৰ দ্বিতীয় সপ্তাহৰ পৰা অনুষ্ঠিত হ'ব বিধানসভাৰ বাজেট অধিৱেশন। তাৰ আগতে ৰাজহ সংগ্ৰহৰ দায়িত্বত থকা সকলো বিভাগক অনাদায় ৰাজহ সংগ্ৰহ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিছে। তাৰ পৰিপ্ৰেক্ষিতত অহা পহিলা ফেব্ৰুৱাৰীৰ পৰা সংশ্লিষ্ট বিভাগবোৰে এই ক্ষেত্ৰত সক্ৰিয়তাৰে কাম কৰাৰ আঁচনি যুগুত কৰিছে। এই অভিযান ফেব্ৰুৱাৰীতে সম্পন্ন কৰিবলৈও মুখ্যমন্ত্ৰীয়ে লক্ষ্য ধাৰ্য কৰি দিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত আবকাৰী, পৰিবহণ, পৌৰ প্ৰশাসন, ভূমি ৰাজহ, বিদ্যুৎ আদিকে ধৰি সকলো বিভাগে ফেব্ৰুৱাৰীৰ পৰা অভিযান চলাব পৰাকৈ নথিপত্ৰৰ কাম আগবঢ়াইছে। দিছপুৰৰ সূত্ৰই সদৰী কৰা অনুসৰি, এমহীয়া বিশেষ অভিযানৰ জৰিয়তে চৰকাৰে সৰ্বোচ্চ পৰিমাণৰ অনাদায় ৰাজহ আদায় কৰিব বিচাৰিছে। তাৰ বাবে ৰাজহ অনাদায়কাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়া হৈছে। উদাহৰণ স্বৰূপে পৰিবহণ বিভাগে এমাহত এশ কোটি টকা অনাদায় ৰাজহ সংগ্ৰহৰ লক্ষ্য লৈছে। বিভাগীয় তথ্য অনুসৰি সমগ্ৰ ৰাজ্যত চৰকাৰী, বেচৰকাৰী সংস্থাৰ পৰা আৰম্ভ কৰি ব্যক্তিগত *১০ পৃষ্ঠাত চাওক*

■ ১০ মাৰ্চৰ পূৰ্বে পৌৰ নিৰ্বাচন-১৪ মাৰ্চৰ পৰা বিধানসভাৰ বাজেট অধিৱেশন ■ মুখ্যমন্ত্ৰীৰ কনভয়ৰ বাবে দুই মিনিট আবদ্ধ কৰিব পাৰিব পথচাৰীক ■ এম্বুলেঞ্চ আবদ্ধ কৰিব নোৱাৰিব

## আঁচনি-অনুদান ঘোষণাত বাধা মন্ত্ৰীবৰ্গক

■ ৰাজ্যৰ বিত্তীয় শৃংখলা ৰক্ষাৰ বাবে সিদ্ধান্ত শৰ্মা কেবিনেটৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**


**গুৱাহাটী, ২৭ জানুৱাৰী ঃ** এতিয়াৰে পৰা কোনো মন্ত্ৰীয়ে কাৰোবাক সন্তুষ্ট কৰিবলৈ অথবা চমক সৃষ্টিৰ উদ্দেশ্যে বাজেটত উল্লেখ নথকা আৰু কেবিনেটত অনুমোদন নোহোৱা কোনো আঁচনি ঘোষণা কৰিব নোৱাৰে। একেদৰে বিত্তীয় অনুদানো ঘোষণা কৰিব নোৱাৰিব। ৰাজ্যিক কেবিনেটে আজি এই সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখ্য যে প্ৰায় সঘনে মুখ্যমন্ত্ৰীসহ মন্ত্ৰীবৰ্গই বিভিন্ন উপলক্ষত নতুন নতুন আঁচনি আৰু বিত্তীয় অনুদান ঘোষণা কৰি আহিছে; কিন্তু তাৰে সৰহ সংখ্যকৰে ঘোষণাতে ইতি পৰে। ৰূপায়ণতো বাদেই বাজেটতেই সেইবোৰ অন্তৰ্ভুক্ত নহয়। তদুপৰি তেনে ঘোষণাবোৰ বহু সময়ত চৰকাৰৰ বাবেও বোজাত পৰিণত হয়। তেনে ক্ষেত্ৰত বিত্তীয় শৃংখলা বজাই ৰখাৰ স্বাৰ্থতে আজি উক্ত সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই কথা প্ৰকাশ কৰি মন্ত্ৰী ডাঃ ৰণোজ *১০ পৃষ্ঠাত চাওক*

■ তামুলপুৰক জিলাৰ স্বীকৃতি ৰাজ্যিক কেবিনেটৰ ■ চৰকাৰী অনুষ্ঠানত বন্ধ মুখ্যমন্ত্ৰী-মন্ত্ৰী-বিধায়কৰ সম্বৰ্ধনা ■ অভিভাৱক মন্ত্ৰীয়ে জলজীৱনৰ অগ্ৰগতিৰ প্ৰতিবেদন দিব লাগিব পৰৱৰ্তী কেবিনেটত

## ক'ভিডৰ অপৰাধ!

দেশ-কাল-সমাজ

ড° দীনেশ বৈশ্য



**কৰ'না** মহামাৰীয়ে বহুত মানুহক পৃথিৱীৰ পৰা চিৰদিনৰ বাবে লৈ গ'ল। কৰ'না মহামাৰীয়ে বহুত মানুহক আত্মহত্যা কৰিবলৈ বাধ্য কৰালে। কৰ'না মহামাৰীয়ে বহুতৰ জীৱনলৈ ভয়ানক বিপদ নমাই আনিলে। আমাৰ দেশত দৰিদ্ৰৰ সংখ্যা ভয়ানকভাৱে বৃদ্ধি হ'ল। দেশৰ অৰ্থনীতি ভাঙি গ'ল। কৰ'নাই বহুত কথাই ওলট-পালট কৰিলে; কিন্তু কোনোবাই মোক যদি সোধে কৰ'না *১০ পৃষ্ঠাত চাওক*

## সাংবাদিক-লেখক-কবি শিৱপ্ৰসাদ বৰাৰ অকাল বিয়োগ

নগাঁৱৰ সংবাদ-সাহিত্য ক্ষেত্ৰত গভীৰ শোকৰ ছাঁ



**বিশেষ সংবাদদাতা**

**নগাঁও, ২৭ জানুৱাৰী ঃ** নগাঁৱৰ বিশিষ্ট সাংবাদিক, লেখক, কবি, সমাজ সংগঠক, অসম আন্দোলনৰ অগ্ৰণী নেতা *১০ পৃষ্ঠাত চাওক*


## আইআইটি গুৱাহাটীৰ ছাত্ৰাৱাসত পুনৰ ৰহস্যজনক মৃত্যু ওড়িছাৰ ছাত্ৰৰ



**অগ্ৰদূত বাৰ্তা**

**উত্তৰ গুৱাহাটী, ২৭ জানুৱাৰী ঃ** গুৱাহাটী আইআইটিত ছাত্ৰৰ পুনৰ ৰহস্যজনক মৃত্যু *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২২° | ১১° |
| ডিব্ৰুগড় | ২০° | ১২° |
| দিল্লী | ১৮° | ০৭° |
| কলকাতা | ২৩° | ১৩° |
| মুম্বাই | ২৯° | ১৯° |
| চেন্নাই | ৩১° | ২৪° |
| বাংগালুৰু | ২৬° | ১৭° |
| শ্বিলং | ১৪° | ০৩° |

*২৭ জানুৱাৰী, ২০২২*

চেঙা তেল



*অ'! তই দিনটো ছ'চিয়েল মিডিয়াত ব্যস্ত থাকি এয়াহে আমাক উপহাৰ দিলি!*

আলফাৰ সমস্যা জটিল, ঐতিহাসিক পটভূমি আছে, আমি এখোজ-দুখোজকৈ আগবাঢ়িছো ঃ শৰ্মা ■ শান্তিৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ

## দুই সশস্ত্ৰ সংগঠনৰ ২৪৬ গোৰ্খা-তিৱা সদস্যৰ অস্ত্ৰ সমৰ্পণ



■ ডেৰ লাখ টকাকৈ সাহায্য প্ৰদান

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৭ জানুৱাৰী ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ নেতৃত্বত অসমত স্থায়ী শান্তি প্ৰতিষ্ঠাৰ বাবে ঐকান্তিক প্ৰচেষ্টা চলাই থকা হৈছে। এই মন্তব্য মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ। আজিৰ দিনটো এক ঐতিহাসিক দিন বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই দিনটোতে ২০২০ত নতুন দিল্লীত বড়ো শান্তি চুক্তি স্বাক্ষৰিত হৈছিল। ইয়াৰ পৰৱৰ্তী সময়ত বিটিআৰত শান্তি ঘূৰি অহাৰ লগতে উন্নয়নে এক বিশেষ গতি লাভ কৰা দিশটো প্ৰত্যেকেই প্ৰত্যক্ষ কৰিব পাৰিছেবুলি তেওঁ উল্লেখ কৰে। গৃহ বিভাগ আৰু অসম আৰক্ষীৰ বিশেষ শাখাৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱ *আঠ পৃষ্ঠাত চাওক*

■ ভাৰতীয় সেনাক গতাই দিলে

## অৰুণাচলৰ অপহৃত কিশোৰক প্ৰত্যৰ্পণ কৰিলে চীনা সৈন্যই

**■ নিউজ ব্যুৰ'**

**নতুন দিল্লী, ২৭ জানুৱাৰী ঃ** অৱশেষত অৰুণাচল প্ৰদেশৰ পৰা অপহৰণ কৰি নিয়া কিশোৰজনক ভাৰতক গতাই দিলে চীনৰ সেনাই। সকলো প্ৰয়োজনীয় প্ৰক্ৰিয়া সম্পন্ন কৰি আজি পিপ'ল্‌ছ লিবাৰেচন আৰ্মিয়ে সীমান্ত পাৰ কৰি মিৰাম তাৰন নামৰ ১৭ বছৰীয়া কিশোৰজনক ভাৰতীয় সেনাৰ হাতত অৰ্পণ কৰে। কেন্দ্ৰীয় আইন মন্ত্ৰী কিৰেন ৰিজিজুৱে টুইটযোগে এই তথ্য সদৰী কৰে। উল্লেখ্য যে যোৱা ১৮ জানুৱাৰীত অৰুণাচল *১০ পৃষ্ঠাত চাওক*



## ক'ভিডত আক্ৰান্ত মহন্ত-বৰদলৈ

এদিনতে মৃত্যু ২০জনৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৭ জানুৱাৰী ঃ** অসমত ক'ভিডৰ তৃতীয় ঢৌত দৈনিক আক্ৰান্তৰ হাৰ বিগত দিনবোৰতকৈ তুলনামূলকভাৱে হ্ৰাস হ'লেও মৃত্যুৰ সংখ্যাৰ ঊৰ্ধ্বমুখী গতিয়ে উদ্বেগৰ সৃষ্টি কৰিছে। আজি মুঠ ২০ জন আক্ৰান্তই *১০ পৃষ্ঠাত চাওক*

তেজপুৰত নাৰ্ছিংহোমৰ পৰিচালকৰ আত্মহত্যা

## আত্মহত্যাৰ টোকাত দুই স্বত্বাধিকাৰী চিকিৎসকৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ২৭ জানুৱাৰী ঃ** তেজপুৰৰ মুড়াতেতেলীত অৱস্থিত অনন্ত মেম'ৰিয়েল নাৰ্ছিংহোমৰ পৰিচালকে আজি নাৰ্ছিংহোমতে আত্মহত্যা কৰা ঘটনাক কেন্দ্ৰ কৰি উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি হয়। যোৱা প্ৰায় ২২ বছৰে কৰ্মৰত হৈ থকা প্ৰদীপ ভূএঞা (৫০) নামৰ নাৰ্ছিংহোমখনৰ পৰিচালকজনৰ মৃতদেহৰ লগতে উদ্ধাৰ হয় এটা টোকা। এই টোকাত নাৰ্ছিংহোমৰ স্বত্বাধিকাৰী চিকিৎসক গোপেন্দ্ৰ মোহন দাস আৰু তেওঁৰ পত্নী চিকিৎসক জাহানাৰা বেগমে চলোৱা নিৰ্যাতনৰ বাবে আত্মহত্যা কৰা বুলি উল্লেখ আছে। আত্মহননৰ পথ বাচি লোৱা *১০ পৃষ্ঠাত চাওক*

## অগপৰ ছয় নেতা-নেত্ৰীক উপাধ্যক্ষ-সদস্য পদত নিযুক্তি

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৭ জানুৱাৰী ঃ** চৰকাৰৰ মিত্ৰদল অসম গণ পৰিষদ (অগপ)ৰ ছজন নেতাক ছটা নিগম, সংস্থা আৰু পৰিষদৰ উপাধ্যক্ষ আৰু সদস্যৰূপে আজি নিযুক্তি দিয়া হয়। সেই অনুসৰি অসম ৰাজ্যিক পণ্যাগাৰ নিগমৰ উপাধ্যক্ষৰূপে *১০ পৃষ্ঠাত চাওক*



## মৰিগাঁৱত দুই ড্ৰাগছ আসক্ত যুৱকক উদ্ধাৰ অচেতন অৱস্থাত

চিৰিঞ্জৰ দ্বাৰা অত্যধিক পৰিমাণৰ ড্ৰাগছ সেৱন

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ২৭ জানুৱাৰী ঃ** মৰিগাঁও চহৰত ড্ৰাগ্‌ছ লৈ দুজন যুৱক অচেতন অৱস্থাত উদ্ধাৰ হোৱা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ইয়াৰ লগে লগে ড্ৰাগ্‌ছৰ বিৰুদ্ধে কঠোৰ হোৱাৰো দাবী উঠিছে মৰিগাঁৱত। উল্লেখ্য যে চহৰৰ স্কুল খেলপথাৰত আজি দিনৰ ভাগত মৰিগাঁৱৰ দুই যুৱকে অত্যধিক পৰিমাণে মাৰাত্মক ড্ৰাগ্‌ছ চিৰিঞ্জৰ দ্বাৰা গ্ৰহণ কৰাৰ *১০ পৃষ্ঠাত চাওক*

মিংমাঙৰ হিমেবস্তিত দুৰ্বৃত্তৰ গুলিচালনা ■ দুই পক্ষৰ একাধিক মটৰ চাইকেলত অগ্নিসংযোগ ■ অৰুণাচলী ঠিকাদাৰে ভাঙিলে পথ নিৰ্মাণৰ সামগ্ৰী ■ জ্বলালে পথ নিৰ্মাণৰ শিবিৰ, ভাঙিলে কালভাৰ্ট

## প্ৰধানমন্ত্ৰীৰ গ্ৰাম্য চড়ক যোজনাৰ পথ নিৰ্মাণক কেন্দ্ৰ কৰি সীমান্তত সংঘাত

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ/বান্দৰদেৱা, ২৭ জানুৱাৰী ঃ** প্ৰধানমন্ত্ৰীৰ গ্ৰাম্য চড়ক যোজনা আঁচনিৰ এক পথ নিৰ্মাণক কেন্দ্ৰ কৰি অসম-অৰুণাচল প্ৰদেশ সীমান্তত যোৱা নিশাৰ পৰা তুমুল উত্তেজনা অব্যাহত আছে। এই ঘটনাক কেন্দ্ৰ কৰি আনকি অৰুণাচলী দুৰ্বৃত্তই অসমৰ বাসিন্দালৈ লক্ষ্য কৰি গুলিচালনাও কৰে। যোৱা নিশা সীমান্তত হিংসাত্মক ঘটনা সংঘটিত হ'লেও সৌভাগ্যক্ৰমে কোনো লোক হতাহত হোৱা নাই। অৱশ্যে এই ঘটনাত দুই পক্ষৰ একাধিক বাহন জ্বলাই দিয়াৰ লগতে পথ নিৰ্মাণত ব্যৱহৃত সামগ্ৰীৰো ক্ষতিসাধন হয়। যোৱা *১০ পৃষ্ঠাত চাওক*



■ ৰহস্যজনকভাৱে আৰক্ষীৰ চকুত ধূলি দি পলায়ন ব্যৱসায়ীৰ

## পুনৰ উত্তৰ গুৱাহাটী চৌকীগেটৰ গুদামত ৩৪টন অবৈধ চুপাৰি জব্দ



**অগ্ৰদূত বাৰ্তা**

**উত্তৰ গুৱাহাটী, ২৭ জানুৱাৰী ঃ** ৰাজ্যত কৰ ফাকিৰে এতিয়াও চলি আছে অবৈধ চুপাৰিৰ বেহা। কামৰূপ আৰক্ষীয়ে বিগত ২৪ ঘণ্টাৰ ভিতৰতে চাংসাৰি চৌকীগেটৰ দুঠাইত কে'বা কোটি টকাৰ চোৰাং চুপাৰি জব্দ কৰে। চাংসাৰি চৌকী গেটৰ আমবাৰীত থকা ব্যৱসায়ী বিনোদ জৈনৰ এটা গুদামত আৰক্ষীয়ে জব্দ কৰে ৩৪ টনৰো অধিক চুপাৰি। জব্দকৃত চুপাৰিৰ লগতে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে বিহাৰৰ দুজন লোক বাবুল চাহু আৰু ৰাম নৰেছ পদ্দাৰক। দুয়োজনেই গুদামৰ কৰ্মচাৰী। আৰক্ষীয়ে জব্দ কৰা অবৈধ চুপাৰি ৰখা গুদামটোৰ স্বত্বাধিকাৰী জৈনৰ *১০ পৃষ্ঠাত চাওক*

আজি এজনীয়া তদন্ত কমিটীৰ শুনানি


## নগাঁও আৰক্ষীৰ ভূমিকাত সন্দেহ গুলিবিদ্ধ কীৰ্তিকমলৰ পৰিয়ালৰ

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৭ জানুৱাৰী ঃ** প্ৰাক্তন ছাত্ৰ নেতা কীৰ্তিকমল বৰা গুলিবিদ্ধ হোৱাৰ ঘটনাক লৈ নগাঁৱত প্ৰতিক্ৰিয়া অব্যাহত আছে। ৰুগীয়া মাতৃৰ বাবে ঔষধ আনিবলৈ গৈ আৰক্ষীৰ গুলিত ঘূণীয়া হোৱা প্ৰাক্তন ছাত্ৰজনৰ পক্ষত আছু-যুৱ ছাত্ৰ পৰিষদকে ধৰি বিভিন্ন দল-সংগঠনে অৱস্থান কৰি ধাৰাবাহিক প্ৰতিবাদ সাব্যস্ত *১০ পৃষ্ঠাত চাওক*

■ শাসক বিধায়কৰ বিৰুদ্ধে অভিযোগ আছুৰ

## গুইজানৰ স্কাইলেণ্ডত পেৰাগ্লাইডিঙত বিজুতি, আকাশৰ পৰা পৰি মৃত্যু




**অগ্ৰদূত বাৰ্তা**


**তিনিচুকীয়া, ২৭ জানুৱাৰী ঃ** গণৰাজ্য দিৱসৰ দিনটোতে তিনিচুকীয়া গুইজানৰ ডিব্ৰু নদীৰ পাৰত অস্থায়ীভাৱে স্থাপন কৰা বিতৰ্কিত স্কাইলেণ্ড নামৰ ৰিজ'ৰ্টখনত এক অঘটন সংঘটিত হয়। ৰিজ'ৰ্টখনত পেৰাগ্লাইডিং কৰি থকা অৱস্থাত দুৰ্ভাগ্যক্ৰমে আকাশৰ পৰা পৰি *১০ পৃষ্ঠাত চাওক*

৭০ বছৰীয়া অপেক্ষাৰ পাছত মহাৰাজাৰ প্ৰত্যাৱৰ্তন ■ এশ শতাংশ শ্বেয়াৰ হস্তান্তৰিত হ'ল

## অৱশেষত পুনৰ টাটাৰ হাতলৈ এয়াৰ ইণ্ডিয়া

**■ নিউজ ব্যুৰ'**

**নতুন দিল্লী, ২৭ জানুৱাৰী ঃ** আনুষ্ঠানিকতাৰ অন্ত পেলাই অৱশেষত এয়াৰ ইণ্ডিয়া উভতি আহিল টাটা গোষ্ঠীলৈ। আজি সম্পন্ন হ'ল এই হস্তান্তৰ প্ৰক্ৰিয়া। সাত দশক পাছত 'মহাৰাজ'ৰ প্ৰত্যাৱৰ্তনত উচ্ছ্বাসিত হৈছে টাটা গোষ্ঠী। টাটাৰ অধ্যক্ষ এন চন্দ্ৰশেখৰণে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আজি এই পৰিপ্ৰেক্ষিতত সাক্ষাৎ কৰে। 'আমি টাটা গোষ্ঠীয়ে এয়াৰ



ইণ্ডিয়াক পুনৰ লাভ কৰি আনন্দিত হৈছো আৰু ইয়াক বিশ্বমানৰ এয়াৰ লাইনছৰূপে প্ৰতিষ্ঠা কৰিবলৈ আমি দৃঢ়প্ৰতিজ্ঞ।' এইদৰে কয় টাটা ছন্সৰ অধ্যক্ষ চন্দ্ৰশেখৰণে। উল্লেখ্য যে বিগত অক্টোবৰত এয়াৰ ইণ্ডিয়াক ১৮ হেজাৰ কোটি টকাৰ বিনিময়ত টাটা গোষ্ঠীৰ অধীনস্থ সংস্থা টালাছ প্ৰাইভেট লিমিটেডক বিক্ৰী কৰে কেন্দ্ৰীয় চৰকাৰে। তাৰ পাছৰে পৰাই *১০ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত

গুৱাহাটী শুকুৰবাৰ ১৪ মাঘ ১৪২৮ ভাস্কৰাব্দ ২৮ জানুৱাৰী ২০২২



# সহানুভূতিশীল হওক

বৰ্তমান বিশ্বত এনে এটা অঞ্চল নাইবা এনে এখন চহৰ নাই, য'ত যুৱক-যুৱতীসকল ড্ৰাগছৰ কবলত পৰা নাই, নাইবা ড্ৰাগছৰ চিকাৰ হোৱা নাই। এই নিচাযুক্ত দ্ৰব্য অথবা ড্ৰাগছ আধুনিক মানৱ সমাজৰ বাবে এতিয়া এক ভয়ংকৰ প্ৰত্যাহ্বান হৈ দেখা দিছে। সেয়েহে ৰাষ্ট্ৰসংঘয়ো ড্ৰাগছক এক আন্তঃৰাষ্ট্ৰীয় বিপদ হিচাপে গণ্য কৰিছে। ৰাষ্ট্ৰসংঘই গুৰুত্ব দিয়া সত্ত্বেও ভাৰত নাইবা বিশ্বৰ বেছিভাগ ৰাষ্ট্ৰই ড্ৰাগছৰ সেৱন নাইবা ইয়াৰ সৰবৰাহ আদি প্ৰতিৰোধ কৰিব পৰা নাই। বৰ্তমান বিশ্বত বিভিন্ন ধৰণৰ ড্ৰাগছ আসক্তসকলে সেৱন কৰে। সেইসমূহৰ ভিতৰত হেৰ'ইন, ব্ৰাউন ছুগাৰ, ক'কেইন, মাৰিজুৱানা, ক্ৰেক, ষ্টেৰইড আদিৰ নাম বিশেষভাৱে উল্লেখ কৰিব পাৰি। উল্লেখ্য যে যিকোনো ড্ৰাগছৰেই দাম বেছি। সেয়ে দৰিদ্ৰ পৰিয়ালৰ লোক অথবা যুৱক-যুৱতীয়ে এইসমূহ ড্ৰাগছ কিনিব আৰু সেৱন কৰিব নোৱাৰে। ড্ৰাগছ আসক্তসকল সাধাৰণতে আঢ্যৱন্ত শ্ৰেণী তথা সমাজৰ লোক নাইবা যুৱক-যুৱতী; কিন্তু ভাৰতৰ দৰে দেশসমূহত আনকি দৰিদ্ৰ শ্ৰেণীৰ লোকৰ কিশোৰ-কিশোৰী তথা যুৱক-যুৱতীসকলেও এনে ড্ৰাগছ সেৱন কৰা দেখা যায়। ভাৰতৰ এই শ্ৰেণীৰ লোক তথা যুৱক-যুৱতী, কিশোৰ-কিশোৰীয়ে ডেনড্ৰাইট, ফেঞ্চিডাইল আদিক নিচাযুক্ত দ্ৰব্য হিচাপে সেৱন কৰে। অৱশ্যে বৰ্তমান ড্ৰাগছ সহজলভ্য হোৱাত সকলো শ্ৰেণীৰ লোকে ড্ৰাগছ সেৱন কৰিবলৈ লোৱা দেখা গৈছে। অসমত ড্ৰাগছৰ সেৱন আৰু সৰবৰাহে কি গুৰুতৰ ৰূপ ধাৰণ কৰিছে সেয়া শেহতীয়া চৰকাৰী অভিযানে স্পষ্ট কৰি তুলিছে।

আসক্তসকলে ড্ৰাগছ সেৱনৰ উপৰি ছিৰিঞ্জ ব্যৱহাৰ কৰে। এনে ধৰণৰ ড্ৰাগছৰ কবলত পৰাসকল নিচাত আসক্ত হৈ স্বাস্থ্য ধ্বংস কৰাৰ উপৰি এইছ আই ভিৰ দৰে মাৰাত্মক ৰোগৰ বলি হয়। ড্ৰাগছ আসক্ত সংগীসকলে একেটা ছিৰিঞ্জ ব্যৱহাৰ কৰাৰ ফলতে বহুতেই এইছ আই ভি তথা এইড্‌ছ ৰোগৰ চিকাৰ হ'বলগীয়া হয়। নিচাসক্তিৰ ফলত হোৱা সমস্যাৰ তথা ক্ষতিৰ উপৰি এইসকল যুৱক-যুৱতীয়ে মৃত্যুৰ মুখলৈ নিজকে ঠেলি দিয়ে। পৰিয়ালৰ আৰু সমাজৰ কাৰণে এয়া এক চৰম বিপৰ্যয় আৰু কৰুণ পৰিস্থিতি। ড্ৰাগছ ব্যৱসায়ী তথা সৰবৰাহকাৰীক নিয়ন্ত্ৰণ কৰিব নাইবা কঠোৰ শাস্তি বিহিব নোৱৰাটো যিকোনো দেশৰ চৰকাৰৰ ব্যৰ্থতা। হেজাৰ হেজাৰ কোটি টকাৰ ব্যৱসায়ত পৰিণত হোৱাৰ কাৰণেই ড্ৰাগছৰ অবৈধ সৰবৰাহ চৰকাৰ-প্ৰশাসনে বন্ধ কৰিব পৰা নাই। ধনবলৰ বাবেই এনে সমাজ-জীৱন ধ্বংসকাৰী ব্যৱসায় তথা সৰবৰাহ বন্ধ কৰিব পৰা নাই দায়িত্বত থকা সংশ্লিষ্ট কৰ্তৃপক্ষই। কেৱল ধনবলেই নহয়, বহুবলৰো প্ৰভাৱ আছে ড্ৰাগছৰ অবৈধ সৰবৰাহ বন্ধ কৰাত ব্যৰ্থতাৰ ক্ষেত্ৰত। ড্ৰাগছ মাফিয়াসকলৰ স'তে সন্ত্ৰাসবাদী সংগঠনসমূহৰ সম্পৰ্ক আছে।

যদিও ড্ৰাগছ আসক্তসকল আঢ্যৱন্ত সমাজৰ লোক বুলি চিনাক্ত কৰা হৈছে, তৎসত্ত্বেও ই কিন্তু কেৱল আঢ্যৱন্ত শ্ৰেণী বা সমাজৰ সমস্যা হৈ থকা নাই। সৰ্বসাধাৰণ মধ্যবিত্ত শ্ৰেণীৰ যুৱক-যুৱতী বা কিশোৰ-কিশোৰীসকলো ড্ৰাগছৰ চিকাৰ হৈছে। ড্ৰাগছক কেন্দ্ৰ কৰি গঢ়ি উঠিছে এক অপৰাধ জগত তথা অপৰাধী চক্ৰ। আনকি ড্ৰাগছত আসক্তসকলেই বিভিন্ন ধৰণৰ অপৰাধত লিপ্ত হোৱা দেখা যায়। বিশেষকৈ ড্ৰাগছ ক্ৰয়ৰ বাবে ধনৰ অভাৱ হোৱাত বহুতে বিভিন্ন অপৰাধত লিপ্ত হয় ধন উপাৰ্জনৰ বাবে। গুৱাহাটী মহানগৰত মহিলাৰ সোণৰ চেইন, বেগ আদি কাঢ়ি নিয়া ঘটনাসমূহত ড্ৰাগছ আসক্ত যুৱক জড়িত থকা বুলি প্ৰকাশ পাইছে।

ড্ৰাগছ আসক্ত কিশোৰ-কিশোৰী, যুৱক-যুৱতীসকলক সুস্থ অৱস্থালৈ ঘূৰাই অনা আৰু তেওঁলোকক পুনৰ স্বাভাৱিক জীৱন দান কৰাটো সমাজৰ সকলো শ্ৰেণীৰ লোকৰ দায়িত্ব। ড্ৰাগছ আসক্ত কিয় হ'ল, কেনেকৈ হ'ল, সেইবোৰ বিষয়ৰ আলোচনাত অধিক সময় ব্যয় কৰাতকৈ ড্ৰাগছ আসক্তসকলৰ চিকিৎসা আৰু তেওঁলোকক সহৃদয়তাৰে, সহানুভূতিশীল মানৱীয় দৃষ্টিভংগীৰে ব্যৱহাৰ কৰাটো সমাজৰ দায়িত্ব। ড্ৰাগছ আসক্ত যুৱক-যুৱতী, কিশোৰী-কিশোৰীসকলক এলাগী নকৰি, সহানুভূতিৰে তেওঁলোকৰ কাষ চপা উচিত। ড্ৰাগছ আসক্তসকল দোষী নহয়। দোষী বা দায়ী যদি তেওঁলোকৰ পিতৃ-মাতৃ, সমাজ-পৰিৱেশ আদি। তেওঁলোকক সুস্থ কৰি তোলাৰ দায়িত্বও সেয়ে সমাজে ল'ব লাগিব।

## খোলা মঞ্চ

# অসমীয়া ভাষাৰ অস্তিত্বৰ সংকট বৰ্তমানেও আছে নে?



**অসমীয়া** ভাষাৰ ওপৰত সংকট নাই বুলি ক'ব নোৱাৰি। ১৯৬০ত অসমীয়া ভাষাই এলানি আন্দোলনৰ পাছত ৰাজ্যিক ভাষা হিচাপে স্বীকৃতি লাভ কৰিছিল। ভাষাটোক ৰক্ষাৰ বাবে অসমীয়াই ১৯৭২ত আন্দোলন কৰি কে'বাজনো ছহিদ হৈছিল। বৰ্তমানেও এক অশুভ শক্তিয়ে অসমীয়া ভাষাৰ ফলকত ক'লা ৰং সনা আদি কাৰ্যৰে ষড়যন্ত্ৰ চলাই আছে। এটা চিন্তনীয় বিষয় যে কথিত ৰূপত অসমীয়া ভাষাৰ যিমান প্ৰচলন আছিল সেয়া ক্ৰমে হ্ৰাস হৈ আহিছে। সমীক্ষা মতে অসমীয়া ভাষা কোৱা মানুহৰ সংখ্যা ১৯৭১ত ৫৯.৫৩ শতাংশ, ১৯৯১ত ৫৭.৮১ শতাংশ, ২০০১ত ৪৮.৮১ শতাংশ আৰু ২০১১ত ৪৮.৩৭ শতাংশ হৈছেগৈ। বিভিন্ন ৰাজহুৱা স্থান, শিক্ষানুষ্ঠান আদিত কিছুদিনৰ আগলৈকে ভাবৰ আদান-প্ৰদানৰ বাবে অসমীয়া ভাষাটোক অসমত বাস কৰা প্ৰায়ভাগ লোকেই ব্যৱহাৰ কৰিছিল; কিন্তু আজি-কালি ৰাজহুৱা স্থান বা শিক্ষানুষ্ঠান আদিত অনানুষ্ঠানিক কথোপকথনত বহুতে অনা-অসমীয়া ভাষা ব্যৱহাৰ কৰা দেখা যায়।

আজি-কালি বহুতো অভিভাৱক ইংৰাজী মাধ্যমৰ প্ৰতি বিশেষভাৱে আকৰ্ষিত হোৱাৰ বাবে মাতৃভাষা অসমীয়া সত্ত্বেও সন্তানক ইংৰাজী মাধ্যমত পঢ়ুৱায়। যাৰ বাবে ল'ৰা-ছোৱালীয়ে অসমীয়া ভাষাৰ জ্ঞান ভালদৰে নাপায়। সেয়ে তেওঁলোকে ভাব-বিনিময়ৰ বাবেও হিন্দী বা ইংৰাজী ভাষাটো ব্যৱহাৰ কৰে। ল'ৰা-ছোৱালীয়ে ইংৰাজী ভাষা সলসলীয়াকৈ কয় বুলি আভিজাত্যৰ অভিমান কৰা অভভাৱকে যেতিয়া আমাৰ ছোৱালী বা ল'ৰাই অসমীয়া ভালকৈ ক'বই নাজানে বুলি কৈ গৌৰৱবোধ কৰে তেতিয়া অসমীয়া ভাষা সংকটৰ গৰাহলৈ গৈছে বুলি নাভাবি আৰু কি ভাবিব?

**পূৰবী ভট্টাচাৰ্য,** *অধ্যক্ষা*


ভাষা এটা সমৃদ্ধিশালী হৈ স্বকীয় বৈশিষ্ট্যৰে জীয়াই থাকিবলৈ হ'লে, ভাষাৰ শুদ্ধ ব্যৱহাৰৰ প্ৰয়োজন আছে। যিটোৰ প্ৰতি আমাৰ সচেতনতাৰ অভাৱ দেখা যায়। উদাহৰণস্বৰূপে অসমীয়া ভাষাত ডাঙৰ সম্বোধন কৰিবলৈ আপুনি বুলি শব্দ এটা আছে; কিন্তু আজি-কালি হোৱাই-নোহোৱাই ল'ৰা-ছোৱালীহঁতক তুমি সম্বোধন শিকোৱা হয়। যাৰ ফলত আপুনি, তেখেত আদি সন্মানসূচক শুৱলা শব্দবোৰ ধোঁৱা চাঙলৈ গতি কৰিছে।

এটা ভাষা জীয়াই থাকিবলৈ হ'লে তাৰ ব্যৱহাৰৰ প্ৰসাৰতাৰ লগতে চৰকাৰৰ সদিচ্ছা লাগিব। এটা কথা সত্য যে বিভিন্ন দেশৰ মানুহৰ লগত ভাবৰ আদান-প্ৰদান কৰিবলৈ যেনেকৈ ইংৰাজী ভাষাটো জনা উচিত, তেনেকৈ ভাৰতৰ ইখন ৰাজ্যৰ লগত সিখন ৰাজ্যৰ যোগাযোগৰ মাধ্যম হিচাপে হিন্দী ভাষাও জানিব লাগে, ঠিক তেনেকৈ অসমত বাস কৰা লোকেও অসমীয়া ভাষা জনা উচিত যোগাযোগৰ মাধ্যম হিচাপে। গতিকে অসমীয়া ভাষাটো অসমত বাস কৰা সকলোৱে আয়ত্ত কৰাৰ প্ৰয়োজন আছে আৰু সেয়ে আমি অসমত অনা-অসমীয়াসকলৰ লগত ভাব বিনিময়ৰ সময়ত একান্ত প্ৰয়োজন নহ'লে অসমীয়া ভাষাত কথা কোৱা উচিত। আমি সকলোৱে দেখিছো অসমত চাকৰিত যোগদান কৰা অনা-অসমীয়া প্ৰশাসনীয় বিষয়াসকলে অসমীয়া ভাষাটো আয়ত্ত কৰে যোগাযোগৰ মাধ্যম হিচাপে। এই ক্ষেত্ৰত চৰকাৰৰ কৰ্তব্য আছে। আবেদন-নিবেদন, জাননী-বিজ্ঞাপন ফলক আদি অসমীয়াত লিখাটো বাধ্যতামূলক কৰিব লাগে। আজি-কালি বহু ল'ৰা-ছোৱালীয়ে শিশু অৱস্থাৰ পৰাই 'ম'বাইল'ত 'ভিডিঅ' আদি চায়। এইটো বেয়া অভ্যাস যদিও 'কম্পিউটাৰ' বিশেষজ্ঞসকলে ইয়াৰ সুবিধা লৈ শিক্ষামূলক অসমীয়া ভিডিঅ'ৰে শিশুসকলক উপকৃত হোৱাৰ লগতে নিজেও আৰ্থিকভাৱে টনকিয়াল হ'ব পাৰে। নিজৰ ভাষাক ভাল পাওঁ বুলি ক'লে, অন্য ভাষাক অলাগতিয়াল বুলি নুবুজায়। মুঠতে অসমীয়া ভাষাটো শুদ্ধকৈ কৈ আমি গৌৰৱবোধ কৰিব লাগিব।

*ফোন : ৯৩৬৫৯০৭৫৪৮*

# প্ৰাচীন শাস্ত্ৰত ইতিহাসৰ সমল বিচৰাৰ যথাৰ্থতা

## ভাৰতীয় শাস্ত্ৰবোৰত নানা অলৌকিক কাহিনী অৱশ্যেই আছে, পিছে সেইবোৰৰ বাবেই শাস্ত্ৰসমূহ সম্পূৰ্ণ কল্প কাহিনী বুলি পশ্চিমীয়া পণ্ডিতৰ প্ৰদৰ্শিত পথেৰে আগবাঢ়িব নোৱাৰি



দৃষ্টিপাত

ড° খৰ্গেশ্বৰ ভূঞা

মেক্স মুলাৰকে ধৰি ভালেমান পশ্চিমীয়া সংস্কৃত জনা পণ্ডিতে এসময়ত বেদকে ধৰি বিভিন্ন ভাৰতীয় শাস্ত্ৰবোৰৰ অৱমূল্যায়ন কৰিছিল। তেওঁলোকৰ মতে এইবোৰৰ বেছিভাগ কথাই অলৌকিক আৰু শিশুমতীয়া কল্পনা, এইবোৰৰ বাস্তৱ ভিত্তি তথা সত্যতা নাই। পিছে তাৰ মাজতে পৰ্জিটাৰৰ দৰে পণ্ডিতে পুৰাণসমূহ মন্থন কৰিয়েই ভাৰতৰ প্ৰাচীন ৰাজবংশৰ তালিকা প্ৰস্তুত কৰিছিল। চন্দ্ৰ দেৱতা, তাৰ পাছত বুধ দেৱতাৰে আৰম্ভ হোৱা চন্দ্ৰবংশৰ তৃতীয় পুৰুষ পুৰূৰবা দেৱতা আৰু মনুষ্যৰ যোগসূত্ৰ হিচাপে আছিল, পুৰূৰবাৰ পুত্ৰ আয়ুৰ পৰা সম্পূৰ্ণ মানৱৰ চন্দ্ৰবংশই গতি লাভ কৰিছিল। সেইদৰে দেৱতা সূৰ্যৰ পৰা আৰম্ভ হোৱা সূৰ্যবংশ ইক্ষাকুৰ দিনৰ পৰা মানৱ বংশ হিচাপে অগ্ৰসৰ হৈছে। এই দুটা প্ৰধান বংশ সূৰ্যবংশ আৰু চন্দ্ৰবংশৰ ৰজা বা পুৰুষৰ ৯৭টা প্ৰজন্মৰ তালিকা আছে। ৰাম সূৰ্যবংশৰ ৬৫ নম্বৰ পুৰুষৰ ৰজা, সেইদৰে পাণ্ডৱ আৰু কৃষ্ণ চন্দ্ৰবংশৰ ৯৪ নম্বৰ প্ৰতিনিধি। এই দুটা মূল বংশৰ পৰা সৃষ্ট আন বহুতো বিখ্যাত বংশই ভাৰতত ৰাজত্ব কৰা বুলি পুৰাণসমূহে কৈছে, যেনে— শ্ৰীকৃষ্ণ হৈছে যাদৱ বংশৰ প্ৰতিনিধি, চন্দ্ৰবংশৰ ষষ্ঠ পুৰুষৰ ৰজা যযাতিৰ জ্যেষ্ঠ পুত্ৰ যদুৰ পৰা যাদৱ বংশৰ উৎপত্তি।

পৰ্জিটাৰে প্ৰস্তুত কৰা মূল বংশপঞ্জীত পিছৰ কালত বহু নতুন তথ্যৰ আধাৰত যোগ-বিয়োগ কৰা হৈছে আৰু ভাৰতৰ প্ৰাগৈতিহাসিক কালৰ ৰজা-মহাৰজাৰ প্ৰায় বিশ্বাসযোগ্য তালিকা হিচাপে বেছিভাগেই ইয়াক মানি লৈছে। সেইবোৰৰ যথাৰ্থতা বাদ দি এটা কথা ক'ব বিচৰা হৈছে যে বেদ-পুৰাণকে ধৰি ভাৰতীয় শাস্ত্ৰবোৰত নানা অলৌকিক কাহিনী অৱশ্যেই আছে, পিছে সেইবোৰৰ বাবেই শাস্ত্ৰসমূহ সম্পূৰ্ণ কল্প কাহিনী বুলি পশ্চিমীয়া পণ্ডিতৰ প্ৰদৰ্শিত পথেৰে আগবাঢ়িব নোৱাৰি। প্ৰাচীন শাস্ত্ৰৰ ভালেমান অলৌকিক তথা অবাস্তৱ যেন লগা কাহিনীত বাস্তৱ সত্য কেনেদৰে লুকাই আছে সেয়া আমি এই কাকততো আলোচনাৰে দেখুৱাইছো।

বেদ-পুৰাণ আদি সম্পৰ্কে দুটা বিপৰীতমুখী চূড়ান্ত ধাৰণা আছে। এটা দিশ হৈছে— মেক্স মুলাৰৰ দৰে ধাৰণা, যিটোক বহু ভাৰতীয় লোকেও সমৰ্থন কৰে। ধাৰণাটো হৈছে বেদকে ধৰি প্ৰাচীন শাস্ত্ৰবোৰৰ বেছিভাগেই শিশুমতীয়া কল্পনা, এইবোৰৰ কোনো বাস্তৱতা নাই, ইয়াত ইতিহাস নাই, মনোৰঞ্জনৰ কাহিনী তথা কিছু সাহিত্যিক মূল্যৰ বাদে এইবোৰত একো নাই। এনে ধাৰণাৰ সপক্ষে উদাহৰণ দিবলৈ শাস্ত্ৰবোৰত অৱশ্যেই বহু সমল আছে। ইয়াৰ বিপৰীতমুখী চূড়ান্ত ধাৰণাটো হ'ল বেদ (বা আন শাস্ত্ৰ)ত সকলো আছে। আপেক্ষিকতাবাদ, আকাশত বিমান উৰা, মহানাদ তত্ত্ব আদি বিজ্ঞানৰ অত্যাধুনিক ধাৰণা, সাম্যবাদ, সমাজবাদৰ কথা, অৰ্থনীতি, ৰাজনীতি এনে ধৰণৰ সকলো কথাই প্ৰাচীন শাস্ত্ৰত বিচাৰি পোৱা যায় বুলি এচাম অতি বিশ্বাসীয়ে ভাবে। বিজ্ঞানৰ অত্যাধুনিক তত্ত্ব বেদত আৱিষ্কাৰ কৰা ভৃগুগিৰি মহাৰাজৰ কথাকেই ল'ব পাৰি উদাহৰণ হিচাপে। যজুৰ্বেদৰ অনুবাদত এওঁ লিখা মতে বেদত সমুদ্ৰ বিজ্ঞান, শৰীৰ, উদ্ভিদ, চিকিৎসা আদি বিজ্ঞান, খাদ্যতত্ত্ব, পৰমাণু তত্ত্ব আদি হেনো সকলো আছে। কথাবোৰ অৱশ্যেই অবান্তৰ। ভৰদ্বাজ ঋষিৰ 'যন্ত্ৰসৰ্বস্ব'ৰ এটি শ্লোকত থকা কেইটামান শব্দই বিজ্ঞানৰ অত্যাধুনিক প্ৰযুক্তিৰ কথা হেনো বুজাইছে, যেনে শক্ত্যুদ্‌গম মানে বিজুলীচালিত, শিখোদ্‌গম মানে তেল বা পেট্ৰ'লৰ দ্বাৰা চালিত, অংশুৱাহ মানে সৌৰশক্তি ইত্যাদি। বিজ্ঞান জনাসকলে ভালদৰেই জানে যে শব্দবোৰ তেনেদৰে ব্যাখ্যা কৰিব নোৱাৰি। ভৃগুগিৰিৰ মতে 'এটম' শব্দটো আত্মাৰ পৰা আহিছে, সেইদৰে আহিছে অম্বুৰ পৰা এমিবা। তেওঁৰ মতে মানুহৰ শৰীৰত সমস্ত ক্ৰিয়া সব্য গতিৰে চলে, কিয়নো 'ওত'ৰ গতি সদায় সব্য। অসব্য গতি হ'লেই মানুহৰ ৰূপ হয়। যজ্ঞ আদি কৰি অসব্য গতিক সব্য কৰিলে বেমাৰ ভাল হয়। এইবিলাক অতি অদ্ভুত ব্যাখ্যা— যিবোৰে বেদক মহীয়ান নকৰি হাঁহিয়াতৰ পাত্ৰহে কৰিব। প্ৰথম কথা ঘড়ীৰ কাঁটাৰ দিশ আৰু বিপৰীত দিশৰ ধাৰণা হৈছে এটা ধৰি লোৱা ব্যৱস্থা। দ্বিতীয়তে ইলেক্ট্ৰনে নিজৰ অক্ষত আৰু প্ৰট'নৰ চাৰিওফালে তথাকথিত অসব্য গতিতহে চলে। শৰীৰত থকা কুৰিবিধ মান এমিনো এচিডৰে ১৮ বিধে পোহৰৰ দিশ ঘড়ীৰ কাঁটাৰ বিপৰীত দিশত ঘূৰায়। সূৰ্যৰ চাৰিওফালে গ্ৰহবোৰ অসব্য গতিতেই ঘূৰে, অৱশ্যে শুক্ৰগ্ৰহে সব্যগতিত ঘূৰে আৰু ইউৰেনাছ গ্ৰহ পৰিভ্ৰমণ ৰেখাত বাগৰি বাগৰি যায়। পৃথিৱীয়েও নিজৰ অক্ষত পাক মাৰে ঘড়ীৰ কাঁটাৰ বিপৰীত দিশত। যি কি নহওক, এই দিশবোৰো তেনেই আপেক্ষিক। শৰীৰত যিহেতু তথাকথিত অসব্য গতিৰেই প্ৰাধান্য গতিকে মানুহ সদায় বেমাৰী হৈয়েই থাকিব লাগে অন্ততঃ মহাৰাজৰ সূত্ৰমতে। ইলেক্ট্ৰনৰ ঘূৰাৰ দিশ সলনি কৰাটো (অসব্যৰ পৰা সব্যলৈ) বাৰুকৈয়ে কষ্টকৰ। গতিকে এনে পদ্ধতিৰে অৰ্থাৎ যজ্ঞৰে এনে কাম কৰাটোও অসম্ভৱ কথা।

'বেদতে সকলো আছে'— এনে ভ্ৰান্ত ধাৰণাৰ উদাহৰণৰ বাবে ভৃগুগিৰিৰ বেদ ব্যাখ্যাৰ প্ৰসংগ অনা হৈছে। এনে ধাৰণাৰ লোক ভাৰতত বহুতো আছে। বেদত (লগতে আনবোৰ শাস্ত্ৰত) যেনেকৈ অত্যাধুনিক বিজ্ঞান, সমাজ আদিৰ তত্ত্ব নাই, সেইদৰে এইবোৰৰ সকলো অলীক কল্পনা বোলাটোও শুদ্ধ নহয়। বেদ আৰু আনবোৰ ভাৰতীয় শাস্ত্ৰ ৰচনাৰ কালত এচাম অত্যন্ত মেধাৱী লোকে কল্পনা কৰিব পৰা ধাৰণাৰে শাস্ত্ৰবোৰ সংকলিত হৈছিল আৰু তদানীন্তন কালৰ তুলনাত এইবোৰ শাস্ত্ৰৰ ধাৰণা অনন্য বুলিবই লাগিব। এটা কথা অৱশ্যেই স্বীকাৰ্য যে প্ৰাচীন ঋষি-মুনিসকলে যিকোনো কথাতে ডাল-পাত জোৱা দিয়াটো নিয়ম আছিল যেন লাগে। এই অভ্যাস এতিয়াৰ বৃদ্ধসকলৰো আছে। এজন পণ্ডিতে দুটা উদাহৰণেৰে অভ্যাসটো বুজাইছে। এজনে ককাকক সুধিলে— তেওঁৰ জন্ম কেতিয়া হৈছিল। ককাকে নাতিৰ জন্ম চনটো জানিলেও ক'ব— 'বুজিছ, তোৰ জন্মৰ আগৰ বছৰ অঞ্চলটোত ডাঙৰ বানপানী হৈছিল, সেই বছৰেই আমাৰ ৰাঙী গাইজনীয়ে এটা দমৰা জন্ম দিছিল, গাখীৰো একে কোবতে তিনি সেৰ ওলাইছিল। তোৰ জন্মৰ বছৰতেই যদু মণ্ডলৰ বিয়া হৈছিল। সেইখন বিয়াৰ কথা মানুহে বহু বছৰলৈ শলাগিছিল।' ককাই নাতিৰ জন্মৰ চন একে আষাৰেই ন'কৈ আন বহুতো তথ্য দিব। দ্বিতীয় উদাহৰণটো হ'ল— এজন ব্যক্তিৰ বিয়া ঠিক কৰিবলৈ দৰাৰ পিতৃ গৈছে কন্যাৰ পিতৃৰ ঘৰলৈ। চিনাকি পৰ্বত ওলাল এজনৰ বন্ধুৰ পিতৃ আনজনৰ পেহাক, এজনৰ ভাগিনীয়েকে আনজনৰ জেঠায়েকৰ সৰু নাতিনীক বিয়া কৰাইছে— এনেদৰে সম্বন্ধৰ তালিকাৰ দীঘলীয়া বিচাৰ চলিল। মুঠতে বিবাহৰ লগত কোনো সম্বন্ধ নথকা বহু কথাই দুই বিয়েৰ মাজত ওলাল। ভাৰতীয় শাস্ত্ৰৰ কাহিনী কথনো তেনেকুৱাই বুলিব পাৰি। কৌৰৱ-পাণ্ডৱৰ যুদ্ধৰ কাহিনী শুনাবলৈ মহাকাব্য ৰচকে একেবাৰে ৯৫টা পুৰুষৰ আগৰ দেৱতা চন্দ্ৰৰ পৰা কাহিনী আৰম্ভ কৰিব, য'ত সঁচা-মিছা বহুতো কথাৰ সমাহাৰ ঘটিবই।

আজি-কালি সমগ্ৰ পৃথিৱীজুৰি সকলো জাতি-জনগোষ্ঠীয়ে তেওঁলোকৰ জীৱন আৰু সংস্কৃতিৰ উৎস সন্ধান কৰিবলৈ লৈছে। এই হিচাপত বেদ-বেদান্ত হৈছে প্ৰাচীনতম সাহিত্য; পৃথিৱীৰ ভিতৰত প্ৰাচীনতম হওক বা নহওক, ছন্দোবদ্ধ বিপুল কবিতাৰ সমাহাৰ হিচাপে নিশ্চিতভাৱে বেদ প্ৰাচীনতম। সাহিত্য, কবিতা আদি যিহেতু সমাজ আৰু লোক জীৱনৰ সাৰ্থক প্ৰতিচ্ছবি, সেয়েহে আমাৰ প্ৰাচীন ভাল-বেয়া, প্ৰাচীন প্ৰেম-ভালপোৱা, ঘৃণা-ক্ষোভ, ক্ৰোধ-লোভ আৰু দৈনন্দিন জীৱনৰ আশা-আকাংক্ষা-ভয়, নীতি-অনীতি— এই সকলোবোৰেই লুকাই আছে বেদৰ বুকুত। জীৱনৰ চলমান ছবি বুলিয়েই পৰৱৰ্তী যুগৰ মানুহে পৰম বিস্ময়ৰ স'তে বেদ নিৰীক্ষণ কৰিছে। আধুনিক লোকেও বৰ্তমান জীৱনৰ নানান ঘটনা, মানুহৰ ইচ্ছা-অনিচ্ছা, ন্যায়-নীতিৰ ভাৱনাৰ মাজতো বৈদিক যুগৰ প্ৰতিচ্ছবি বিচাৰি পাই বাবেই বেদৰ প্ৰতি বিস্ময়াভিভূত হৈ পৰে। আধুনিক গল্প-উপন্যাস আৰু আন সাহিত্যত বিভিন্ন লোকে নিজৰ জীৱনৰ প্ৰতিচ্ছবি বিচাৰি পালে বা নিজে ভবা কথাবোৰৰ লগত



মিলি গ'লে সেইবোৰ ৰচনা যেনেকৈ জনপ্ৰিয় হয়, তেনেকৈ বেদৰ লগতো আধুনিক কাৰ্যকলাপ মিলিলে ৰচকৰ প্ৰতি ভক্তিত গদ্‌গদ্ হৈ পৰে পাঠকসকল।

পৃথিৱীৰ বিভিন্ন ঠাইত ভাৰতৰ দৰেই বিভিন্ন সভ্যতা আৰম্ভ হৈছিল। অন্য প্ৰাচীন সভ্যতাৰ দেশৰ লগত ভাৰতৰ পাৰ্থক্য এইখিনিতে যে ভাৰতৰ সভ্যতা-সংস্কৃতিৰ এটা নিৰৱচ্ছিন্ন ধাৰাবাহিক ইতিহাস আছে। মিছৰ, সুমেৰ, অক্কাদ, বেবিলন, এছিৰীয়, মেছোপটেমিয়া আদিৰ প্ৰাচীন সভ্যতা-সংস্কৃতি কেতিয়াবাই লয় পালে আৰু সেইবোৰ অঞ্চল, অৰ্থাৎ ইজিপ্ত, ইৰান, ইৰাক আদিত থকা বৰ্তমানৰ অধিবাসীসকলে প্ৰাচীন সভ্যতা-সংস্কৃতিৰ লগত একাত্মতা অনুভৱ নকৰে; আনকি ইজিপ্তৰ পিৰামিডৰ দৃশ্যমানতাৰ বাবে সেই ঠাইৰ প্ৰাচীন ইতিহাস জনা গ'লেও ইৰান-ইৰাক আদিৰ মানুহে জনাই নাছিল যে একালত সেইবোৰ ঠাইত একোটাকৈ উন্নত সভ্যতাই বিৰাজ কৰিছিল। সহজভাৱে ক'বলৈ হ'লে সেইবোৰ ঠাইৰ বৰ্তমান আৰু অতীতৰ সভ্যতাৰ মাজত কোনো যোগসূত্ৰ নাই।

ভাৰতৰ ক্ষেত্ৰত কথাটো বেলেগ। হৰপ্পা আৰু মহেঞ্জোদাৰোত আৱিষ্কৃত হোৱা দেৱ-দেৱীৰ মূৰ্তি এতিয়াও ভাৰতত পূজিত হয়। এইবোৰ মূৰ্তিৰ বয়স কমেও চাৰে চাৰি হেজাৰ বছৰ। সেইদৰে কমেও চাৰি হেজাৰ বছৰৰ আগেয়ে উচ্চাৰিত বেদ-মন্ত্ৰ এতিয়াও কুমাৰিকাৰ পৰা কাশ্মীৰলৈকে হিন্দুসকলে আবৃত্তি কৰে। কিছু পণ্ডিতৰ মতে বিবাহত উচ্চাৰিত কিছুমান মন্ত্ৰ হেনো খ্ৰীঃ পূঃ ২৫শ বছৰৰ সময়ত ৰচিত হৈছিল। এই তাৰিখ এহেজাৰমান বছৰ আগুৱাই আনিলেও ক'ব পাৰি যে চাৰে তিনি হেজাৰ বছৰৰ আগতে হোম পুৰি অৰ্থাৎ অগ্নিক সাক্ষী কৰি আৰু পুৰোহিতে বিশেষ মন্ত্ৰ পঢ়ি যেনে ধৰণে বিবাহ সম্পন্ন কৰিছিল এতিয়াও তেনে ধৰণেই বহুতেই বিবাহ সম্পন্ন কৰে। এফালেদি কিছু সংখ্যকে এনে বিবাহ পদ্ধতিত (আৰু অন্যান্য শাস্ত্ৰসন্মত বিধিত) পৰিৱৰ্তন আনিছে। আনফালেদি অসমৰ দৰে অনাৰ্য অধ্যুষিত স্থানতো এনেবোৰ নিয়ম প্ৰচলিত হৈ আছে। প্ৰাক ঐতিহাসিক কালৰ স্থাপত্য আদি তেনেই নগণ্য সংখ্যক আৱিষ্কৃত হ'লেও সেইদৰে খনন, শিলালিপি, সাগৰৰ বুকুত দ্বাৰকাৰ অনুসন্ধান ধৰণৰ কামবোৰ আৰু তাৰ পৰা পোৱা প্ৰত্নতাত্ত্বিক সমলৰ পৰিমাণ কম হ'লেও ভাৰতীয় প্ৰাচীন শাস্ত্ৰবোৰে বৰ্ণনা কৰা নানা কাহিনীয়ে এইখন দেশত এটি প্ৰাচীন উন্নত সভ্যতাৰ উপস্থিতিৰ প্ৰমাণ দিয়ে। ভাৰতৰ ভাষা, সাহিত্য, ধৰ্ম আৰু সামাজিক অনুষ্ঠানৰ ক্ষেত্ৰত ইতিহাসৰ যি এটা অখণ্ড-প্ৰবল ধাৰা লক্ষ্য কৰা যায়, তাৰ তুলনাত গ্ৰীচ আৰু ৰোমৰ (উদাহৰণ স্বৰূপে) ইতিহাসৰ ধাৰা অখণ্ড যদিও অতি ক্ষীণ। প্ৰাচীন গ্ৰীচ আৰু ৰোমৰ সামাজিক আৰু ধাৰ্মিক ধাৰণা, জীৱনবোধ আৰু দাৰ্শনিকতা আধুনিক গ্ৰীচ-ৰোমৰ অধিবাসীসকলৰ বাবে আচহুৱা হৈ পৰিছে।

লিখনি লানিৰ মূল প্ৰসংগ 'প্ৰব্ৰজন'ৰ পৰা আঁতৰি আহি ভাৰতীয় প্ৰাচীন শাস্ত্ৰৰ ওকালতি কৰাৰ কাৰণটো হ'ল— এইবোৰ শাস্ত্ৰই ভাৰতৰ বিচিত্ৰতাৰ আৱিষ্কাৰত যথেষ্ট সমলৰ যোগান ধৰে। বেদ আৰু আন শাস্ত্ৰবোৰৰ নানা দুৰ্বলতা সত্ত্বেও এইবোৰক ইতিহাস অধ্যয়নৰ পৰা আঁতৰাই ৰাখিব নোৱাৰি। আৰ্যসকলৰ ভাৰত আগমন বা আক্ৰমণৰ তত্ত্বৰ বিৰুদ্ধে যুক্তি দাঙি ধৰাসকলৰ এপাত প্ৰধান অস্ত্ৰ হ'ল— বেদকে ধৰি প্ৰাচীন শাস্ত্ৰবোৰত বৃহৎ প্ৰব্ৰজনৰ (যেনে বাইবেলৰ মহাপৰিব্ৰাজন Exodus) কোনো কাহিনী নাই। বেদৰ সূক্তবোৰ সৰস্বতী নদীৰ (বৰ্তমানে লুপ্ত) পাৰতেই ৰচনা কৰা হৈছিল, বেদত থকা জ্যোতিৰ্বিজ্ঞানৰ তথ্যই আৰ্যসকল কমেও ছহেজাৰ বছৰ কাল ভাৰততেই আছিল বুলি প্ৰমাণ কৰে। এই বিষয়ে অধিক আলোচনাৰ থল আছে।

*ফোন : ৮১৩৫৮৩৫২১৯*

*আজি কৃষক বিদ্ৰোহ উপলক্ষে*

# ১৮৯৪ৰ পথৰুঘাটৰ ৰণত মুছলিমঘোপা গাঁৱৰ ভূমিকা

**মুহাম্মাদ ফাৰুক আব্দুল্লাহ নূৰী**

অতীজত দৰং জিলাৰ ছিপাঝাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত এই গাঁওখনৰ নাম আছিল 'গড়িয়াঘোপা'। ১৯৩১ৰ লোকপিয়লত গাঁৱৰ কেইবাজনো মুৰব্বী আৰু মুখ্যতঃ মৰহুম আব্বাচউদ্দিন আহমেদ (হাকিম) চাহেবৰ উদ্যোগত 'গড়িয়াঘোপা' নাম সলাই 'মুছলিমঘোপা' নামেৰে পঞ্জীয়ন কৰিবলৈ অনুৰোধ জনাইছিল আৰু সেই মৰ্মেই গাঁওখনৰ নাম মুছলিমঘোপা নামেৰে পঞ্জীয়নকৃত হৈ যায়। দৰং জিলাৰ পশ্চিম প্ৰান্তত অৱস্থিত মুছলিমঘোপা গাঁও এখনি ইতিহাস প্ৰসিদ্ধ গাঁও। গাঁওখনৰ উত্তৰে ২নং চেঙাপাৰা, দক্ষিণে সাতঘৰীয়া, পুবে হিন্দুঘোপা, পশ্চিমে বৰকলিয়াঝাৰ আৰু ব্যাসপাৰা। গাঁওখন ১৫নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা প্ৰায় ১ কিঃমিঃ উত্তৰে অৱস্থিত। গাঁওখনত থকা চুবুৰীকেইটা ক্ৰমে— ১। বাইহাঠাচুবা, ২। হাজীচুবা, ৩। কলাঠাচুবা, ৪। চেঙাচুবা, ৫। মাজৰচুবা, ৬। মুৰৰচুবা, ৭। ধৌৰাচুবা। ইয়াৰ উপৰিও সাতঘৰীয়া আৰু চেঙাপাৰাৰ ন-আলি মূৰৰ মানুহখিনি মুছলিমঘোপাৰ পৰাই প্ৰব্ৰজন হোৱাৰ বাবে মুছলিমঘোপাৰ সকলো সামাজিক অনুষ্ঠান আৰু কাম-কাজৰ লগত ওতপ্ৰোতভাৱে জড়িত। মুছলিমঘোপা গাঁৱৰ সকলোখিনি মানুহেই মুছলিম সম্প্ৰদায়ৰ। গাঁওখনত তিনিজন গাঁওবুঢ়া আৰু পঞ্চায়ত ব্যৱস্থাৰ জৰিয়তে মানুহবোৰ পৰিচালিত। গাঁওখনৰ যাতায়াত ব্যৱস্থা উন্নত বুলি ক'ব পাৰি। গাঁওখনৰ মাজেৰে যোৱা গড়কাপ্তানী বিভাগৰ কদমতলি- ন আলি পথটোৱে ১ কিঃমিঃ দক্ষিণে ১৫নং ৰাষ্ট্ৰীয় ঘাইপথ আৰু ১কিঃমিঃ উত্তৰে মঙলদৈ খৈৰাবাৰী পথৰ লগত সংযোগ ঘটাইছে। ইয়াৰ বাহিৰে কদমতলি-বগাচলা নামেৰে আন এটা গড়কাপ্তানী বিভাগৰ পথ ছিপাঝাৰ-পাথৰিঘাট পথটোৰ লগত সংযোজিত হৈ পশ্চিমফালে ধাৱমান হৈছে।

বিশিষ্ট লেখক, গৱেষক ৰফিউল হুছেইন বৰুৱাৰ 'ইছলামীয় ঐতিহ্য' নামৰ গ্ৰন্থত উল্লেখ কৰিছে, "খ্ৰীষ্টীয় সপ্তম শতিকাত তুৰ্বক সেনাপতিয়ে চীন দেশ জয় কৰি আহি বৰ্তমানৰ মুছলিমঘোপা নামৰ ঠাইতে জিৰণি লৈছিল আৰু কিছু সৈন্য সামন্ত এই অঞ্চলতে ৰৈ যায়।"

ত্ৰয়োদশ শতিকাৰ মধ্য বা শেষভাগত গৌড়ৰ এদল তুৰ্কী বংশোদ্ভৱ মুছলমান নতুন বাসভূমি অন্বেষণত প্ৰব্ৰজিত হৈ আহি কামৰূপ অতিক্ৰমি দৰং জিলাৰ ছিপাঝাৰৰ প্ৰায় ডেৰ কিঃমিঃ উত্তৰত প্ৰৱেশ কৰিছিল। ঠাইডোখৰ হাবিতলীয়া ঘোপ মৰা আছিল কাৰণে ঠাইখনে নাম পায় 'ঘোপা।' মানুহখিনিৰ আদি বাসস্থান গৌড় দেশৰ কাৰণে ঠাইখনে স্বীকৃতি পাইছিল 'গড়িয়াঘোপা' নামেৰে। (গৌড়িয়া ঘোপা আৰু পিছলৈ অপভ্ৰংশ হৈ গড়িয়াঘোপা হয়।) উল্লেখযোগ্য যে দৰং জিলাৰ এই 'গড়িয়াঘোপা'ই হ'ল মুছলমানৰ প্ৰথম বসতিস্থল। প্ৰায় সাত শ বছৰ এই নামেৰেই পৰিচিত হৈ থকাৰ পিছত ১৯২৬ চনত তেতিয়াৰ ভূমি বন্দোৱস্তীকৰণ (Settlement Officer) বিষয়া মঃ আনোৱাৰ হুছেইনে ৰাজপত্ৰত স্থানীয় লোকৰ দাবীত গড়িয়াঘোপাৰ পৰিৱৰ্তে মুছলিমঘোপা নামেৰে নামকৰণ কৰে। (বিশিষ্ট সাহিত্যিক আব্দুৰ ৰহমানৰ গ্ৰন্থ 'অসমৰ মুছলমানসকল', পৃঃ ১৮৬)

কোচ ৰজাসকলৰ শাসনত দৰঙ্গ ৰাজ্য একপ্ৰকাৰ সাৰ্বভৌম ৰাজ্য আছিল যদিও অসমৰ অন্যান্য ৰাজ্যৰ লগতে ১৮২২ খ্ৰীষ্টাব্দত মানৰ কবলত পৰে। পিছত ইয়াণ্ডাবু সন্ধিৰ চুক্তিমতে ১৮২৬ খ্ৰীষ্টাব্দত দৰঙ্গ ৰাজ্যখন ব্ৰিটিছ শাসনৰ অধীনলৈ যায়। সাম্ৰাজ্যবাদী ব্ৰিটিছসকলে জনসাধাৰণক ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক ইত্যাদি সকলো দিশেৰে শোষণ কৰিছিল। কৃষকসকলে কৰা খেতিৰ উপাৰ্জনৰ বৃদ্ধি দেখা পাই ইংৰাজসকলে প্ৰতিবছৰে খাজনা কৰি থকাৰ ব্যৱস্থা লৈছিল। প্ৰতি দহ বছৰৰ অন্তৰে অন্তৰে খাজনা বৃদ্ধি পোৱাত দৰঙী কৃষকসকল হাৰাশাস্তিৰ সন্মুখীন হৈছিল। ১৮৬৮ খ্ৰীষ্টাব্দত বৰ্দ্ধিত খাজনা দিয়াৰ আদেশ জাৰি কৰাত প্ৰথমবাৰৰ বাবে প্ৰজাৰ বিদ্ৰোহী মনোভাব প্ৰকাশ পাইছিল। বৰ্দ্ধিত হাৰত খাজনা দিবৰ বাবে প্ৰজাক বুজনি দিবলৈ পথৰুঘাটৰ ডাক বঙলালৈ অহা তেতিয়াৰ ডেপুটি কমিচনাৰৰ ওচৰত প্ৰজাই খাজনা বৃদ্ধিৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ কৰিছিল। ব্ৰিটিছৰ বিৰুদ্ধে দৰঙী প্ৰজাৰ মনত উমি উমি জ্বলি থকা ক্ষোভৰ জুয়ে ১৮৯৪ত চৰম ৰূপ ধাৰণ কৰিছিল। পুনৰ খাজনা বৃদ্ধি কৰাত পথৰুঘাটত থকা তহচিলদাৰক প্ৰজাই বৰ্দ্ধিত হাৰত খাজনা দিব নোৱাৰে বুলি আপত্তি জনাইছিল। দৰঙৰ জিলাধিপতিয়ে মহকুমাধিপতিৰ স'তে গৈ পথৰুঘাটত প্ৰজাৰ আপত্তিৰ বুজ ল'ব বুলি তহচিলদাৰৰ হতুৱাই জনাই দিছিল। নিৰ্দিষ্ট দিনত পথৰুঘাটত সমবেত অসংখ্য কৃষকে সশস্ত্ৰ পুলিচসহ উপস্থিত হোৱা জিলাধিপতি এণ্ডাৰচন আৰু মহকুমাধিপতি ৰেমচনৰ ওচৰত বৰ্দ্ধিত খাজনাৰ বিৰুদ্ধে আপত্তি দৰ্শাইছিল। কিন্তু জিলাধিপতিয়ে জনগণৰ আশা আকাংক্ষা আৰু দুৰ্দশাৰ কথা বিবেচনা নকৰি তেওঁলোকৰ এই খাজনা বৃদ্ধিৰ প্ৰতিবাদক উপলুঙা কৰিলে আৰু ৰাইজৰ মতৰ প্ৰতি অসন্মান জনাই প্ৰতিবাদী কৃষকৰ মনোভাৱ স্থানীয় চৰকাৰী বিষয়া তথা দোভাষীৰ মাধ্যমেদি উমান লৈ প্ৰতিবাদৰ উদ্দেশ্যক পোনচাটেই নাকচ কৰিছিল। তাৰ পৰিৱৰ্তে বৰ্দ্ধিত



নিৰিখত খাজনা আদায় দিব লাগিব বুলি অসন্মানজনকভাৱে তথা দাম্ভিকতাৰে দোহাৰিলে লগতে সেই ঠাই এৰিবলৈ বল প্ৰয়োগ কৰিলে। কিন্তু শোষণত জৰ্জৰিত দৰিদ্ৰ ৰাইজৰ ধৈৰ্যৰ বান্ধ চিঙি গৈ সমবেত দৰঙৰ হিন্দু-মুছলমান প্ৰজাই 'হৰিধ্বনি' আৰু 'আল্লাহু আকবাৰ' ধ্বনি দি জিলাধিপতিৰ কথাৰ প্ৰতিবাদ জনাই আগবাঢ়ি গৈছিল। পুলিচে ৰাইজক পিছুৱাই দিবলৈ চেষ্টা কৰিলে। হেন সময়তে আৱেগিক ৰাইজে হয়তো উত্তেজনাৰ বশৱৰ্তী হৈ আক্ৰমণ কৰিবলৈ উদ্যত হৈছিল। লগে লগে জনতাৰ ওপৰত পুলিচৰ লাঠিচাৰ্জ আদি আৰম্ভ হৈছিল। পুলিচৰ স'তে তেওঁলোকৰ হতাহতি আৰম্ভ হৈ গৈছিল। অসংখ্য কৃষকৰ লগত কমসংখ্যক পুলিচবাহিনী আহত হৈছিল। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিব নোৱাৰি হয়তো প্ৰথমতে শূন্যলৈ গুলীচালনা আৰু পিছলৈ গৈ নিৰস্ত্ৰ জনতাৰ ওপৰত প্ৰত্যক্ষভাৱে গুলীবৰ্ষণৰ আদেশ জাৰী হৈছিল। অসংখ্য প্ৰতিবাদকাৰীৰ শৰীৰৰ বিভিন্ন অঙ্গৰ মাজেৰে গুলী ভেদ কৰি গৈছিল ফলত কিছু মানুহে প্ৰাণ ত্যাগ কৰিছিল আৰু কিছুমান পঙ্গু হৈছিল। সেই সময়ৰ বেচৰকাৰী হিচাপমতে ১৪০ জন লোক পথৰুঘাটৰ ৰণত থিতাতে ছহিদ হৈছিল আৰু ১৫০ জন আহত হৈছিল। অৱশ্যে সেই সময়ত হতাহতৰ চৰকাৰী হিচাপ কমকৈ দেখুওৱা হৈছিল।

**পথৰুঘাটৰ ৰণত মুছলিমঘোপা গাঁৱৰ ছহিদসকল :**

মুছলিমঘোপা গাঁও বৰ্তমান পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্ভুক্ত এখন অন্যতম গাঁও। অতীততো ই পাথৰিঘাট তহচিলৰ অন্তৰ্ভুক্ত আছিল। পাথৰিঘাট তহচিলৰ অন্তৰ্ভুক্ত গাঁও হিচাপে ইয়াৰ কৃষকসকলো তাৰ স'তে জড়িত হৈ আছিল। সেয়ে উক্ত প্ৰতিবাদৰ দিনাখনো মুছলিমঘোপা গাঁৱৰ অত্যন্ত আগ্ৰহেৰে বচা বচা কৃষকসকলে তাত অংশ লৈ নিজৰ বক্তব্য ৰাখিছিল আৰু প্ৰতিবাদৰ শেষৰ ফালে হোৱা অপ্ৰীতিকৰ পৰিস্থিতি তথা ব্ৰিটিছ পুলিচৰ গুলীৰ আঘাতত তেওঁলোকৰ মাজৰ কেইবাজনো ছহিদ হৈছিল আৰু আঘাতপ্ৰাপ্ত হৈছিল। মুছলিমঘোপা গাঁৱৰ হাজীচুবা নিবাসী বৰলিকিৰা সেখ এই ৰণত ছহিদ হৈছিল। তেওঁ বিলাতী চাহাবৰ মূৰলৈ ফৰ্মুটি মাৰি পঠিয়াইছিল। লগে লগে ব্ৰিটিছ চাহাবৰ দেহৰক্ষীয়ে জধেমধে গুলী চালনা কৰাত পেটত গুলী লাগি তেওঁৰ মৃত্যু হয়। হাজী চুবাৰেই সৰু লিকিৰা (মেহেৰ) নামৰ আন এজন কৃষকে তাতেই মৃত্যুবৰণ কৰে। মাজৰচুবাৰ বলি সেখ আঘাতপ্ৰাপ্ত হৈ কথমপি ৰক্ষা পৰে। কিন্তু সেই আঘাততে কেইদিনমান পিছত নিজ ঘৰত তেওঁৰ মৃত্যু হয়। মাজৰচুবাৰে মাকাৰা খোৱা (কুমেতি খোৱা বুলিও কয়)ৰ ভৰিত গুলী লাগিছিল। তেওঁৰ জখম বেছি নাছিল বাবে সোনকালে আৰোগ্য লাভ কৰে। ধৌৰা চুবাৰ ফফেৰু সেখৰ নতুন কাপোৰ ফুটা কৰি দুই ভৰিৰ সোঁমাজেৰে গুলী পাৰ হৈ গৈছিল। তেওঁ পথৰুঘাট ৰণৰ প্ৰত্যক্ষদৰ্শী আৰু অভিজ্ঞতাপুষ্ট ব্যক্তি আছিল। তেওঁ নিজমুখে মাজে সময়ে মানুহক গীত গাই শুনাইছিল। তেওঁ গোৱা গীত সমূহৰ মাত্ৰ এফাঁকিহে ১৯৯৫ৰ মে'ত মঙলদৈ মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষ মৰহুম আব্দুল মজিদ চাহেবে উদ্ধাৰ কৰিছিল। গীতফাঁকি—

"চলি কান্দেই কোহা কোহা<br>
মাকোৰ কঁপেই হিয়া,<br>
পথৌঘাটত ধাওৱা লাগছি<br>
ৰায়াত পলায় কিয়া।"

গীতফাঁকি প্ৰায় ১০০ বছৰ বয়সপ্ৰাপ্ত মুছলিমঘোপা গাঁৱৰ মুৰৰচুবা নিবাসী নজিৰ আলীয়ে অধ্যক্ষ মৰহুম আব্দুল মজিদ চাহেবক গাই শুনাইছিল।

**উপসংহাৰ :**

মুছলিমঘোপা গাঁৱৰ বৰ্তমান প্ৰজন্মও পূৰ্বৱতী ছহিদ তথা সংগ্ৰামীসকলৰ আদৰ্শেৰে উদ্বুদ্ধ হৈ জীৱন নিৰ্বাহ কৰি আহিছে। কৃষকসকলে নিজৰ কৃষিক্ষেত্ৰত ধান, মাহ, সৰিয়হ, শাক-পাচলি, আলু, বিলাহী ইত্যাদি খেতিত মনোনিৱেশ কৰি আহিছে। ইয়াৰোপৰি গাঁওখনত বিভিন্ন প্ৰকাৰৰ ক্ষুদ্ৰ ব্যৱসায়ীসকলে স্বনিৰ্ভৰশীলতাৰে জীৱন নিৰ্বাহত ব্ৰতী হৈ আছে। লগতে আধুনিক শিক্ষাৰে শিক্ষিত হৈ বিভিন্ন দিশত তথা চৰকাৰৰ বিভিন্ন বিভাগত সেৱা আগবঢ়াই দেশ সেৱা কৰি আছে।

এইখিনিতে উল্লেখ্য যে অতীজত গাঁওখনত কেইবাজনো স্বাধীনতা সংগ্ৰামী, সাহিত্যিক আছিল। তাৰ ভিতৰত লেখকৰ আজোককা মাষ্টৰ ছিদ্দিক আলী, জহিৰুদ্দিন আহমেদ (জামা দাড়ীয়া), আব্বাচুদ্দিন আহমেদ (টিকাদাৰ), তাহেৰ আলী (মহাজন), ভোটোক সেখ, মহৎ সেখ, দীঘল বুঢ়া, আদিমচা সেখ আদি।

স্বাধীনতা সংগ্ৰামত অবিৰাম অংশগ্ৰহণ কৰি মাষ্টৰ ছিদ্দীক আলী চাহেবে ভাগৰ অনুভৱ নকৰি আজৰি সময় পালেই সাহিত্য চৰ্চাত মনোনিৱেশ কৰিছিল। তেওঁ বহুকেইখন কিতাপ লিখিছিল— 'শান্তি সমাচাৰ', 'কবিতা পুথি', 'নতুন সাধু', 'ন-পাটিগণিত', 'কাৰ্য শিক্ষা', 'সৌভাগ্য মঙ্গলমণি', 'মাৰ পোহৰৰ শেষৰ ৰেঙণি', 'আনন্দ লহৰী', 'গৰায়ে গলদ' (প্ৰথমে ভুল)। হাতে লিখা কেইখনমান পুথি তেওঁ মঙলদৈ নিবাসী বিশিষ্ট সাহিত্যিক প্ৰয়াত এম ইব্ৰাহিম আলী চাহেবৰ হাতত এৰি থৈ যোৱা বুলি জনা যায়। মাষ্টৰ ছিদ্দীক আলীৰ সমসাময়িক লেখক, স্বাধীনতা সংগ্ৰামী মৰহুম জহিৰুদ্দিন আহমেদৰ এখন গ্ৰন্থ 'ধাৰাপাত'। উল্লেখ্য যে মাষ্টৰ ছিদ্দীক আলীয়ে জীৱিত কালত মুক্তিযোদ্ধা পেঞ্চন গ্ৰহণ কৰা নাছিল। তেওঁৰ মৃত্যুৰ পিছত মুক্তিযোদ্ধা স্বীকৃতি স্বৰূপে তেওঁৰ বিধৱা পত্নী জয়নাব বিবিয়ে প্ৰতিমাহে এশ টকাকৈ চৰকাৰী পেঞ্চন লাভ কৰিছিল। ১৯২৪ত মাষ্টৰ ছিদ্দীক আলী, জহিৰুদ্দিন আহমেদক তেজপুৰ কাৰাগাৰত দুই বছৰ কাৰাবন্দী কৰি ৰাখিছিল। আব্বাচুদ্দিন আহমেদ (টিকাদাৰ) চাহেবেও কাৰাবাস খাটিব লগা হৈছিল আৰু আজীৱন ভাৰতীয় জাতীয় কংগ্ৰেছৰ সেৱক আছিল। ১৯৭২ত তেওঁ তাম্ৰপত্ৰৰে মুক্তিযোদ্ধা হিচাপে সন্মানিত হৈছিল। তাহেৰ আলী (মহাজন)ক পুলিচে ধৰি নি তেজপুৰ থানাত বন্দী কৰি থৈছিল।

এইদৰে মুছলিমঘোপা গাঁৱৰ কৃষকসকলে অতীজৰে পৰা আজি পৰ্যন্ত পথৰুঘাট অঞ্চলত কৃষিক্ষেত্ৰত বিভিন্ন দিশেৰে সেৱা আগবঢ়াই কৃষিপ্ৰধান অঞ্চলটোক অৰ্থনৈতিকভাৱে আৰু সামাজিকভাৱে টনকিয়াল কৰাত অৰিহণা যোগাই আহিছে। লগতে এইকথাও ক'ব পাৰি গাঁওখনৰ কৃষকসকলৰ সংগ্ৰামী সত্তাটোৱে পথৰুঘাটৰ কৃষি বিদ্ৰোহত অংশগ্ৰহণ কৰি আৰু অতীজৰ বিশিষ্ট নাগৰিকসকলে সৰ্বভাৰতীয় স্বাধীনতা আন্দোলনত শাৰীৰিক আৰু বৌদ্ধিকভাৱে নিজকে চামিল কৰি ভাৰতৰ স্বাধীনতা আন্দোলনক আন্তৰিকতাৰে আগুৱাই নিয়াত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল।

*ফোন : ৯৯৫৭৩১০৪৩৬*

দৈনিক অগ্রদূত

# দেশ-দেশান্তৰ




## যুদ্ধবিৰতিৰ বাবে সন্মত ৰাছিয়া-ইউক্ৰেইন, দুসপ্তাহৰ পাছত হ'ব পুনৰ বৈঠক



**নিউজ ব্যুৰ', পেৰিছ, ২৭ জানুৱাৰী ঃ** ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত সংকট অব্যাহত থকাৰ সময়তে উভয় পক্ষই ফ্ৰান্সৰ ৰাজধানী পেৰিছত এখন বৈঠকত অংশ ল'লে। সংবাদ মাধ্যমৰ বাতৰি অনুসৰি আঠ ঘণ্টাৰো অধিক সময় ধৰি হোৱা এই বৈঠকত উভয় ৰাষ্ট্ৰই যুদ্ধবিৰতিৰ বাবে সন্মতি দিলে। এক যৌথ বিবৃতিত আজি ৰাছিয়া আৰু ইউক্ৰেইনে ঘোষণা কৰি কয় যে কোনো চৰ্ত অবিহনে তেওঁলোকে যুদ্ধবিৰতিৰ সিদ্ধান্ত লৈছে। বাতৰিত উল্লেখ কৰা অনুসৰি জাৰ্মানীৰ ৰাজধানী বাৰ্লিনত দুসপ্তাহ পাছত এই বিষয়ত পুনৰ এখন বৈঠক অনুষ্ঠিত হ'ব। ৰাছিয়া আৰু ইউক্ৰেইনে যুদ্ধবিৰতিৰ সিদ্ধান্ত লোৱাত ফ্ৰান্সৰ ৰাষ্ট্ৰদূতে আদৰণি জনাই কয় যে বৰ্তমানৰ পৰিস্থিতিত ই এক ইতিবাচক সিদ্ধান্ত। আগন্তুক দুসপ্তাহৰ ভিতৰত পৰিস্থিতি স্বাভাৱিক কৰি তুলিবলৈ ৰাছিয়া আৰু ইউক্ৰেইনে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব বুলি উক্ত বিবৃতিত উল্লেখ কৰিছে।

## প্ৰথমবাৰলৈ জেমছ ব'ণ্ডৰ চৰিত্ৰত অভিনয় কৰিব পাৰে কৃষ্ণাংগ অভিনেতাই



**নিউজ ব্যুৰ', হলিউড, ২৭ জানুৱাৰী ঃ** হলিউডৰ বিখ্যাত চোৰাংচোৰা চলচ্চিত্ৰ ছিৰিজ 'জেমছ ব'ণ্ড'ৰ পৰৱৰ্তী ছবিত প্ৰথমবাৰলৈ ব'ণ্ডৰ চৰিত্ৰত প্ৰত্যক্ষ হ'ব পাৰে এজন কৃষ্ণাংগ অভিনেতাক। প্ৰকাশিত বাতৰি অনুসৰি, জেমছ ব'ণ্ডৰ নিৰ্মাতাই '০০৭' ছিৰিজৰ পৰৱৰ্তী ছবিত হলিউডৰ বিখ্যাত অভিনেতা ইদ্ৰিছ এলবাক ব'ণ্ডৰ চৰিত্ৰত অভিনয়ৰ বাবে নিৰ্বাচন কৰাৰ সম্ভাৱনা আছে। যদিহে এলবাকে এই সুযোগ লাভ কৰে তেন্তে ৪৯ বছৰীয়া অভিনেতাজন ব'ণ্ড চৰিত্ৰত অভিনয় কৰা সপ্তমজন অভিনেতা হিচাপে পৰিচিত হ'ব। ব'ণ্ড ছিৰিজৰ প্ৰযোজকে সম্প্ৰতি এনে এক ইংগিত সাক্ষাৎকাৰত দিলে। এলবাকৰ লগতে ব'ণ্ড ছিৰিজত পৰৱৰ্তী ছবিত এই চৰিত্ৰত অভিনয়ৰ বাবে টম হাৰ্ডি, ৰিচাৰ্ড মেইডেন, চিলিয়ন মাৰ্ফি, হেনৰি কেভিল, টম হিডলষ্টন আদিৰ নামো বিবেচনা কৰা হৈছে। অৱশ্যে এতিয়ালৈকে পৰৱৰ্তী জেমছ ব'ণ্ডৰ অভিনেতাৰ নাম স্থিৰ কৰা হোৱা নাই। ২০০৬ৰ পৰা জেমছ ব'ণ্ডৰ ছবিত এই বিখ্যাত চোৰাংচোৰাৰ চৰিত্ৰত অভিনয় কৰি আহিছে ডেনিয়েল ক্ৰেইগে।

## দিল্লীত সপ্তাহান্তিক সান্ধ্যআইন প্ৰত্যাহাৰ, সকলো দোকান খোলাৰ অনুমতি




**নিউজ ব্যুৰ', নতুন দিল্লী, ২৭ জানুৱাৰী ঃ** দেশৰ ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত ক'ভিডৰ সংক্ৰমণ হ্ৰাস পোৱাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে সপ্তাহান্তিক সান্ধ্যআইন বাতিল কৰিলে। সান্ধ্যআইনৰ লগতে এতিয়াৰে পৰা দিল্লীত যুগ্ম-অযুগ্ম নিয়মৰে দোকান খোলাৰ নিৰ্দেশনাও প্ৰশাসনে বাতিল কৰিলে। জিলা দুৰ্যোগ প্ৰবন্ধন প্ৰাধিকৰণে আজি এখন বৈঠকত ক'ভিড সন্দৰ্ভত এই সিদ্ধান্ত গ্ৰহণ কৰে। দিল্লীত সপ্তাহান্তিক সান্ধ্যআইন প্ৰত্যাহাৰ কৰা হ'লেও ৰাজধানীত নৈশ সান্ধ্যআইন বৰ্তমানে বাহাল থাকিব। ইফালে, বিবাহৰ ক্ষেত্ৰত দুশজন অতিথিক অংশ লোৱাৰ বাবে অনুমতি দিয়া হৈছে। অৱশ্যে ৰাজহুৱা স্থানত সৰ্বাধিক ২০০ অথবা ৫০ শতাংশ লোকক সমবেত হোৱাৰ অনুমতি প্ৰদান কৰা হৈছে। দিল্লীত ৰেস্তোৰাঁ, পানশালা, চিনেমাহল আদিও খোলাৰ বাবে প্ৰশাসনে অনুমতি দিলে।

## দেশজুৰি ক'ভিড সংক্ৰমণ সামান্য হ্ৰাস, মৃত্যু ৫৭৩ জনৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৭ জানুৱাৰী ঃ** যোৱা মঙলবাৰে দেশৰ ক'ভিড সংক্ৰমণ তিনি লাখৰ তললৈ নামিছিল। ইয়াৰ পাছৰে পৰা তিনি লাখৰ তলতে আছে দৈনিক সংক্ৰমণ। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশত পুনৰ দুই লাখ ৮৬ হেজাৰ ৩৪৮ জন লোক কৰ'নাত সংক্ৰমিত হ'ল। যোৱা ২৪ ঘণ্টাত ভাৰতত কৰ'নাৰ দৈনিক সংক্ৰমণ ০.১ শতাংশ বৃদ্ধি পালে। বুধবাৰে দৈনিক সংক্ৰমণৰ হাৰ আছিল ১৬.১৬ শতাংশ আৰু বৃহস্পতিবাৰে ১৯.৫৯ শতাংশলৈ বৃদ্ধি পালে। যোৱা ২৪ ঘণ্টাত দেশত পুনৰ ৫৭৩ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। বুধবাৰৰ তুলনাত মৃতকৰ সংখ্যা প্ৰায় শতাধিক হ্ৰাস পালে।

**ক'ভিড পৰিস্থিতিত শিক্ষাৰ্থীৰ মেধাৰ বিকাশ বাধাগ্ৰস্ত, শিক্ষাৰ্থীৰ মাজত আত্মকেন্দ্ৰিকতা বৃদ্ধি, শিশুৰ গাণিতিক মেধাও হ্ৰাস**


# শিক্ষাৰ ক্ষতি কৰিছে অনলাইন পদ্ধতিয়ে ঃ সমীক্ষাত চাঞ্চল্যকৰ তথ্য

**নিউজ ব্যুৰ' ৰাইপুৰ, ২৭ জানুৱাৰী ঃ** ক'ভিড পৰিস্থিতিত শিক্ষানুষ্ঠান বন্ধ হৈ থকাৰ ফলত অনলাইন অৰ্থাৎ ইণ্টাৰনেটৰ মাধ্যমৰে শিক্ষাদান আৰু গ্ৰহণ প্ৰক্ৰিয়া দেশজুৰি অব্যাহত আছে। কিন্তু অনলাইন শিক্ষাই প্ৰকৃততে ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা আহৰণৰ ক্ষমতাৰ ক্ষতি কৰিছে। চত্তিছগড়ৰ শিক্ষা বিভাগৰ বাৰ্ষিক প্ৰতিবেদন অনুসৰি প্ৰাক ক'ভিড পৰিস্থিতিত ৰাজ্যখনত প্ৰাথমিক শিক্ষাৰ ফলাফল উন্নত হৈছিল, কিন্তু ২০২০ বৰ্ষৰ মাৰ্চৰ পৰা বিদ্যালয় বন্ধ হোৱাৰ ফলত শিক্ষা আহৰণৰ ক্ষেত্ৰত শিক্ষাৰ্থীসকল ভয়াৱহভাৱে ক্ষতিগ্ৰস্ত হৈছে। ২০১৮ৰ পৰা ২০২১ বৰ্ষৰ সময়ছোৱাত ৰাজ্যখনৰ শিশুৰ মৌলিক বিকাশ হ্ৰাস পোৱাৰ লগতে শিক্ষাৰ্থীৰ মাজত স্বাৰ্থপৰতা আৰু আত্মকেন্দ্ৰিকতা বৃদ্ধি পাইছে বুলি এই প্ৰতিবেদনত উল্লেখ কৰা হৈছে। চত্তিছগড়ৰ ২৮ খন জিলাৰ ৩৩,৪৩২ পৰিয়ালৰ ৩-১৬ বছৰ বয়সীয়া ৪৫,৯৯২ শিশুক সামৰি শিক্ষা বিভাগে এই অধ্যয়ন চলাইছিল। প্ৰতিবেদনত প্ৰকাশ পোৱা অনুসৰি ক'ভিড পৰিস্থিতিত শিক্ষাৰ্থীৰ মেধাৰ বিকাশ বাধাগ্ৰস্ত হৈছে।




২০১৮ৰ পৰা ২০২১ত দ্বিতীয়, তৃতীয় আৰু ষষ্ঠ শ্ৰেণীৰ শিশুৰ মেধাৰ মান যিমান উন্নত আছিল, ক'ভিড পৰিস্থিতিত এই মান যথেষ্ট হ্ৰাস পালে। একেদৰে ক'ভিড কালত শিশুৰ গাণিতিক মেধাও হ্ৰাস পাইছে। ডাণ্টেৱাড়া, সুৱাজপুৰ আৰু বিজাপুৰৰ চৰকাৰী বিদ্যালয় প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ ৬০ শতাংশ শিক্ষাৰ্থীয়ে একক অংকৰ সংখ্যা চিনাক্ত কৰিবলৈ সম্প্ৰতি ব্যৰ্থ হৈছে। একেদৰে বিলাসপুৰ, নাৰায়ণপুৰ, ডাণ্টেৱাৰা, বিজাপুৰ আৰু মংগেলিত তৃতীয়ৰ পৰা পঞ্চম শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাত্ৰ ১০ শতাংশইহে যোগ-বিয়োগ কৰিবলৈ শিকিছে। মহামাৰীৰ পাছতো ২০১৮ৰ তুলনাত ৰাজ্যখনত ২০২১ত শিক্ষানুষ্ঠানত ছাত্ৰৰ ভৰ্তিৰ হাৰ অধিক আছিল যদিও সৰহসংখ্যক শিক্ষাৰ্থীয়ে ক'ভিড কালত অনলাইন শিক্ষাগ্ৰহণ কৰিবলৈ গৈ ব্যাপকভাৱে ক্ষতিগ্ৰস্ত হ'ল বুলি চৰকাৰী সমীক্ষাটোত উল্লেখ কৰা হৈছে।

## বিশ্বত পুনৰ ক'ভিড সংক্ৰমণ বৃদ্ধি, বাঢ়িল দৈনিক মৃত্যুও



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২৭ জানুৱাৰী ঃ** যোৱা ২৪ ঘণ্টাত বিশ্বৰ বিভিন্ন দেশত ৩৫.১৩ লাখ লোক কৰ'নাত আক্ৰান্ত হ'ল। কৰ'নাৰ দৈনিক সংক্ৰমণ বৃদ্ধিৰ লগতে এই মহামাৰীত বিগত এদিনত মৃতকৰ সংখ্যাও বৃদ্ধি পালে। যোৱা ২৪ ঘণ্টাত বিশ্বৰ বিভিন্ন দেশত ১০,৩১৩ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। আনহাতে, বিশ্বত বিগত এদিনত ২৩.৭১ লাখ ক'ভিড ৰোগী এই ভাইৰাছৰ কবলমুক্ত হ'ল। দৈনিক সংক্ৰমণৰ ক্ষেত্ৰত ৫.০১ লাখ ৰোগীৰে শীৰ্ষত আছে আমেৰিকা। আনহাতে, দ্বিতীয় স্থানত থকা ফ্ৰান্সতো বিগত এদিনত প্ৰায় ৫.০১ লাখ লোক কৰ'নাত আক্ৰান্ত হ'ল। ২.৮৪ লাখ ক'ভিড ৰোগীৰে দৈনিক সংক্ৰমণৰ তালিকাত তৃতীয় স্থানত আছে ভাৰত। যোৱা ২৪ ঘণ্টাত আমেৰিকাত ৩,০০৩ জন, ভাৰতত ৫৭৪ জন আৰু ফ্ৰান্সত ৪৬৭ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল।




## ইণ্ডোনেছিয়াত নৈশ ক্লাবত অগ্নিকাণ্ডত মৃতকৰ সংখ্যা ১৯ জনলৈ বৃদ্ধি

**নিউজ ব্যুৰ' জাকাৰ্টা, ২৭ জানুৱাৰী ঃ** দুই জাতিগোষ্ঠীৰ সংঘৰ্ষ আৰু অগ্নিকাণ্ডত ইণ্ডোনেছিয়াৰ পশ্চিম পাপুৱা প্ৰদেশৰ চৰং চহৰত প্ৰাণ হেৰুৱালে ১৯ জন লোকে। এটা নৈশ ক্লাবত সংঘটিত হোৱা অগ্নিকাণ্ডৰ ঘটনাত ১৮ জন লোকৰ মৃত্যু হৈছিল। আনহাতে, এজন লোকৰ ছুৰীকাঘাতৰ ফলত মৃত্যু হ'ল। উক্ত ব্যক্তি সংঘৰ্ষ সৃষ্টিকাৰী জনজাতিৰ সদস্য আছিল। এই সংঘৰ্ষৰ পৰিণতিতে উক্ত নৈশক্লাবত এটা জনগোষ্ঠীৰ লোকে অগ্নিসংযোগ কৰিছিল।

## ক'ভিড পৰিস্থিতি জটিল দক্ষিণ ভাৰতত, সংক্ৰমণ নিয়ন্ত্ৰণহীন

**নিউজ ব্যুৰ', বাংগালুৰু, ২৭ জানুৱাৰী ঃ** ভাৰতত কৰ'নাৰ দৈনিক সংক্ৰমণ বৰ্তমানে হ্ৰাস পাবলৈ ধৰিছে যদিও দক্ষিণ ভাৰতৰ একাধিক ৰাজ্যত ক'ভিড পৰিস্থিতি উদ্বেগজনক হৈ আছে। কেৰালা, কৰ্ণাটকৰ দৰে ৰাজ্যত দৈনিক আক্ৰান্তৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছিল। বিগত কে'বাদিন ধৰি তামিলনাডুত দৈনিক সংক্ৰমণ ৩০ হেজাৰৰ ওপৰত আছে। যোৱা ২৪ ঘণ্টাত দক্ষিণ ভাৰতত এইখন ৰাজ্যত ২৯,৯৭৬ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। তদুপৰি ৰাজ্যখনত বিগত এদিনত ৪৭ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। চেন্নাইত এদিনতে ৫,৯৭৩ জন লোক ক'ভিড আক্ৰান্ত হ'ল। ইফালে, কৰ্ণাটকত যোৱা ২৪ ঘণ্টাত ৪৮,৯০৫ জন লোক ক'ভিড-১৯ত সংক্ৰমিত হ'ল। তদুপৰি ৰাজ্যখনত বিগত এদিনত ৩৯ জন ক'ভিড ৰোগীয়ে প্ৰাণ হেৰুৱালে। কেৱল বাংগালুৰুতে এদিনত কৰ'নাত আক্ৰান্ত হ'ল ২২,৪২৭ জন লোক। দক্ষিণৰ এই দুই ৰাজ্যত সংক্ৰমণ বৃদ্ধিৰ লগতে ক'ভিডকেন্দ্ৰিক আতংকও বৃদ্ধি পাইছে।



## কেপ্টেইনৰ পৰামৰ্শলৈ সঁহাৰি, পঞ্জাৱত বিজেপিৰ প্ৰাৰ্থীৰ তালিকাত কৃষকৰ ভিৰ

**নিউজ ব্যুৰ' চণ্ডীগড়, ২৭ জানুৱাৰী ঃ** পঞ্জাৱ বিধানসভাৰ আসন্ন নিৰ্বাচনৰ বাবে প্ৰাৰ্থী নিৰ্বাচনৰ ক্ষেত্ৰত বিজেপিয়ে গ্ৰহণ কৰিলে মৰ্চাৰ সহযোগী তথা পঞ্জাৱৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কেপ্টেইন অমৰিন্দৰ সিঙৰ পৰামৰ্শ। সম্প্ৰতি বিজেপিয়ে ৰাজ্যখনত ৩৪ জনীয়া প্ৰাৰ্থীৰ প্ৰাথমিক তালিকা প্ৰকাশ কৰিছে। বিজেপিৰ প্ৰাৰ্থিত্ব লাভ কৰা এইসকল প্ৰাৰ্থীৰ ১২ জনেই হৈছে কৃষক পৰিয়ালৰ সদস্য। ২০১৯ত সংসদত তিনিখন কৃষি বিধেয়ক গৃহীত হোৱাৰ পাছত দেশজুৰি কৃষকে প্ৰতিবাদী আন্দোলন আৰম্ভ কৰিছিল আৰু এই আন্দোলনৰ উৎস স্থল আছিল পঞ্জাৱ। এবছৰৰো অধিক দিন আন্দোলন অব্যাহত থকাৰ পাছত



যোৱা বছৰৰ অন্তিম ভাগত কেন্দ্ৰীয় চৰকাৰে তিনিখন কৃষি আইন প্ৰত্যাহাৰ কৰাত কৃষকেও আন্দোলন সমাপ্ত ঘোষণা কৰিছিল। কৃষক আন্দোলনৰ পৰিণতিতে পঞ্জাৱত বিজেপিৰ ভেটি কিছু দুৰ্বল হৈছিল। কিন্তু বিধানসভাৰ নিৰ্বাচনত পঞ্জাৱবাসীৰ সমৰ্থন লাভ কৰিবলৈ বিজেপিয়ে কৃষকক দলৰ প্ৰাৰ্থিত্ব প্ৰদানত অগ্ৰাধিকাৰ দিছে। প্ৰকাশিত বাতৰি অনুসৰি বিজেপিৰ মৰ্চাৰ নৱতম সংগী কেপ্টেইন সিঙৰ পৰামৰ্শতে কৃষকসকলক সন্তুষ্ট কৰিবলৈ বিজেপিয়ে প্ৰাথমিক তালিকাত এক তৃতীয়াংশ সমষ্টিত কৃষক পৰিয়ালৰ প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিছে। কেৱল কৃষককেই নহয় শিখ প্ৰধান ৰাজ্যখনত বিজেপিয়ে প্ৰাৰ্থীৰ তালিকাত ১৩ জন কৃষক অন্তৰ্ভুক্ত কৰিছে। তদুপৰি আছে আঠজন দলিত প্ৰাৰ্থী। সাধাৰণতে বিজেপিৰ তালিকাত হিন্দু প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিয়া হয়। কিন্তু পঞ্জাৱৰ ক্ষেত্ৰত বিজেপিয়ে পৃথক কৌশল অৱলম্বন কৰিছে। কৃষক, শিখ সম্প্ৰদায় আৰু দলিত সম্প্ৰদায়ক গুৰুত্ব দি বিজেপিয়ে দলৰ প্ৰাথমিক প্ৰাৰ্থীৰ তালিকা প্ৰস্তুত কৰিছে।

## প্ৰাৰ্থিত্ব লাভ নকৰা বিজেপিৰ দুই বিধায়কৰ ইস্তফা উত্তৰাখণ্ডত, এজনৰ কংগ্ৰেছত যোগদান



**নিউজ ব্যুৰ', ডেৰাডুন, ২৭ জানুৱাৰী ঃ** উত্তৰাখণ্ডত বিজেপি আৰু কংগ্ৰেছে প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰাৰ পাছত উভয় দলৰ একাংশ নেতাই দলৰ টিকট লাভ নকৰাত ব্যাপক অসন্তুষ্টি প্ৰকাশ কৰিছে। আজি বিজেপিৰ দুজন বিধায়কে ইস্তফা দিলে। টিহৰিৰ বিধায়ক ধন সিং নেগী আৰু ৰুদ্ৰপুৰৰ বিধায়ক ৰাজকুমাৰ থুকৰালে বিজেপি ত্যাগ কৰে। নেগীয়ে আজি দলত্যাগ কৰি কংগ্ৰেছত যোগদান কৰে। ইফালে, বিজেপি ত্যাগ কৰা থুকৰালে ঘোষণা কৰা অনুসৰি তেওঁ নিজৰ সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিব।

## সমাজবাদীলৈ প্ৰত্যাৱৰ্তন কৰিব কংগ্ৰেছী ৰাজ বব্বৰে

**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২৭ জানুৱাৰী ঃ** প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী আৰ পি এন সিঙৰ বিজেপিত যোগদানৰ পাছত এইবাৰ উত্তৰ প্ৰদেশ কংগ্ৰেছৰ আন এজন জ্যেষ্ঠ নেতাই দলত্যাগৰ প্ৰস্তুতি চলাইছে। প্ৰকাশিত বাতৰি অনুসৰি উত্তৰ প্ৰদেশৰ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি তথা অভিনেতা ৰাজ বব্বৰে পুনৰ সমাজবাদী পাৰ্টিলৈ প্ৰত্যাৱৰ্তনৰ সিদ্ধান্ত লৈছে। অচিৰে কংগ্ৰেছৰ জ্যেষ্ঠ নেতাজনে সমাজবাদী পাৰ্টিত পুনৰ যোগদান কৰিব বুলি স্থানীয় সংবাদ মাধ্যমত চৰ্চা চলিছে। সমাজবাদী পাৰ্টিৰ মুখপাত্ৰ ফখৰুল হচন চান্দে আজি সামাজিক মাধ্যমত এক ইংগিত দি কয়, 'কংগ্ৰেছৰ প্ৰাক্তন ৰাজ্যিক সভাপতি, প্ৰাক্তন সমাজবাদী নেতা, অভিনেতা পুনৰ সমাজবাদী হ'ব।' উল্লেখ্য যে বব্বৰে জনতা দলৰ জৰিয়তে ৰাজনীতিত প্ৰৱেশ কৰি পাছত সমাজবাদী পাৰ্টিৰ হৈ ১৯৯৪ত ৰাজ্যসভালৈ প্ৰথম নিৰ্বাচিত হৈছিল। ২০০৮ত তেওঁ কংগ্ৰেছত যোগদান কৰিছিল।



## বামপন্থী কেঁকোৰাৰ দৰে, ওপৰলৈ কাকো উঠিব নিদিয়ে ঃ দিলীপৰ প্ৰতিক্ৰিয়া

**নিউজ ব্যুৰ', কলকাতা, ২৭ জানুৱাৰী ঃ** বামপন্থীসকলে কোনো ব্যক্তিক ওপৰলৈ উঠিবলৈ নিদিয়ে। জ্যোতি বসুৰ প্ৰধানমন্ত্ৰিত্বৰ প্ৰসংগ উত্থাপনৰে এইদৰে প্ৰবীণ বামপন্থী নেতা বুদ্ধদেৱ ভট্টাচাৰ্যৰ পদ্মভূষণ বিষয়ত কটাক্ষ কৰিলে পশ্চিমবংগ বিজেপিৰ সভাপতি দিলীপ ঘোষে। উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰে প্ৰদান কৰা পদ্মসন্মান এইবাৰ প্ৰত্যাখ্যান কৰিলে পশ্চিমবংগৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বুদ্ধদেৱ ভট্টাচাৰ্যই। ভট্টাচাৰ্যৰ পদ্মবঁটা প্ৰত্যাখ্যানৰ প্ৰসংগত আজি সাংবাদিকৰ আগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ঘোষে কয়, 'বামপন্থীসকল কেঁকোৰাৰ দৰে। কোনো ব্যক্তিক ওপৰলৈ উঠিবলৈ নিদিয়ে।



জ্যোতি বসুকো প্ৰধানমন্ত্ৰী হ'বলৈ দিয়া নাছিল। বুদ্ধবাবুকো পদ্ম সন্মান ল'বলৈ নিদিলে। তেওঁ কেৱল এজন ৰাজনীতিক নহয়, এজন সাহিত্যিকো। আৰম্ভণিতে দলে ক'লে যে বঁটা ল'ব নোৱাৰিব। তেওঁ দলীয় অনুশাসন মানি চলে। সেয়েহে তেওঁ বঁটা ল'বলৈ অস্বীকাৰ কৰিলে। সোমনাথবাবুও একে ঘটনাৰ বলি হৈছিল। তেওঁক দলৰ পৰা বহিষ্কাৰ কৰা হৈছিল। তেওঁৰ মৃত্যুৰ পাছত কন্যাই ঘৰত বাম দলৰ নেতাক প্ৰৱেশ কৰিব দিয়া নাছিল।' উল্লেখ্য যে সামাজিক ক্ষেত্ৰত অৱদানৰ বাবে পশ্চিমবংগৰ প্ৰাক্তন মুখ্যমন্ত্ৰীজনক কেন্দ্ৰই পদ্মসন্মান প্ৰদানৰ কথা ঘোষণা কৰিছিল যদিও ভট্টাচাৰ্যই এক বিবৃতিত এইদৰে কৈছিল, 'পদ্মভূষণ সন্দৰ্ভত মোক কোনেও একো জনোৱা নাই। যদি মোক পদ্মভূষণ দিয়া হৈছে তেন্তে মই সেয়া প্ৰত্যাখ্যান কৰিলো।'

## পদ্মভূষণ প্ৰত্যাখ্যান প্ৰসংগত বুদ্ধদেৱক কটাক্ষ তছলিমাৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৭ জানুৱাৰী ঃ** পশ্চিমবংগৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বুদ্ধদেৱ ভট্টাচাৰ্যই পদ্মভূষণ প্ৰত্যাখ্যান কৰাৰ সন্দৰ্ভত সামাজিক মাধ্যমত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে স্বনিৰ্বাসিত বাংলাদেশী লেখিকা তছলিমা নাছৰিনে। ফে'চবুকত তছলিমাই আজি কয়, 'এজন পৰিচিত ব্যক্তিয়ে মোক ফোন কৰি ক'লে 'বুদ্ধদেৱ ভট্টাচাৰ্যই তোমাৰ গ্ৰন্থ নিষিদ্ধ কৰি তোমাক পশ্চিমবংগৰ পৰা বাহিৰ কৰি দিয়াৰ বাবে পদ্মভূষণ লাভ কৰিলে'। ব্যক্তিজনে লগতে ক'লে যে বুদ্ধদেৱ বাবুয়ে পুৰস্কাৰ গ্ৰহণ নকৰে। মই সুধিলো যে কিয়? তেতিয়া ব্যক্তিজনে মোক ক'লে, 'অনেক চেষ্টা কৰিও তোমাক ভাৰতৰ পৰা সম্পূৰ্ণভাৱে বাহিৰ কৰিব নোৱৰা ব্যৰ্থতাৰ বাবে তেওঁ পদ্মভূষণ প্ৰত্যাখ্যান কৰিলে'। মই তোমাৰ মূৰটো বেয়া হৈছে বুলি মন্তব্য কৰি ফোনটো কাটি দিলো।' উল্লেখ্য যে পশ্চিমবংগত বামপন্থীৰ শাসনত তছলিমাৰ বিতৰ্কিত গ্ৰন্থ 'দ্বিখণ্ডিত' নিষিদ্ধ হৈছিল। ইয়াত আচলতে মৌলবাদীৰ ধাৰাবাহিক আক্ৰমণৰ পৰিণতিত কলকাতা ত্যাগ কৰিবলৈ বাধ্য হৈছিল তছলিমা। বুদ্ধদেৱ ভট্টাচাৰ্য মুখ্যমন্ত্ৰী হৈ থকাৰ সময়তে পশ্চিমবংগত তছলিমাৰ গ্ৰন্থ নিষিদ্ধ হোৱা ঘটনাৰ বাবে লেখিকাগৰাকীয়ে প্ৰায়ে বামপন্থী নেতাজনক সমালোচনা কৰি আহিছে।

## টিভি চেনেলৰ অনুষ্ঠানত কংগ্ৰেছ-আকালিৰ সংঘৰ্ষত আহত একাধিক

**নিউজ ব্যুৰ', অমৃতসৰ, ২৭ জানুৱাৰী ঃ** এইবাৰ পঞ্জাৱত টিভি চেনেলৰ নিৰ্বাচনী বিতৰ্ক অনুষ্ঠানত সংঘটিত হ'ল সংঘৰ্ষৰ ঘটনা। কংগ্ৰেছ আৰু শিৰোমণি আকালি দলৰ কৰ্মী-সমৰ্থকৰ মাজত হোৱা ব্যাপক সংঘৰ্ষত আহত হ'ল উভয় পক্ষৰ কে'বাজনো লোক। বুধবাৰে সন্ধিয়া এই ঘটনাক লৈ উত্তেজনাৰ সৃষ্টি হৈছিল পঞ্জাৱৰ ভাটিণ্ডাৰ ৰামপুৰা ফুল ষ্টেডিয়ামত। উক্ত ষ্টেডিয়ামত এটা ব্যক্তিগত টিভি চেনেলে নিৰ্বাচনী বিতৰ্ক অনুষ্ঠান অনুষ্ঠিত কৰিছিল। আকালি দলৰ বহু কৰ্মী-সমৰ্থক এই অনুষ্ঠানত উপস্থিত



আছিল। কংগ্ৰেছৰ অভিযোগ অনুসৰি বিপুল সংখ্যক আকালি কৰ্মী-সমৰ্থকে প্ৰথমে কংগ্ৰেছৰ সদস্যক আক্ৰমণ কৰাত উভয় পক্ষৰ মাজত মাৰপিটৰ ঘটনা সংঘটিত হৈছিল। আকালি দলে ঘটনাৰ বাবে কংগ্ৰেছক জগৰীয়া কৰে। ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। টিভিৰ উক্ত বিতৰ্কলৈ প্ৰতিটো দলৰ ১৫ জনকৈ সদস্যক নিমন্ত্ৰণ জনোৱা হৈছিল যদিও আকালি দলে ৩০০ সমৰ্থক এই অনুষ্ঠানলৈ প্ৰেৰণ কৰি অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি কৰা বুলি কংগ্ৰেছে অভিযোগ কৰিছে।

## আমেৰিকাৰ পাছত ইউক্ৰেইনলৈ সমৰ্থন কানাডাৰ



**নিউজ ব্যুৰ', অট'ৱা, ২৭ জানুৱাৰী ঃ** ইউক্ৰেইনৰ সেনা বাহিনীক সহায়ৰ বাবে কানাডাই নিজ দেশৰ ৪০০ সেনাক ইউক্ৰেইনলৈ প্ৰেৰণ কৰিব। আগন্তুক কেইদিনমানৰ ভিতৰতে কানাডাই ৬০ জন সেনাক ইউক্ৰেইন সীমান্তত নিয়োগ কৰিব। কানাডাৰ প্ৰতিৰক্ষা মন্ত্ৰী অনিতা আনন্দে দেশখনৰ প্ৰধানমন্ত্ৰী জাষ্টিন ট্ৰুডুৰ স'তে হোৱা এক সংবাদমেলত এই কথা সদৰী কৰে। প্ৰতিৰক্ষা মন্ত্ৰীজনে জনোৱা অনুসৰি ৩৪০ নিযুত ডলাৰ ব্যয়ৰে কানাডাৰ সেনা বাহিনীয়ে ইউক্ৰেইনৰ সেনাক প্ৰয়োজনীয় প্ৰশিক্ষণো প্ৰদান কৰিব। উল্লেখ্য যে আমেৰিকাৰ পাছত ৰাছিয়াৰ দ্বাৰা আক্ৰমণৰ ভাবুকি লাভ কৰি অহা ইউক্ৰেইনক সমৰ্থন প্ৰদান কৰিলে কানাডাই।

## ৰামনগৰত প্ৰতিদ্বন্দ্বিতা নকৰে হৰিশে, ক'ৰ পৰা প্ৰাৰ্থী হ'ব প্ৰাক্তন মুখ্যমন্ত্ৰী

**নিউজ ব্যুৰ', ডেৰাডুন, ২৭ জানুৱাৰী ঃ** উত্তৰাখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কংগ্ৰেছ নেতা হৰিশ ৰাৱটে ৰাজ্যখনৰ আসন্ন বিধানসভাৰ নিৰ্বাচনৰ নিজৰ পুৰণি সমষ্টিৰ পৰা প্ৰাৰ্থী হিচাপে থিয় নিদিয়ে। অহা ১৪ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব লগা বিধানসভাৰ নিৰ্বাচনত ৰামনগৰৰ পৰিৱৰ্তে ৰাৱটে লালকুৱা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব। যোৱা বুধবাৰে ঘোষণা কৰা কংগ্ৰেছৰ ১০ জনীয়া প্ৰাৰ্থীৰ তৃতীয়খন তালিকাত ৰাৱটৰ সমষ্টি সলনি কৰা হয়। এই তালিকাত পূৰ্বৰ মনোনীত প্ৰাৰ্থীৰ পাঁচজনৰ সমষ্টি পৰিৱৰ্তন কৰা হৈছে। কংগ্ৰেছে হৰিদ্বাৰ গ্ৰামীণ বিধানসভা সমষ্টিত ৰাৱটৰ কন্যা অনুপমা ৰাৱটক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। ৰামনগৰত এইবাৰ কংগ্ৰেছৰ মহেন্দ্ৰ পাল সিঙে প্ৰতিদ্বন্দ্বিতাৰ কৰাৰ বিপৰীতে লালকুৱানত প্ৰাৰ্থী হিচাপে ৰাৱটে থিয় দিব।



## আমেৰিকাত অ'মিক্ৰন প্ৰতিৰোধৰ বাবে টিকাৰ পৰীক্ষণ সম্পন্ন




**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২৭ জানুৱাৰী ঃ** আমেৰিকাত কৰ'নাৰ সংক্ৰমণ বৃদ্ধি পোৱাৰ সময়তে দেশখনৰ ফাৰ্মা প্ৰতিষ্ঠান মাডাৰ্নাই যোৱা বুধবাৰে কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰন প্ৰতিৰোধৰ বাবে এক নতুন প্ৰতিষেধকৰ পৰীক্ষামূলক প্ৰয়োগ আৰম্ভ কৰিলে। এই পৰীক্ষণত ৬০০ লোকক অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ ৩০০ জন লোকে মাডাৰ্নাৰ প্ৰতিষেধক কমেও ছমাহ পূৰ্বে দুপালি গ্ৰহণ কৰিছিল। আনহাতে, বাকী অৰ্ধেকাংশই দুপালি প্ৰতিষেধকৰ লগতে ক'ভিডৰ বুষ্টাৰ প্ৰতিষেধকো গ্ৰহণ কৰিছিল। উল্লেখ্য যে মাডাৰ্নাৰ পূৰ্বে ফাইজাৰেও অ'মিক্ৰন প্ৰতিৰোধৰ বাবে টিকাৰ পৰীক্ষামূলক ব্যৱহাৰ সম্পন্ন কৰিছিল।

দৈনিক অগ্ৰদূত

# জীৱন-জিজ্ঞাসা





## বিজ্ঞানক ধৰ্মান্ধৰ সমালোচনা গ্ৰহণযোগ্য নহয়

ইকবাল হুছেইন

**বিজ্ঞান** এটি বিশ্বজনীন সাৰ্বজনীন, নিৰপেক্ষ, শ্ৰদ্ধাশীল আৰু জনপ্ৰিয় শব্দ। ই বিশ্বৰ কল্যাণৰ প্ৰতীক। ই আস্থাভাজনশীল, যুক্তিনিৰ্ভৰ, স্ব-নিৰ্ভৰশীল, গতিশীল প্ৰগতিশীল আৰু পৰিৱৰ্তনশীল। সময় আৰু দূৰত্ব সংকোচনকাৰী, কষ্ট আৰু শ্ৰম লাঘৱকাৰী, কু-সংস্কাৰ আৰু অন্ধবিশ্বাস ধ্বংসকাৰী। সত্যৰ অনুসন্ধানকাৰী, বিশ্বৰ ৰহস্য উন্মোচনকাৰী/উন্নতিৰ চাবিকাঠি, সভ্যতাৰ মাপকাঠি আৰু সুখ-স্বাচ্ছন্দ্য বৃদ্ধিকাৰী। ই অবিহনে বিশ্ব অচল। ই সদায় পদাৰ্থ জগতৰ লগত সম্পৰ্কিত, ইয়াত অলৌকিকতাৰ স্থান নাই। ই কোনো ধৰ্মীয় বাণীৰ দ্বাৰা পৰিচালিত নহয়। ই জাতি, বৰ্ণ, ধৰ্ম তথা ভৌগোলিক সীমাৰেখাৰ মাজত আৱদ্ধ নহয়। বিজ্ঞানৰ তত্ত্ব কেতিয়াও চূড়ান্ত নহয়, ই সদায় পৰিৱৰ্তনশীল, নমনীয়। ইয়াৰ ওপৰত যিকোনো ব্যক্তিয়ে কুঠাৰাঘাত কৰিব পাৰে তথাপি ই প্ৰতিক্ৰিয়া প্ৰকাশ নকৰে। বৰঞ্চ ই পূৰ্বতকৈ শক্তিশালী ৰূপতহে আত্মপ্ৰকাশ কৰে। ই অধিক ধৈৰ্যশীল, সহিষ্ণু। ই কেতিয়াও ধ্বংসকাৰী নহয়; কিন্তু মানুহৰ মাজত বিজ্ঞানৰ সীমিত জ্ঞান আৰু কুটিল ৰাজনীতিৰ চক্ৰবেহুত ইয়াৰ অপব্যৱহাৰ হোৱা দেখা যায়।

সত্য উদ্‌ঘাটনৰ বাবে পৰ্যবেক্ষণ, পৰীক্ষা-নিৰীক্ষা, চিন্তা চৰ্চা, গৱেষণা তথা কোনো বিষয়ৰ ওপৰত কৰা প্ৰণালীবদ্ধ অধ্যয়নৰ নামেই হ'ল বিজ্ঞান। এই বিজ্ঞান-সাধনা, গৱেষণা বা উদ্ভাৱনৰ লগত জড়িত ব্যক্তিসকলেই বিজ্ঞানী। এই বিজ্ঞানীসকলেই পৃথিৱীৰ শ্ৰেষ্ঠতম সম্পদ। বিজ্ঞান যিহেতু গতিশীল, পৰিৱৰ্তনশীল আৰু পৰীক্ষা-নিৰীক্ষাৰ ওপৰত নিৰ্ভৰশীল, সেয়ে ইয়াৰ পৰা সত্য উদ্ধাৰৰ প্ৰচুৰ সম্ভাৱনা থাকে। আনহাতে, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক পাৰিবাৰিক, ইহলৌকিক পৰলৌকিক, স্বৰ্গ-নৰক, পাপ-পুণ্য, ভাগ্য, সৃষ্টি-মহাপ্ৰলয়, আল্লা, ঈশ্বৰ, ভগৱান, দেৱ-দেৱী পূজা-অৰ্চনা, প্ৰাৰ্থনা, শাৰীৰিক-মানসিক চাৰিত্ৰিক দিশ, পাৰ্থিৱ-অপাৰ্থিৱ-জীৱন পৰিক্ৰমা সামৰি কোনো এজন গুৰু বা গুৰু সমষ্টিৰ পৰা লাভ কৰা জ্ঞান তথা নীতি-নিৰ্দেশনাৰ সমষ্টিকে 'ধৰ্ম' বুলি কোৱা হয়। এই ধৰ্মৰ বাণীসমূহ চূড়ান্ত আৰু সীমিত, গতিহীন, সেয়ে ইয়াৰ জৰিয়তে সত্যৰ গোচৰ চপাৰ আশা অতি ক্ষীণ। মানৱ সভ্যতাত ধৰ্মৰ অৱদান অপৰিসীম যদিও এচাম ধুৰন্ধৰ ধৰ্মৰ বাহকে নিজৰ স্বাৰ্থ পূৰণাৰ্থে ইয়াৰ পৱিত্ৰতা ম্লান কৰি পেলাইছে। পীৰ, দৰবেশ, মৌলানা, পাদ্ৰী-যাজক, পুৰোহিত, বাবা, গোহাঁই, স্বয়ম্ভূ ভগৱান, ৰাজনীতিবিদ, চিত্ৰ, তাৰকা খেলুৱৈ আদি পুৰোধা ব্যক্তিসকলৰ বিৰুদ্ধে দুৰ্নীতি, নাৰী নিৰ্যাতন, পাহাৰ সম অবৈধ সম্পত্তিৰ কেলেংকাৰি, হত্যা-ধৰ্ষণৰ দৰে জঘন্য অপৰাধৰ লেখীয়া কু-কাৰ্যৰ অভিযোগ প্ৰায়ে শুনা যায়। কিন্তু বিজ্ঞানীসকলৰ দ্বাৰা এনে দুষ্কাৰ্য সংঘটিত হোৱা দেখা নাযায়। তেওঁলোক সৎ চৰিত্ৰৰ অধিকাৰী। তেওঁলোকৰ পাৰ্থিৱ ভোগ লালসা, ঐশ্বৰ্য, ধন সম্পত্তিৰ মোহ নাই বুলিলেই চলে। এ পি জে আব্দুল কালামে কৈছিল, 'মানুহে মানুহক সমালোচনা কৰিবলৈ সময় ক'ত পায়?' অৰ্থাৎ বিজ্ঞানীসকলে দিনক ৰাতি কৰি, ৰাতিক দিন কৰি জীৱনৰ প্ৰতিটো মুহূৰ্ত মানৱ জাতিৰ কল্যাণৰ হকে গৱেষণাগাৰত ব্যস্ত থাকে। তেওঁলোকে ইচ্ছা কৰাহেঁতেন প্ৰতিটো উদ্ভাৱনৰ পেটেণ্ট অধিকাৰ নিজৰ মাজত আৱদ্ধ ৰাখি অগাধ সম্পত্তিৰ গৰাকী হ'ব পাৰিলেহেঁতেন। কিন্তু তেওঁলোক অতি উচ্চ মনৰ গৰাকী হোৱা বাবে তেনে নকৰে। যোৱা দুটা বছৰে কৰ'না ভাইৰাছৰ সংক্ৰমণৰ বাবে বিশ্বৰ প্ৰায় সকলো দেশে তলাবন্ধ পালন কৰিবলগীয়া হ'ল আৰু মৃত্যু ভয়ত আতংকময় জীৱন অতিবাহিত কৰিবলগীয়া হ'ল। প্ৰতিজন ব্যক্তিয়ে স্বেচ্ছাই হাত-ভৰি বুকুত লুকুৱাই বন্ধ কুঠৰিত আৱদ্ধ কৰি ৰাখিলে, যাৰ পৰিণতিত সামাজিক, ৰাজনৈতিক পৰিস্থিতিৰ আমূল পৰিৱৰ্তন হ'ল, বিশেষকৈ অৰ্থনৈতিক ব্যৱস্থাপনাত বাৰুকৈয়ে নেতিবাচক প্ৰভাৱ পৰিল। এনেহেন দুৰ্যোগপূৰ্ণ জটিল সময়ত ক'ভিডৰ সংক্ৰমণৰ পৰা পৰিত্ৰাণ পাবলৈ সকলো দেশে আপ্ৰাণ চেষ্টা অব্যাহত ৰাখিলে, কিন্তু কিছুমানে ভাৰতীয় সভ্যতাৰ নামত তথাকথিত অন্ধ ধৰ্মপ্ৰাণ ব্যক্তিসকলে গোবৰ আৰু গো-মূত্ৰ পান কৰি বিশ্বৰ দৰবাৰত ভাৰতীয় মৰ্যাদাক ভূ-লুণ্ঠিত কৰিলে। তাৰ বিপৰীতে এচাম সীমিত সংখ্যক চিকিৎসক তথা বিজ্ঞানীয়ে মৃত্যু ভয়ক উপেক্ষা কৰি ক'ভিডৰ প্ৰতিষেধক উদ্ভাৱনৰ কামত জড়িত হৈ পৰিল। ভাৰতৰ ক'ভাক্সিন, ক'ভিশ্বিল্ডৰ দৰে চীন, ৰাছিয়া, ব্ৰিটেইন, আমেৰিকা আদি দেশে প্ৰতিষেধক প্ৰস্তুত কৰাৰ ফলত কোটি কোটি মানুহৰ জীৱনৰ নিৰাপত্তা সুনিশ্চিত হৈ পৰিল। অতি পৰিতাপৰ বিষয় যে প্ৰতিষেধক প্ৰস্তুতৰ পূৰ্বে পৃথিৱীৰ পৰা প্ৰায় ৪০ লাখ লোকে প্ৰাণ হেৰুৱালে। মানৱ জাতিৰ কল্যাণৰ বাবে গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা বিজ্ঞানীসকলক যিসকল ধৰ্মান্ধ লোকে সমালোচনা কৰে সেয়া কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে।

## শাস্ত্ৰ আৰু আমি

যৌক্তিক জ্ঞানৰ অবিহনে বৈজ্ঞানিক মানসিকতা আহৰণ কৰিব নোৱাৰি। আযৌক্তিকতাই বহুত সময়ত অন্ধবিশ্বাস, কুসংস্কাৰ আদিলৈ লৈ যায়। মিছাকে সঁচা আৰু সঁচাকে মিছা বুলি ধৰি লোৱা হয়। এনে অযৌক্তিকতাই আমাক চাক্ষুষ প্ৰমাণকো আনকি অৱজ্ঞা কৰিবলৈ শিকায়। এনে পৰিস্থিতিৰ পৰা হাত সাৰিবলৈ ল'ৰা-ছোৱালীক সৰুৰে পৰা বিজ্ঞান মনস্কতা শিকাব লাগে। নহ'লে আমি সদায় অন্ধকাৰত ডুব গৈ থাকিম

ড° গিৰীশ বৰুৱা

**আমি** শাস্ত্ৰৰ দোহাইত বহুত কাম কৰো, ভালো বেয়াও। এই ক্ষেত্ৰত আমি বিবেক-বুদ্ধি নখটুৱাও। শাস্ত্ৰৰ কথাবোৰকে আমি অব্যৰ্থ বুলি মানো। শাস্ত্ৰক অমান্য কৰিলে আমি পাপে ছুঁৱ বুলি ভাবো।

এতিয়া কথা হ'ল শাস্ত্ৰৰ কথা আখৰে আখৰে মানি চলা উচিত হয়নে? ভাৰতীয় ঐতিহ্যত বেদৰ প্ৰামাণ্য বুলি এষাৰ কথা আছে। প্ৰামাণ্যক ইংৰাজীত authority বুলি ক'ব পাৰি। Authority মানে কৰ্তৃত্বশীলতা। যিবোৰ জ্ঞানক আমি সহজভাৱে পাব নোৱাৰো সেইবোৰ জ্ঞানক শাস্ত্ৰৰ মাধ্যমেৰে পাব পাৰি বুলি কোৱা হয়। সাধাৰণতে দৃষ্টাৰ্থ জগতক (visible world) আমি প্ৰত্যক্ষ, অনুমান আদিৰ পৰা জানিব পাৰো, কিন্তু অদৃষ্টাৰ্থ জগতক (invisible world) এইদৰে জানিব নোৱাৰো। শাস্ত্ৰৰ মাধ্যমেৰেহে জানিব পৰা যায়। অৰ্থাৎ ব্যৱহাৰিক কথাবোৰক সাধাৰণ জ্ঞানৰ দ্বাৰা জানিব পাৰিলেও পাৰমাৰ্থিক কথাবোৰ এনেকৈ জানিব নোৱাৰি।

কেতিয়াবা শাস্ত্ৰ জ্ঞানক আৰ্য জ্ঞান বুলিও জনা যায়। আৰ্য মানে ঋষিয়ে কোৱা বা ঋষিয়ে ৰচনা কৰা। ঋষিসকলক ইংৰাজীত Seer বুলি কোৱা হয়। Seerৰ অৰ্থ হ'ল দ্ৰষ্টা, অৰ্থাৎ ভৱিষ্যৎ দ্ৰষ্টা, অৰ্থাৎ যি ভৱিষ্যৎ দেখে। এওঁলোকে বোলে অদৃষ্টকো অৰ্থাৎ আমি দেখা নোপোৱা বস্তুকো চাব বা দেখিব পাৰে। এনে জ্ঞানক কেতিয়াবা আপ্ত জ্ঞান বুলিও কোৱা হয়। আপ্ত মানে যি জ্ঞান লাভ কৰিলে, বিশেষকৈ পাৰমাৰ্থিক জ্ঞান। সেয়ে তেওঁলোকৰ কথাবোৰক সত্য বুলি ভবা হয়। এইবোৰ কথাত মানুহ সোনকালেই প্ৰত্যয় যায়।

শাস্ত্ৰ জ্ঞানক ইন্দ্ৰিয় জ্ঞানৰ ওপৰত নিৰ্ভৰশীল বুলি ভবা নহয়। ইন্দ্ৰিয় সম্ভূত জ্ঞানে আমাক ঈশ্বৰ, আত্মা, মুক্তি আদিৰ কথা ক'ব নোৱাৰে। এইবোৰৰ জ্ঞান কেৱল শাস্ত্ৰইহে দিব পাৰে বুলি ভবা হয়। সেয়ে মানুহে গীতা, ভাগৱত, কোৰান, বাইবেল আদিৰ কথাবোৰক বিশ্বাস কৰে। এইবোৰত থকা কথাবোৰ সনাতন সত্য বুলি ভবা হয়। ধৰ্ম গ্ৰন্থবোৰো শাস্ত্ৰই; এইবোৰক পবিত্ৰ বুলি ভবা হয়। সেয়ে গীতা, ভাগৱত, গুৰুগ্ৰন্থ আদিক ঈশ্বৰৰ গ্ৰন্থ-ৰূপ বুলি ভবা হয়, আৰু সেৱা-সৎকাৰ কৰা হয়। ভবা হয় যে সাধাৰণ মানুহে যি নিৰ্ধাৰণ কৰিব নোৱাৰে, এই শাস্ত্ৰবোৰে পাৰে।

শাস্ত্ৰৰ জ্ঞানক স্বতঃ প্ৰামাণ্য বুলি ভবা হয়। এই জ্ঞানক পৰতঃ প্ৰামাণ্যৰ পৰা পৃথক কৰা হয়। স্বতঃ প্ৰামাণ্য মানে যি জ্ঞান নিজ নিজ প্ৰমাণিত হয়। শাস্ত্ৰ জ্ঞানক প্ৰমাণ কৰিবৰ বাবে অন্য উপায়ৰ প্ৰয়োজন নাই। স্বতঃ প্ৰামাণ্যক ইংৰাজীত self-evident truth বুলি ক'ব পৰা যায়।

শাস্ত্ৰই সাধাৰণতে পাৰলৌকিক জগতৰ কথা বেছিকৈ কয়। সৃষ্টি, ঈশ্বৰৰ মাহাত্ম্য আদি কথাই ইয়াত বেছিকৈ থাকে। এইবোৰ কথা আমাৰ ঐন্দ্ৰিক জ্ঞানৰ দ্বাৰা প্ৰমাণ কৰাৰ কোনো উপায় নাই। শাস্ত্ৰকাৰসকলে শাস্ত্ৰই কোৱা কথাৰ বাহিৰে অন্যবোৰ কথাক অজ্ঞান বা অবিদ্যা (nescience) বুলি কয়। তেওঁলোকৰ মতে সত্যতা কেৱল শাস্ত্ৰ জ্ঞানতহে থাকে। সেয়ে যিসকলে শাস্ত্ৰ জ্ঞানক মানি নলয় তেওঁলোকক অজ্ঞানী বা মূৰ্খ বুলি ভবা হয়। তেওঁলোকৰ মতে লৌকিক জ্ঞান অজ্ঞান সম। সি ভ্ৰান্তিমূলক। অভ্ৰান্তি কেৱল শাস্ত্ৰ জ্ঞানতহে থাকিব পাৰে।

বেদৰ আন এটা নাম শ্ৰুতি। কোৱা হয় যে ঋষিসকলে বেদ কেইখন ঈশ্বৰৰ কথা শুনি লিখিছিল। সেয়ে সেইবোৰ অব্যৰ্থ বা স্বতঃপ্ৰমাণিত।

আমি এতিয়া শাস্ত্ৰ জ্ঞান কিমানদূৰ পৰ্যন্ত গ্ৰহণযোগ্য তাক বিচাৰ কৰো। বাচস্পতি মিশ্ৰ বুলি এজন ভাৰতীয় দাৰ্শনিকে কৈছিল যে শ শ শাস্ত্ৰয়ো এটা ঘটক পটলৈ (কাপোৰ) ৰূপান্তৰিত কৰিব নোৱাৰে। শাস্ত্ৰ সম্পৰ্কে বৃহস্পতিও সন্দিহান। এই ক্ষেত্ৰত তেওঁ এটা শ্লোকেই ৰচনা কৰি পেলাইছিল। শ্লোকটো এই ঃ

"কেৱলং শাস্ত্ৰমাশ্ৰিত্য ন কৰ্তব্যো বিনিৰ্ণিয়ঃ।
যুক্তিহীন ৱিচাৰেণ ধৰ্মহানি প্ৰজায়তে।।"

অৰ্থাৎ, কৰ্তব্য-অকৰ্তব্য কেৱল শাস্ত্ৰক আশ্ৰয় কৰি নিৰ্ণয় কৰা উচিত নহয়। যুক্তিহীন বিচাৰে ধৰ্মহানিহে ঘটায়। আম্বেদকাৰে কৈছিল যে যিবোৰ শাস্ত্ৰই অস্পৃশ্যতাক প্ৰশ্ৰয় দিয়ে সেই শাস্ত্ৰই ভাৰতৰ মানুহক হেয় জ্ঞান কৰে। মহাত্মা গান্ধীয়েও শাস্ত্ৰক যুক্তিবিহীনভাৱে গ্ৰহণ কৰিবলৈ হাক দিছে। তেওঁ কৈছে, "To exercise my judgement about every scripture, including the sastra, I cannot let a scriptural text supersede my reason." তেওঁৰ মতে শাস্ত্ৰই যুক্তিক প্ৰত্যাখ্যান বা আওকাণ কৰা উচিত নহয়। মহাত্মা গান্ধীয়ে কোনো দিন শাস্ত্ৰৰ দোহাই যুক্তিক বিক্ৰী কৰা নাই। তেওঁ কৈছে যে শাস্ত্ৰবোৰ মানুহে ৰচনা কৰা আৰু সেইবোৰৰ ব্যাখ্যাও মানুহেই কৰিছে। গতিকে সেইবোৰ প্ৰশ্নাতীতভাৱে সত্য হ'ব নোৱাৰে। (এই কথাখিনি D.H.Bishop-এ সম্পাদনা কৰা Indian Thought নামৰ কিতাপখনত আছে।)

শাস্ত্ৰবাদক গুৰুবাদ আখ্যা দিব পাৰি। গুৰুবাদী ধ্যান-ধাৰণাত লাগি থাকিলে চিন্তাৰ উৎকৰ্ষ সাধন নহয়। ভাৰত যে স্বাধীন চিন্তাত পাছ পৰি আছে ইয়াৰ প্ৰধান কাৰণ হ'ল ভাৰতীয় মানুহ গুৰুবাদৰ পৰা আঁতৰি আহিব পৰা নাই। আমাৰ অসমীয়া মানুহখিনিৰো শংকৰদেৱৰ ধৰ্মতে লাগি থাকোতেই অন্যবোৰ কথা ভাবিবলৈ আহৰিকে নোহোৱা হৈছে। তেওঁলোকে শংকৰী শাস্ত্ৰৰ ভিতৰত ধৰ্ম, বিজ্ঞান, দৰ্শন, সাহিত্য সকলোবোৰ আছে বুলি ভাবে। আমাৰ সাহিত্য এতিয়া চৰ্বিত-চৰ্বণেৰে ভৰি পৰিছে। নতুন কথা পাবলৈ নাই। কোনোবাই নতুন কথা লিখিলেও তেওঁ বিৰূপ সমালোচনাৰ পাত্ৰ হৈ পৰে। তেওঁলোকক নাস্তিক বা ঈশ্বৰ নমনা বুলি ককৰ্থনা কৰা হয়। এনে ধৰ্মীয় ফেচীবাদী পৰিৱেশত একো নতুন কথা ওলাব নোৱাৰে।

শাস্ত্ৰ-বিধি ত্যাগ কৰা মানুহে যে সুখ বা পৰম গতি লাভ কৰিব নোৱাৰে তাক শাস্ত্ৰয়েই এইদৰে কৈছে,

"যঃ শাস্ত্ৰৱিধিমুৎসৃজ্য ৱৰ্ততে কামকাতৰঃ।
ন স সিদ্ধিমৱাপ্নোতি ন সুখং পৰাংগতিম্।।"

আমাৰ বৈষ্ণৱ শাস্ত্ৰতো এইদৰে কোৱা হৈছে,

শাস্ত্ৰমত এৰি
যি কথা কয়
কেৱল পাষণ্ডময়।

আছোক কৃষ্ণক
পাইবে কদাচিৎ
নুগুছে সংসাৰ ভয়।।"

ইংৰাজীত এষাৰ কথা আছে, 'The devil can cite the scriptures to support this wicked deeds.' গতিকে দুষ্ট মানুহেও শাস্ত্ৰৰ দোহাই বেয়া কাম কৰিব পাৰে।

যুক্তিবাদীসকলক শাস্ত্ৰই নিন্দা কৰি আহিছে। মাধৱদেৱে নামঘোষাত তৰ্কশাস্ত্ৰক মহাব্যাঘ্ৰীৰ লগত তুলনা কৰিছে যি উপনিষদ-ধেনুক ধৰি খায় (৪৩)। বৈষ্ণৱ শাস্ত্ৰৰ অন্য ঠাইতো এনে কথা আছে। যেনে

"কুতৰ্কী
পণ্ডিত যদি নামানে
ইহাক।
ঢোল
কোবাই ঊৰ্দ্ধবাহু খণ্ডা
তাৰ বাক।।"

যুক্তিবাদীৰ কথা ঢোল কোবাই বন্ধ কৰিবলৈ কোৱা হৈছে। ভগৱানৰ মুখেৰেও এইদৰে কোওৱা হৈছে ঃ
"তৰ্ক বেদাগম জ্ঞানযোগশাস্ত্ৰ
পুৰুষক কৰে অন্ধ।
কোটি কোটি জনমে মোক
নাজানিবে ইহাত যাৰ প্ৰবন্ধ।।"

গতিকে তৰ্ক-যুক্তি আদিৰে যে ভগৱানক পাব নোৱাৰি সেই কথা ইয়াত উল্লেখিত হৈছে। সেয়ে কোৱা হৈছে, "বিশ্বাসে মিলয় হৰি, তৰ্কে বহুদূৰ।"

শাস্ত্ৰই নিশ্চয়কৈ শাস্ত্ৰৰ সপক্ষে ক'বই। মনুসংহিতায়ো এইদৰে কৈছে,

"যো'ৱমান্যেত তে মূলে
হেতুশাস্ত্ৰাশ্ৰয়া দ্বিজঃ।
স সাধুভিৰ্ৱহিস্মাৰ্য্যো নস্তিকো ৱেদ নিন্দকঃ।।"

অৰ্থাৎ, যি ব্যক্তিয়ে তৰ্কশাস্ত্ৰৰ আশ্ৰয় লৈ মূল গ্ৰন্থক অৱমাননা কৰে সেই বেদ নিন্দুক নাস্তিকক সাধুসকলে নিজৰ কৰ্তব্যৰ পৰা বিতাড়িত কৰা উচিত। যাজ্ঞবল্ক্যই নিজৰ স্ত্ৰীক অধিক প্ৰশ্ন সুধি থাকিবলৈ হাক দিছে; সুধি থাকিলে বোলে তেওঁৰ মূৰটোকে খহি পৰিব। মৈত্ৰী উপনিষদত কোৱা হৈছে যে মিছা দৃষ্টান্ত আৰু যুক্তিৰ কুঁৱলীৰ ভেটিত প্ৰতিষ্ঠিত যি নৈৰাত্ম্যবাদ সি মানুহক ভ্ৰান্ত কৰে; বেদবিদ্যা আৰু অবিদ্যাৰ মাজৰ পাৰ্থক্য ধৰিব নোৱাৰা কৰে। (৭/৮) সেইদৰে কঠ উপনিষদত কোৱা হৈছে যে যুক্তি-তৰ্কেৰে ভগৱানৰ চিন্তাক পাব নোৱাৰি। (২/৯) বহুতো শাস্ত্ৰই আকৌ ভগৱান বা ব্ৰহ্মক অচিন্ত্য বুলি ধৰে। গতিকে যৌক্তিক চিন্তাৰে তাক পাব নোৱাৰি।

যৌক্তিক জ্ঞানৰ অবিহনে বৈজ্ঞানিক মানসিকতা আহৰণ কৰিব নোৱাৰি। আযৌক্তিকতাই বহুত সময়ত অন্ধবিশ্বাস, কুসংস্কাৰ আদিলৈ লৈ যায়। মিছাকে সঁচা আৰু সঁচাকে মিছা বুলি ধৰি লোৱা হয়। এনে অযৌক্তিকতাই আমাক চাক্ষুষ প্ৰমাণকো আনকি অৱজ্ঞা কৰিবলৈ শিকায়। এনে পৰিস্থিতিৰ পৰা হাত সাৰিবলৈ ল'ৰা-ছোৱালীক সৰুৰে পৰা বিজ্ঞান মনস্কতা শিকাব লাগে। নহ'লে আমি সদায় অন্ধকাৰত ডুব গৈ থাকিম।



## ইছলামত নাৰীৰ মৰ্যাদা অধিকাৰ-বিবাহ সন্দৰ্ভত



চাহাবুদ্দিন আহমেদ

**সকলো** ধৰ্মতে নাৰীক সুকীয়া মৰ্যাদা দিয়া হৈছে। কাৰোবাৰ দৃষ্টিত সেয়া শুদ্ধ, আন কিছুমানৰ মতে তাত আঁসোৱাহ আছে। ছোৱালীৰ বিবাহৰ বয়স আৰু নাৰীৰ অধিকাৰক লৈ সময়ে সময়ে যুক্তি তৰ্কৰ অৱতাৰণা হৈ আহিছে। দেশৰ ৰাজনীতিত মহিলাৰ অংশগ্ৰহণৰ নিশ্চিতি কৰাৰ বাবে ইতিমধ্যে ৩৩ শতাংশ আসন সংৰক্ষণৰ দাবী উত্থাপিত হৈ আহিছে। শেহতীয়াভাৱে বাল্য বিবাহ ৰোধ আৰু নাবালিকাক আতিশয্যৰ পৰা ৰক্ষা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে নতুন আইন প্ৰণয়ন কৰিছে। সেই অনুসৰি এতিয়াৰে পৰা ল'ৰা-ছোৱালীৰ বিয়াৰ বয়স ২১ বছৰ হ'ব লাগিব। পূৰ্বতে বয়স আছিল ক্ৰমে ল'ৰাৰ ২১ আৰু ছোৱালীৰ ১৮ বছৰ; কিন্তু তাৰ পাছতো অব্যাহত থকা বাল্যবিবাহ ৰোধৰ বাবে কেন্দ্ৰৰ নৰেন্দ্ৰ মোদী চৰকাৰে পুৰুষ-মহিলাৰ বিবাহৰ ক্ষেত্ৰত একে বয়স কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। লিংগ নিৰপেক্ষতা আৰু শিশু- প্ৰসূতিৰ মৃত্যুৰ হাৰ হ্ৰাস কৰিবলৈ গ্ৰহণ কৰা এই পদক্ষেপ কিমান ফলপ্ৰসূ হয়, সেয়া সময়ে ক'ব। ইয়াৰ মাজতে শেহতীয়াভাৱে দেশৰ উচ্চতম ন্যায়ালয়ে এক ঐতিহাসিক ৰায় প্ৰদান কৰে য'ত কন্যা সন্তানক পৈতৃক সম্পত্তিৰ অধিকাৰ প্ৰদান কৰা হৈছে। উল্লেখ্য যে পূৰ্বৰে পৰা বহুক্ষেত্ৰত পিতৃৰ সম্পত্তিৰ ভাগ কন্যা সন্তানক দিয়া হোৱা নাছিল। কন্যাক সৰুৰে পৰা ডাঙৰ-দীঘল কৰি বিয়া দি পিতৃ-মাতৃয়ে দায়িত্ব পালন কৰিছিল। সম্পত্তিৰ ভাগ অকল পুত্ৰ সন্তানক দিয়া হৈছিল। সেয়া এক সুকীয়া বিষয়, কিছু বিভিন্ন ধৰ্মত বিশেষকৈ ইছলাম ধৰ্মত নাৰীক এক সুকীয়া মৰ্যাদা দিয়া হৈছে। বহুতে ভবাৰ দৰে ইছলামত নাৰীক দমন কৰি ৰখাৰ অধিকাৰ দিয়া হোৱা নাই। নাৰীক সমদৃষ্টিৰে চাবলৈহে কোৱা হৈছে। স্বয়ং আল্লাহৰ নবী ইছলাম ধৰ্মৰ শেষ নবী হজৰত মহম্মদ (ছঃ)-এ কৈছে—

'হে পুৰুষসকল, তোমালোকে নাৰীৰ প্ৰতি উত্তম আচৰণ কৰিবা, কিয়নো তেওঁলোকৰ কোনোবাজনী তোমাৰ মাতৃ, কোনোবাজনী ভগ্নী, কোনোবাজনী স্ত্ৰী বা কোনোবাজনী তোমাৰ কন্যা।'

মাথোঁ সেয়াই নহয়, কন্যা শিশুৰ প্ৰতি হেয় মনোভাব পোষণ নকৰিবলৈ তেওঁ বৰঞ্চ কৈ গৈছে—

'কোনো ব্যক্তিয়ে যদি দুজনী ছোৱালী যত্ন আৰু মৰমৰে ডাঙৰ-দীঘল কৰে, তেনেহ'লে শেষ বিচাৰ (কিয়ামত)ৰ দিনা তেওঁ মোৰ নিচেই ওচৰত থাকিব।'

তেওঁ পুনৰ কৈছে— 'হে লোকসকল, মহিলাৰ সম্পৰ্কে আল্লাহক ভয় কৰি চলিবা, কাৰণ তোমালোকে আল্লাহৰ আমানত (জিম্মাদাৰী) ৰূপে তেওঁলোকক (স্ত্ৰীসকলক) লাভ কৰিছা।'

লগতে পুত্ৰ-কন্যাৰ বৈষম্য আঁতৰ কৰিবলৈ তেওঁ কৈছে—

'যি মুছলমান ব্যক্তিয়ে পুত্ৰক কন্যা সন্তানতকৈ শ্ৰেষ্ঠ বুলি বিবেচনা নকৰে আৰু নাৰীক বেইজ্জতী (অসন্মান) নকৰে, আল্লাহে তেওঁক জান্নাত (স্বৰ্গ) প্ৰদান কৰিব।' (হাদিছ তিৰমিজি)

আকৌ কন্যা সন্তান সন্দৰ্ভত কৈছে—

'যিজনে তিনিজনী কন্যা সন্তানক লালন-শোষণ কৰিলে, তেওঁলোকক ভাল আদৱ-কায়দা (আচাৰ-আচৰণ) শিকালে (অৰ্থাৎ ভাল সংস্কাৰ দিলে), তেওঁলোকক উপযুক্ত পাত্ৰত বিবাহ দিলে আৰু তেওঁলোকৰ লগত ভাল ব্যৱহাৰ কৰিলে তেওঁ (পিতৃ-মাতৃ) জান্নাত (স্বৰ্গ)ত প্ৰৱেশ কৰিব পাৰিব।' (হাদিছ আবু দাউদ) পুনৰ হাদিছত কৈছে—

'যিজন ব্যক্তিৰ কোনো কন্যা সন্তানৰ জন্ম হ'ল আৰু তাইক জীৱিত অৱস্থাত দাফন (কবৰস্থ) নকৰিলে, অৰ্থাৎ তাইক অপমান বা ববিদত নকৰিলে আৰু নিজৰ পুত্ৰক কন্যাতকৈ অধিক গুৰুত্ব নিদিলে, তেতিয়া আল্লাহে তেওঁক জান্নাত (স্বৰ্গ)ত প্ৰৱেশ কৰিবলৈ দিব।' (হাদিছ আবু দাউদ)।

ইফালে, ইছলামত শৰীৰ কিনা-বেচা অৰ্থাৎ বেশ্যাবৃত্তি সন্দৰ্ভত আল্লাহৰ নবীয়ে কৈছে—

'ইছলামত নাৰীৰ শৰীৰ বেচা-কিনা কৰা ব্যৱসায় (অৰ্থাৎ বেশ্যা বৃত্তি) বৈধ নহয়। (হাদিছ আবু দাউদ)

একেদৰে পৱিত্ৰ কোৰান শ্বৰীফত নাৰীৰ অধিকাৰ সম্পৰ্কত কোৱা হৈছে—

'নাৰীসকলৰ সম-অধিকাৰ আছে, তোমালোকৰ (পুৰুষ)ৰ ওপৰত যিদৰে তোমালোকৰ আছে তেওঁলোকৰ ওপৰত।' (ছুৰা আল-বাকাৰা ঃ ২-২৮)

আনহাতে, বিয়াৰ পাছত পত্নীৰ অধিকাৰ সন্দৰ্ভত পৱিত্ৰ কোৰানত কোৱা হৈছে—

'যিসকলে বিয়াৰ পাছত নিজ স্ত্ৰীক ভৰণ-পোষণ দিব নোৱাৰিব বুলি ভাবে আৰু যেতিয়ালৈকে নিজৰ যোগ্যতা নাথাকে, তেনে ব্যক্তিক বিয়াৰ পৰা বিৰত থাকিবলৈ কোৱা হৈছে।'

কোৰানৰ নিৰ্দেশনা দি মহিলাসকলক কোৱা হৈছে— 'মাকসকলে সন্তানক দুবছৰলৈ স্তন পান কৰোৱাব।' অৰ্থাৎ এই দুবছৰকাল সন্তান গৰ্ভধাৰণ কৰাটোত নিশ্চিতভাৱে বাধা দিয়া। এই সন্দৰ্ভত এঢাপ আগুৱাই হজৰত মহম্মদ (ছঃ)-এ কৈছে— 'স্তনপান কৰোৱা সময়ছোৱাত তেওঁ পুনৰ গৰ্ভধাৰণ কৰা বা অন্য এটি সন্তান জন্ম দিয়াৰ অৰ্থ হ'ল পেটৰ কেঁচুৱা আৰু কোলাৰ কেঁচুৱা উভয়ৰে প্ৰতি অবিচাৰ কৰা।'

ইয়াৰ জৰিয়তে প্ৰতীয়মান হয় যে ইছলামত আনে ভবাৰ দৰে জন্ম নিয়ন্ত্ৰণৰ ব্যৱস্থা নোহোৱা নহয়। আনকি তাহানিতে প্ৰখ্যাত মুছলিম চিকিৎসা বিজ্ঞানী আবু আলী আল-হুছেইন বিন আবদুল্লাহ ইবন চিনাই (৯৮০-১০৩৭) বিভিন্ন গৰ্ভনিৰোধক সামগ্ৰী উদ্ভাৱন কৰিছিল। তেওঁৰ 'আল কানুন ফিততীব'ত তেনে ২০ টা গৰ্ভনিৰোধক পদ্ধতিৰ বিৱৰণ আছে।

সেয়ে উপৰোক্ত হাদিছ আৰু কোৰানৰ নিৰ্দেশনাৰ ওপৰত ভিত্তি কৰি ক'ব পাৰি যে ইছলামত মহিলাক যথেষ্ট স্বাধীনতা দিয়া হৈছে। কাৰণ এখন সুস্থ-সবল সমাজ গঠন কৰিবলৈ হ'লে তাত মহিলাক সম অধিকাৰ দিয়াৰ প্ৰয়োজন।

এই কথা নিশ্চিত যে সমৃদ্ধিশালী, বিত্তশালী, সাৱলীল আৰু ভাৰসাম্য ৰক্ষাকাৰী সমাজ গঢ়িবলৈ ছোৱালীৰ বিয়াৰ ন্যূনতম বয়স নিৰ্ধাৰণ কৰাটো বাৰুকৈয়ে প্ৰয়োজন। সেয়েহে ইছলাম ধৰ্মতো ইয়াক ন্যায্যতা প্ৰদান কৰি উপযুক্ত শিক্ষা আৰু বয়সতহে বিয়া দিবলৈ গুৰুত্ব আৰোপ কৰা হৈছে। শিক্ষাইহে এখন সমাজক আগবাঢ়ি যোৱাত সহায় কৰে। যাৰ বাবে স্বয়ং হজৰত মহম্মদ (ছঃ)-এ কৈছে, 'প্ৰতিজন মুছলমানৰ বাবে শিক্ষা অতি প্ৰয়োজনীয়।' বাল্যকালতে শিক্ষা-দীক্ষাৰ পৰা বঞ্চিত কৰি অকালতে মাতৃত্বৰ বোজা লৈ অসুস্থ হৈ পৰা, পুষ্টিহীনতাত ভোগা আদি কাৰ্যক সমৰ্থন নকৰে। এই নিৰ্দেশনা অৱশ্যে আন ধৰ্মতো আছে।

*ফোন ঃ ৮৬৩৮৯১৯১৩৯*

## দয়াৰ মূৰ্তিমান কবিতা আৰু গো-সংবৰ্দ্ধন গোৰস ভাণ্ডাৰ

ভাৰ্গৱ কলিতা

**ৰাজনৈতিক** আৰু আধ্যাত্মিক জীৱন-দৃষ্টিৰ ক্ষেত্ৰত বিবিধ আঁসোৱাহ থাকিলেও গ্ৰাম উত্থানৰ দিশত মোহন দাস কৰম চাঁদ গান্ধীৰ অৰ্থাৎ বাপুজীৰ চিন্তনত বহুতো মহত্ত্বপূৰ্ণ দিশ সমাহিত হৈ আছিল। বিশেষকৈ গোৰক্ষাৰ জৰিয়তে গ্ৰাম বিকাশ তথা ৰাষ্ট্ৰ কল্যাণৰ ক্ষেত্ৰত তেওঁৰ যি সদিচ্ছা আৰু দৃষ্টিকোণ সেয়া নিঃসন্দেহে প্ৰাসংগিক। 'গ্ৰাম স্বৰাজ গ্ৰন্থ'ৰ 'অন্য গ্ৰামোদ্যোগ অধ্যায়'ত বাপুজীয়ে উল্লেখ কৰিছে— 'গো-ৰক্ষা হিন্দু ধৰ্মৰ এক অবিভাজ্য অংগ।' আনহাতে, "Indian of My Dreams" (মোৰে সপনোকা ভাৰত) গ্ৰন্থত বাপুজীয়ে গোধনৰ সংৰক্ষণ-সংবৰ্দ্ধনৰ দিশত বিশেষ গুৰুত্ব আৰোপ কৰিছিল। উক্ত গ্ৰন্থত সন্নিবিষ্ট তেওঁৰ গো-ৰক্ষা চিন্তনৰ অসমীয়া অনুবাদৰ কিয়দংশ এনেধৰণৰ— 'হিন্দু ধৰ্মৰ মুখ্য বস্তু হৈছে গো-ৰক্ষা। মনুষ্যৰ বিকাশ ক্ৰমত গো-ৰক্ষাই সকলোতকৈ অলৌকিক বস্তু বুলি মোৰ বোধ হয়। হিন্দুস্থানত গাই মনুষ্যই সকলোতকৈ সঁচা সংগী, সৰ্বোচ্চ আধাৰ আছিল। গাই মাথোঁ গাখীৰেই দিয়ে এনে নহয় বৰেণ্য সমস্ত কৃষি ব্যৱস্থাৰ আধাৰ স্তম্ভ আছিল। গাই হৈছে দয়াৰ মূৰ্তিমান কবিতা। এয়াই হৈছে লাখ লাখ হিন্দুস্থানীক পালন-পোষণ প্ৰদান কৰা মাতা। এই গো-মাতাক ৰক্ষা কৰাৰ অৰ্থ হৈছে ঈশ্বৰৰ সমস্ত মুক সৃষ্টি ৰক্ষা কৰা। গো-ৰক্ষা হৈছে হিন্দু ধৰ্মৰ নিখিল বিশ্বক প্ৰদান কৰা মূল্যৱান উপহাৰ। হিন্দুসকলৰ পৰীক্ষা তিলক লগোৱাত, শুদ্ধ মন্ত্ৰ পাঠ কৰাত, তীৰ্থ যাত্ৰালৈ যোৱাত বা জাত-পাতৰ ক্ষুদ্ৰ ক্ষুদ্ৰ নিয়মক কঠোৰভাৱে পালন কৰাৰ দ্বাৰা নহ'ব, বৰঞ্চ গাইক ৰক্ষা কৰাৰ তেওঁলোকৰ শক্তিৰ দ্বাৰাহে হ'ব।' মাথোঁ তাত্ত্বিক বিশ্লেষণ বা ভাবাবেগৰ দিশৰ পৰাই নহয়, ব্যৱহাৰিকভাৱেও বাপুজীয়ে গো-ৰক্ষা সংবৰ্দ্ধনৰ হকে শুভ কৰ্ম হাতত লৈছিল। তেওঁ জড়িত হৈছিল গো-ৰক্ষাৰ বিবিধ মংগলময় প্ৰকল্পৰ স'তে। তেনে এটি প্ৰকল্প হৈছে মহাৰাষ্ট্ৰৰ ৱাৰ্ধাত ৰূপায়ণ কৰা 'গো-সংবৰ্দ্ধন গো-ৰস ভাণ্ডাৰ'।

সন্ত তুকাৰাম, শিৱাজী মহাৰাজ, আচাৰ্য বিনোৱা ভাৱে, ভাৰত ৰত্ন নানাজী দেশমুখ আদি তেজস্বী আৰু তপস্বী ব্যক্তি জন্ম হোৱা পবিত্ৰ ভূমি হৈছে মহাৰাষ্ট্ৰ। এই ভূমিত পূৰ্বৰে পৰা ৰাষ্ট্ৰ উত্থানৰ বহুতো তেজোময় গতিবিধিৰ অংকুৰণ ঘটি আহিছে। এই অংকুৰণে বহু সময়ত বিশাল বৃক্ষৰ ৰূপো লোৱা দেখা গৈছে। ৰাষ্ট্ৰ কল্যাণৰ কাৰ্যক্ৰম, গ্ৰাম আধাৰিত স্ব-নিয়োজনৰ বহন ক্ষমতা। সনাতন পৰম্পৰাৰ গতিশীলতা আদি বিবিধ ক্ষেত্ৰত মহাৰাষ্ট্ৰ প্ৰদেশ মহিমামণ্ডিত। এই ভূমিতে ১৯৩১ত এটি লোকহিতকৰ অনুপ্ৰেৰণাদায়ক শুভকাৰ্য আৰম্ভ হৈছিল। কাৰ্যটিৰ আগভাগ লৈছিল বাপুজী অৰ্থাৎ মহাত্মা গান্ধীয়ে। বাপুজী, আচাৰ্য বিনোৱাভাৱে, জমনালাল বাজাজ এই সকলৰ শক্তিশালী পদক্ষেপত মহাৰাষ্ট্ৰৰ ৱাৰ্ধাত গঢ় লৈ উঠিছিল 'গো-সংবৰ্দ্ধন গো-ৰস ভাণ্ডাৰ'। গো-ধনৰ সংৰক্ষণ-সংবৰ্দ্ধন তথা গ্ৰামীণ স্ব-নিয়োজনৰ সুনিশ্চিত কৰণৰ নিমিত্তে এই পবিত্ৰ অনুষ্ঠানটি প্ৰতিষ্ঠা কৰা হৈছিল। গ্ৰাম স্বৰাজৰ বাস্তৱ ছবিখন যেন এই প্ৰতিষ্ঠানৰ জৰিয়তেই জীৱন্ত হ'ল। প্ৰখ্যাত উদ্যোগপতি জমনালাল বাজাজৰ আৰ্থিক সহায়ে প্ৰতিষ্ঠানটিৰ গতিশীলতা প্ৰদান কৰিলে। ৱাৰ্ধা বাসীৰ বাবে জীৱন-জীৱিকাৰ অন্যতম উৎস হৈ পৰিল 'গো-সংবৰ্দ্ধন গো-ৰস ভাণ্ডাৰ'। গাখীৰৰ লগতে গাখীৰৰ পৰা উৎপাদিত সামগ্ৰীয়ে বজাৰ দখল কৰিব ধৰিলে। বৰ্তমানেও এই প্ৰতিষ্ঠানত ধাৰাবাহিকতা অটুট আছে। বাপুজীৰ গো আধাৰিত গ্ৰামীণ অৰ্থনীতিৰ এক উজ্জ্বল নিদৰ্শন ৱাৰ্ধা। ২০১৩ত সেৱাগ্ৰামলৈ যাওঁতে গো-ৰস ভাণ্ডাৰত গৰম গাখীৰ পান কৰাৰ মধুৰ অভিজ্ঞতা লাভ কৰিছিলো। আচলতে গো-ধনৰ বিষয়টো অৰ্থনীতি তথা সংস্কৃতিৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত। প্ৰকৃততে ইয়াৰ সাম্প্ৰদায়িকতাৰ স'তে কোনো সম্পৰ্ক নাই। বিকৃত মানসিকতাৰ বাবেহে



সাম্প্ৰদায়িকতাৰ ধুমুহাই কুটুম্ব ভাৱনাৰ বন্তি গছি নুমাই দিয়ে। গো-ৰক্ষাৰ জৰিয়তে গ্ৰাম বিকাশৰ স্বপ্ন অংকন কৰা বাপুজী, আচাৰ্য বিনোৱা ভাৱে তথা জমনালাল বাজাজৰ চিন্তন-মন্থনৰ বিবিধ দিশৰ পৰা আমি বহুখিনি কথা শিকিব পাৰো। কোন বিবেকৱান ব্যক্তিয়ে বাৰু এই তিনিজন লোকক উগ্ৰ হিন্দুত্ববাদী বুলিব!

আচলতে ৰাষ্ট্ৰ প্ৰগতিৰ বাবে গো-ৰক্ষা আৰু গো-সংবৰ্দ্ধনৰ কথাটি অতিকে মহত্ত্বপূৰ্ণ। লগতে এই কথাও ধ্যান যোগ্য যে গো-ৰক্ষাৰ বাবে মাথোঁ চৰকাৰী দস্তাবেজ বা চৰকাৰী বিধি পৰ্যাপ্ত নহয়, স্বনিয়োজনৰ বাবে গাখীৰ, দৈ, গোবৰ, গোমূত্ৰ, ঘিঁউৰ যথাৰ্থ প্ৰয়োগৰ বিষয়টি গ্ৰামে গ্ৰামে বিস্তাৰিত হ'ব লাগিব। এই কথাও গুৰুত্বপূৰ্ণ যে অৰ্থনৈতিক দিশৰ লগতে গো-ধন বিষয়ক সনাতনী মান্যতাসমূহো হৃদয়ংগম কৰাটো খুবেই আৱশ্যকীয়।

অসম চৰকাৰে গো-ৰক্ষা সংবৰ্দ্ধনৰ ক্ষেত্ৰত প্ৰয়োজন এক বিজ্ঞানসন্মত ৰূপৰেখা। গো আধাৰিত জৈৱিক কৃষি, জনস্বাস্থ্যৰ বাবে হিতকৰ পঞ্চগব্য আয়ুৰ্বেদ, পঞ্চগব্য আধাৰিত গ্ৰামীণ উদ্যোগ আদিৰ দিশত তৃণমূল পৰ্যায়ৰ পৰা প্ৰণালীবদ্ধ কাম-কাজ হওক। ৰাজনৈতিক মুনাফা লাভৰ পৰিৱৰ্তে সম্পূৰ্ণ ৰূপত গ্ৰাম উত্থান ৰাষ্ট্ৰ উত্থানৰ দৃষ্টিভংগীৰে কাম আগবঢ়া উচিত। এই ক্ষেত্ৰত জাত-পাত, মজহব, ৰাজনৈতিক দৃষ্টিভংগী আদি কোনো কথাই প্ৰতিবন্ধক হোৱা অনুচিত। কেঁচুসাৰ, অমৃত পানীয়ে ভূমি উৰ্বৰতা যেতিয়া বৃদ্ধি কৰে, তেতিয়া উক্ত ভূমিখিনিৰ গৰাকী কোন ধৰ্মাৱলম্বী লোক, কি ৰাজনৈতিক দৰ্শনৰ সমৰ্থক ব্যক্তিৰ ভূমি, সেই কথা বিচাৰ নকৰে। গাখীৰ, ঘিঁউৰ পৰা লাভ কৰা খাদ্যপ্ৰাণ, প্ৰ'টিনে কোনো ভেদভাৱ নাৰাখে। আহকচোন আমি সংকীৰ্ণতা পৰিহাৰ কৰি সংস্কৃতিৱান তথা বিজ্ঞানমনস্ক হওঁ।

*ফোন ঃ ৯৯৫৪৮ ১০৫২৯*

# তেজপুৰত জননেতা ড° পূৰ্ণ নাৰায়ণ সিংহৰ ২২সংখ্যক স্মৃতি দিৱস পালন



**অগ্ৰদূতবাৰ্তা**
**তেজপুৰ, ২৭ জানুৱাৰীঃ** তেজপুৰ লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ, সাংবাদিক,সম্পাদক তথা শ্ৰমিক নেতা ড° পূৰ্ণ নাৰায়ণ সিংহৰ ২২ সংখ্যক স্মৃতি দিৱসত জননেতাগৰাকীৰ প্ৰতি স্থানীয় সাংবাদিক, সমাজকৰ্মী, বিভিন্ন সংগঠন তথা প্ৰাক্তন ছাত্ৰনেতাই গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উল্লেখযোগ্য যে ২০০১ত বিয়োগ ঘটা জননেতা তথা এসময়ত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ এখন তিনিদিনীয়া বাতৰি কাকত হিচাপে মহাজাতি প্ৰকাশ কৰি বহুসংখ্যক লেখক আৰু সাংবাদিকৰ সৃষ্টি কৰা প্ৰয়াত সিংহৰ তেজপুৰ লাচিত চ'কত শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়নৰ উদ্যোগত স্থাপন কৰা আৱক্ষমূৰ্তি পৰহি পুৱা ৮-৩০বজাত তেজপুৰৰ সাংবাদিক সংস্থাটোৰ সদস্যসকলৰ লগতে তেজপুৰ পৌৰসভাৰ প্ৰাক্তন পৌৰ নেত্ৰী পুষ্পা ডেকাই মাল্যাৰ্পণ তথা বন্তি প্ৰজ্বলনৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ শুভাৰম্ভ কৰে। তেওঁ ড° সিংহ এগৰাকী অতি দক্ষ আৰু কৰ্মতৎপৰ ৰাজনৈতিক আছিল বুলি কোৱাৰ লগতে অসমীয়াৰ উপৰি হিন্দী,ইংৰাজীকে ধৰি ৰাজ্যখনৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ ভাষা যেনেদৰে ক'ব পাৰিছিল তেনেদৰে সকলোৰে মাজত জনপ্ৰিয় আছিল বুলি উল্লেখ কৰে।শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়নৰ সাধাৰণ সম্পাদক মনোজ কুমাৰ শইকীয়াকে ধৰি সংগঠনটোৰ সদস্যসকল আৰু প্ৰাক্তন ছাত্ৰ নেতা কুলেন ভৰালীয়েও এই অনুষ্ঠানত অংশলৈ জননেতাগৰাকীৰ কৰ্মৰাজীৰ স্মৰণ কৰে। আনহাতে, একে স্থানতে পুৱা ১০-৩০বজাত জননেতাগৰাকীৰ প্ৰতি আন এক ৰাজহুৱা শ্ৰদ্ধাঞ্জলি তথা স্মৃতিচাৰণ অনুষ্ঠানৰো আয়োজন কৰা হয়। অসম জাতীয়তাবাদী যুৱ সন্মিলনৰ সভাপতি ৰাজীৱ দাসে প্ৰয়াত ড° সিংহৰ আৱক্ষ মূৰ্তিত মাল্যাৰ্পণ কৰি অভাৰম্ভ কৰা এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত প্ৰয়াত ৰাজনীতিকগৰাকীৰ কনিষ্ঠ পুত্ৰ তথা মানৱ অধিকাৰ কৰ্মী ড° পৰশমণি সিংহই অংশ লৈ পিতৃৰ কৰ্মৰাজীৰ স্মৰণ কৰে। সমাজকৰ্মী অকুল নাথে বন্তি প্ৰজ্বলন কৰি প্ৰয়াত জননেতাগৰাকীয়ে কৰি যোৱা কৰ্মৰাজিৰ তুলনাত তেওঁৰ বিষয়ে নতুন প্ৰজন্মই জনাৰ বাবে বিশেষ প্ৰচাৰ নোহোৱাটো দুৰ্ভাগ্যজনক আখ্যা দিয়ে। শোণিতপুৰ জিলা কংগ্ৰেছৰ সভাপতি দীপেন বৰা,আগছু নেতা দীপক চুৰা, বিহু কৃষ্টি পৰিষদৰ উত্তম দাস, তেজপুৰ বিশ্ববিদ্যালয়ৰ শ্ৰমিক সংগঠনৰ ৰবী কুমাৰ বাচফোৰ, সমাজকৰ্মী ৰিংকু ৰয়, তেজপুৰ অট' ডিজেল সন্থাৰ সভাপতি দ্বীপেন শইকীয়া, অসমীয়া সুৰক্ষা মঞ্চৰ সভাপতি প্ৰাঞ্জল বৰা, আঞ্চলিক সভাপতি বিকাশ শইকীয়া প্ৰমুখ্যে ভালেসংখ্যক লোকে অংশ লোৱা এই স্মৃতিচাৰণ সভাত এখন সুস্থ -সৰল সমাজ গঢ়াৰ বাবে প্ৰয়োজনীয় সকলো দিশত প্ৰয়াত সিংহৰ অৱদানৰ বিষয়ে স্মৰণ কৰি তেওঁ তাহানিতেই জীয়াভৰলী নৈৰ ওপৰত তেজপুৰ আৰু পানপুৰ সংযোগী চকীঘাট দলং নিৰ্মাণৰ বাবে জনোৱা দাবী আৰু বৰ্তমান এই দলং নিৰ্মাণৰ কাম আৰম্ভ হোৱা সেতু এইখন দলং জননেতাগৰাকীৰ স্মৃতিত নামাকৰণ কৰিবলৈও সকলোৱে ৰাজ্য চৰকাৰৰ প্ৰতি আহ্বান জনাই। তদুপৰি জননেতাগৰাকীৰ বিষয়ে পৰৱৰ্তী সময়ত অধিক প্ৰচাৰ কৰাৰো সংকল্প গ্ৰহণ কৰা হয় এই সভাত।

## দৰং-ওদালগুৰি ব্যাস সংগীত বিকাশ সমিতিৰ কাৰ্যনিৰ্বাহক সম্পন্ন

# দৰঙৰ পৰিচয়ৰ বাহক লোক-শিল্পীঃ ড° ৰাজবংশী

**বিশেষ সংবাদদাতা**
**মঙলদৈ, ২৭ জানুৱাৰী ঃ** ব্যাস সংগীত বিকাশ সমিতি দৰং-ওদালগুৰি এখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভা যোৱা ২৩ জানুৱাৰীত দেওমৰনৈ বৰেৰী গাঁৱত লোক-সংস্কৃতিৰ সাধক শুভাৰাম হাজৰিকাৰ বাসগৃহত অনুষ্ঠিত হয়। সমিতিৰ সভাপতি বিশিষ্ট ওজা হৰেন্দ্ৰ নাথৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ আৰম্ভণিতে বিপুল ডেকা আৰু সংগীবৃন্দই ব্যাস ওজাপালি পৰিবেশন কৰে। সমিতিৰ সম্পাদক তথা ডাইনাপালি প্ৰমোদ চন্দ্ৰ নাথে আঁত ধৰা এই সভাত ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীও উপস্থিত হৈ ব্যাস সংগীতৰ বিকাশৰ ক্ষেত্ৰত লোৱা পদক্ষেপত সহযোগ কৰি যোৱাৰ আশ্বাস দিয়ে। তেওঁ কয় যে লোককৃষ্টিৰ সাধনাৰ জৰিয়তে লোক-শিল্পীসকলে দৰঙৰ স্বকীয় পৰিচয় বহন কৰি আহিছে। সেয়ে এই লোক শিল্পীসসকলৰ লোক-কৃষ্টিৰ চৰ্চা কৰিবলৈ বিশেষ আঁচনিৰ কথাও তেওঁ উল্লেখ কৰে। এই সভাতে এই বৰ্ষত অসম চৰকাৰৰ বাৰ্ষিক শিল্পী সন্মান প্ৰাপক যথাক্ৰমে শুভাৰাম হাজৰিকা, ভোগেশ্বৰ নাথ, ঘনশ্যাম বৰুৱা আৰু মহেশ্বৰ ডেকাক বিধায়কজনে অবিভক্ত দৰং জিলা লোকশিল্পী কল্যাণ নিধিৰ হৈ সম্বৰ্ধনা জ্ঞাপন কৰে। কল্যাণ নিধিৰ সচিবদ্বয় মুকুট চন্দ্ৰ হাজৰিকা আৰু মৃণাল কুমাৰ ৰাজবংশীয়ে এই সম্বৰ্ধনা কাৰ্যসূচীত সহযোগ কৰে। আনহাতে, ব্যাস সংগীত বিকাশ সমিতিৰ বাৰ্ষিক প্ৰতিবেদন আৰু হিচাপ উত্থাপন কৰে সম্পাদক প্ৰমোদ চন্দ্ৰ নাথে। আগন্তুক কাৰ্যকালৰ বাবে ইন্দ্ৰ কান্ত নাথক সভাপতি, দুগ্ধৰাম নাথ আৰু হৰেশ্বৰ কলিতাক উপ-সভাপতি, নিৰঞ্জন নাথক সম্পাদক, পদুম ডেকা আৰু বীৰেণ বৈশ্যক সহকাৰী সম্পাদক হিচাপে লৈ এখন সমিতি গঠন কৰা হয়। সভাৰ মাজতে পূজা ডেকা, জীমনি ডেকা আৰু অভিলাষ ডেকাই বৰগীত আৰু শিশুশিল্পী জোনাক জিলমিল হাজৰিকাই ভূপেন্দ্ৰ সংগীত পৰিবেশন কৰে।



*স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই গণৰাজ্য দিৱসৰ পেৰেডত গাৰ্ড অৱ অনাৰ গ্ৰহণ কৰিছে ডিব্ৰুগড়ত।*

# হোজাই ৰেল ষ্টেছনত মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**
**হোজাই, ২৭ জানুৱাৰী ঃ** হোজাই ৰেল ষ্টেছনত আজি অচিনাক্ত মৃতদেহ উদ্ধাৰ হয়। শুই থকা অৱস্থাত হোজাই ৰেল আৰক্ষীয়ে উদ্ধাৰ কৰে মৃতদেহটো। ঠাণ্ডাৰ ফলত লোকজনৰ মৃত্যু হোৱাৰ সন্দেহ কৰা হৈছে। বৰ্তমানলৈ পৰিচয় উদ্ধাৰ হোৱাৰ নাই প্ৰায় ৬০ বছৰীয়া মৃতলোকজনৰ। হোজাই ৰেল আৰক্ষীয়ে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰিছে।

# গৌৰীসাগৰৰ সতী ৰাধিকা শিশু উদ্যান বেদখল মুক্ত-সৌন্দৰ্যবৰ্ধনৰ দাবী

## জিলা উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান কৈৱৰ্ত ছাত্ৰ সন্থাৰ

**অগ্ৰদূত বাৰ্তা**
**গৌৰীসাগৰ, ২৭ জানুৱাৰী ঃ** মিনি নগৰী গৌৰীসাগৰৰ সমীপৰ নামদাঙৰ ৰাষ্ট্ৰীয় পথৰ কাষত অৱস্থিত সতী ৰাধিকা শিশু উদ্যানত অব্যাহত থকা বেদখলৰ লগতে উদ্যানখনৰ সংৰক্ষণ আৰু সৌন্দৰ্যবৰ্ধনৰ বাবে সৰৱ হৈ উঠিছে জিলা কৈবৰ্ত ছাত্ৰ সন্থা। আমগুৰি বিধানসভা সমষ্টিৰ অন্তৰ্গত উক্ত উদ্যানখন দীৰ্ঘদিনৰ পৰা জৰাজীৰ্ণ হৈ পৰিছে। উদ্যানখন হাবি-জংঘলেৰে আৱৰি ধৰাৰ লগতে তাত থকা কৈবৰ্ত জাতিৰ মহীয়সী নাৰী সতী ৰাধিকাৰ প্ৰতিমূৰ্তিটো ৰং-তুলিকা এৰি কদৰ্যময় অৱস্থালৈ পৰিণত হৈছে। আমগুৰি বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক প্ৰয়াত অঞ্জন দত্তৰ উদ্যোগত স্থাপন কৰা উদ্যানখন প্ৰয়াত বিধায়কজনে ২০১০ৰ ১৭ জানুৱাৰীত উদ্বোধন কৰিছিল। বিভাগীয় কৰ্তৃপক্ষই উদ্যানখনৰ প্ৰতিকৰা চৰম হেমাহিৰ বাবেই কদৰ্যময় অৱস্থালৈ পৰিণত হ'ব ধৰিছে। কৈবৰ্ত ছাত্ৰ সন্থাৰ জিলা সমিতিৰ বিষয়ববীয়া তথা সদস্যসকলে কিছুদিনৰ পূৰ্বে শ্ৰমদানেৰে উদ্যানখনৰ হাবি-জংঘল কাটি চাফ-চিকুণ কৰে। লগতে উদ্যানখনত চলা বেদখলৰ সন্দৰ্ভত গৌৰীসাগৰ আৰক্ষী থানাত এখন এজাহাৰো দিছিল। আনহাতে, কালি কৈবৰ্ত ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰবি কাশ্যপৰ নেতৃত্বত এটা সঁজাতী দলে শিৱসাগৰ জিলা উপায়ুক্তক উদ্যানখনত শেহতীয়াকৈ চলা বেদখল মুক্ত কৰাৰ লগতে উদ্যানখনৰ সংৰক্ষণ আৰু সৌন্দৰ্যবৰ্ধনৰ দাবী জনাই এখন স্মাৰকপত্ৰ প্ৰদান কৰে। ছাত্ৰ সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰবি কাশ্যপ স্বাক্ষৰিত স্মাৰক পত্ৰখনত উদ্যানখনৰ চোৱা চিতা কৰাৰ বাবে বহু বছৰৰ পূৰ্বে গঠন কৰা উদ্যান পৰিচালনা সমিতিখন ভংগ কৰি নতুন সমিতি গঠনৰ বাবেও দাবী জনায়।

# আৰক্ষীৰ ভুৱা সংঘৰ্ষৰ বিৰুদ্ধে তেজপুৰত প্ৰতিবাদ



**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ২৭ জানুৱাৰী ঃ** নগাঁৱত প্ৰাক্তন ছাত্ৰ নেতাৰ বিৰুদ্ধে আৰক্ষীৰ ভুৱা সংঘৰ্ষৰ নামত গুলি চলোৱা বৰ্বৰোচিত ঘটনাৰ লগতে ৰাজ্যখনত সম্প্ৰতি সংঘটিত হৈ থকা আৰক্ষীৰ ধাৰাবাহিক সংঘৰ্ষৰ বিৰুদ্ধে আজি অল ইণ্ডিয়া ডি এছঅ' আৰু মহিলা সাংস্কৃতিক সংগঠনৰ উদ্যোগত তেজপুৰত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। পুৱা ১১ বজাত তেজপুৰৰ পৰোৱা চাৰিআলিত সংগঠনৰ কৰ্মীসকলে 'হাতে হাতে প্লেকাৰ্ড, ফেষ্টুন লৈ' নগাঁৱৰ এনকাউণ্টাৰৰ দোষী আৰক্ষী বিষয়াক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰক, বিচাৰ প্ৰক্ৰিয়াক অংগুষ্ঠ দেখুৱাই এনকাউণ্টাৰৰ নামত গুলীয়াই হত্যা কৰাৰ ফেচিষ্ট কাৰ্যকলাপ বন্ধ কৰক, গণতান্ত্ৰিক বিচাৰৰ স্থানত নৃশংস, ভুৱা সংঘৰ্ষৰ অবিলম্বে বন্ধ কৰক আদি শ্ল'গান দিয়ে।

# ভাৰতীয় ৰেডক্ৰছ ছ'চাইটিৰ উদ্যোগত ৰক্তদান শিবিৰ

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ২৭ জানুৱাৰী ঃ** ভাৰতীয় ৰেড'ক্ৰছ ছ'চাইটিৰ তেজপুৰ শাখাৰ কাৰ্যালয়টো যোৱা ২৪ জানুৱাৰীৰ পৰা পুনৰ কাৰ্যক্ষম হৈ উঠিছে। যোৱা ১২ বছৰে গণেশঘাটৰ এই দুমহলীয়া ভৱনটো পৰিত্যক্ত অৱস্থাত আছিল। নতুনকৈ চিকুণাই তোলা এই গৃহটো তেজপুৰ বিধানসভা সমষ্টিৰ বিধায়ক পৃথ্বিৰাজ ৰাভাৰ লগতে শোণিতপুৰৰ উপায়ুক্ত ভূপেশৰ উপস্থিতিত ৰেডক্ৰছ ছ'চাইটিৰ নৱগঠিত সমিতিক অৰ্পণ কৰা হয়। উল্লেখ্য যে সুদীৰ্ঘকালৰ অন্তৰ্গত পুনৰ কাৰ্যক্ষম হোৱা এই কাৰ্যালয়টোত এক দিনজোৰা ৰক্তদান শিবিৰো আয়োজন কৰা হয়। বিধায়ক ৰাভাই এই ৰক্তদান শিবিৰত ভাগ লোৱা চিকিৎসক আৰু ধাত্ৰীসকলক ৰাজহুৱা সম্বৰ্ধনা জনায়। এই ৰক্তদান শিবিৰ অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত তেজপুৰস্থিত ভাৰতীয় ষ্টেট বেংকেও বিশেষ সহযোগিতা আগবঢ়ায়। প্ৰায় ৩০ গৰাকী ৰক্তদাতাই স্বেচ্ছাই ৰক্তদান কৰে শিবিৰত। উল্লেখ্য যে তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাল কৰ্তৃপক্ষই এই শিবিৰৰ সকলো কাৰিকৰী দিশ পৰিচালনা কৰে। তদুপৰি এই শিবিৰত তেজপুৰ বিশ্ববিদ্যালয়ৰ জুনিয়ৰ ৰেডক্ৰছ ভলণ্টিয়াৰসকলে স্বেচ্ছাসেৱী হিচাপে অংশগ্ৰহণ কৰে।

# তামুলপুৰত বিজেপি, ইউপিপিএলৰ চাফাই অভিযান

**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ২৭ জানুৱাৰী ঃ** নৱগঠিত তামুলপুৰ জিলাখনক এখন স্বচ্ছ আৰু প্ৰদূষণমুক্ত জিলা হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত বিভিন্ন দল-সংগঠনে পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰে এক অংশ হিচাপে গণৰাজ্য দিৱসৰ প্ৰাক্‌ক্ষণত যোৱা ২৩ জানুৱাৰীত তামুলপুৰত বিজেপি আৰু ইউপিপিএলৰ নেতা-কৰ্মীসকলে তামুলপুৰ জিলা সদৰৰ মটঙা চ'ক, গোৰেশ্বৰ চ'ক, বজাৰ চ'ক, ঘগ্ৰাচ'ক, ভেটেনাৰী চ'ক, মেডিকেল চ'ক আৰু তামুলপুৰ পুৰাণ চ'কক ধৰি বিভিন্ন স্থানত স্বচ্ছ কাৰ্যসূচী ৰূপায়ণ কৰে। উক্ত অভিযানত অংশগ্ৰহণ কৰি বিজেপি, ইউপিপিএলৰ নেতা-কৰ্মীসকলে অদূৰ ভৱিষ্যতে তামুলপুৰখনক স্বচ্ছ আৰু পৰিষ্কাৰ কৰি ৰখাৰ অংগীকাৰ কৰে। উক্ত কাৰ্যসূচীত তামুলপুৰ সমষ্টিৰ বিধায়ক জলেন দৈমাৰী, বিটিআৰৰ পৰ্যটন বিভাগৰ সদস্য ধৰ্মনাৰায়ণ দাস, মনোনীত এমচিএলএ হেমন্ত কুমাৰ ৰাভাৰ লগতে বিজেপি আৰু ইউপিপিএলৰ নেতা-কৰ্মীসকলে অংশগ্ৰহণ কৰে।

# মাজুলীৰ সুদক্ষ দৰ্জী জীৱকান্ত বৰাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**কমলাবাৰী, ২৭ জানুৱাৰী ঃ** কমলাবাৰী মৌজাৰ, চামগুৰি সত্ৰ নিবাসী সৰবৰহী ধৰ্মপ্ৰাণ ব্যক্তি, সুদক্ষ দৰ্জী জীৱকান্ত বৰা (৯৩)ৰ যোৱা ২৫ জানুৱাৰীত পুৱা বাৰ্ধক্যজনিত কাৰণত নিজা বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। সত্ৰাধিকাৰৰ পৰা ভকত বৈষ্ণৱ, বিবাহৰ বৰ, গায়ন-বায়নৰ সাজ আদিৰ লগতে পুৰণি পৰম্পৰাগত সাজ-পোছাক নিৰ্মাণত সিদ্ধহস্ত, অতি অমায়িক ব্যক্তিজনৰ শিক্ষাগত অৰ্হতা থকা সত্ত্বেও চৰকাৰী চাকৰিৰ আশা নকৰি নিজকে মাজুলীৰ দক্ষ দৰ্জীৰূপে প্ৰতিষ্ঠা কৰিছিল। প্ৰধানকৈ পাঞ্জাৱী চোলা আৰু কুৰ্তা চিলোৱাত পাৰ্গত বৰাৰ হাতৰ কাম মাজুলীৰ প্ৰায়সকল লোকৰ ঘৰে ঘৰে আছে। অতি সময় সচেতন লোকজনে নিজ ঘৰৰ পৰা প্ৰায় ১৪ কিলোমিটাৰ দূৰত্বৰ কমলাবাৰীত নিজৰ ব্যৱসায়িক প্ৰতিষ্ঠান খুলি চাইকেলেৰে দৈনিক অহা-যোৱা কৰিছিল। কালি পুৱা তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে গুণমুগ্ধৰ মাজত শোকৰ ছাঁ পৰিছে। কমলাবাৰী ব্যৱসায়ী সন্থা, ৰাৱনাপাৰ ব্যৱসায়ী সন্থা, চামগুৰি ব্যৱসায়ী সন্থা, চামগুৰি সত্ৰ পৰিচালনা সমিতিয়ে শোকসভা অনুষ্ঠিত কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। মৃত্যুৰ সময়ত তিনি পুত্ৰ আৰু এগৰাকী কন্যাক এৰি যায়।

# তিনিচুকীয়া জিলাৰ চাৰিজনলৈ আৰক্ষী পদক

**ডুমডুমা ঃ ২৭ জানুৱাৰী ঃ** তিনিচুকীয়া জিলাৰ চাৰিজন আৰক্ষীৰ কনিষ্ঠবলে আৰক্ষী পদক লাভ কৰিছে। এই পদক লাভ কৰাসকল হ'ল কনিষ্ঠবল হীৰেন হাজৰিকা (এ বি), বুলন গোহাঁই (ইউ বি), আলোক পাল (ইউ বি) আৰু জগত তামাং (এ বি)। কনিষ্ঠবল হাজৰিকা পুলিচ ৰিজাৰ্ভত কৰ্মৰত আৰু পাল ডি এছ বি শাখাত কৰ্মৰত। ইয়াৰ বিপৰীতে কনিষ্ঠবল গোহাঁই আৰু তামাং তিনিচুকীয়া জিলা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত কৰ্মৰত।

# অংগনৱাড়ী কৰ্মীৰ মাহেকীয়া বৈঠকত ধপাত নিয়ন্ত্ৰণৰ সজাগতা সভা অনুষ্ঠিত



**ষ্টাফ ৰিপৰ্টাৰ**
**যোৰহাট, ২৭ জানুৱাৰী ঃ** অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ যোৰহাট জিলা কাৰ্যালয়ৰ অধীনস্থ সংহত শিশু উন্নয়ন প্ৰকল্প উত্তৰ-পশ্চিম যোৰহাটৰ সৰুচৰাই ক্লাষ্টাৰৰ ২৮টা অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মীৰ মাহেকীয়া বৈঠক গৰুমৰাৰ ডৰিকামাৰি অংগনৱাড়ী কেন্দ্ৰৰ আমন্ত্ৰণত যোৱা ২৫ জানুৱাৰীত ধপাত নিয়ন্ত্ৰণৰ এখন সজাগতা অনুষ্ঠিত হয়। মুখ্য সেৱীকা সুমিত্ৰা চুতীয়াই আৰম্ভ কৰা বৈঠকত যোৰহাট জিলা ধপাত নিয়ন্ত্ৰণ কোষৰ মনোবিজ্ঞানী দীপ্তি শইকীয়াই ধপাত সেৱনৰ বাবে মানৱ শৰীৰত হোৱা ৰোগ, ক্ষতি আৰু ধপাত সেৱনৰ পৰা বিৰত থকাৰ উপায়, আইন আদিৰ সম্পৰ্কত ব্যাখ্যা কৰে। গৰুমৰা হাইস্কুলৰ পৰা অৱসৰ গ্ৰহণ কৰা প্ৰধান শিক্ষক দুৰ্লভ চন্দ্ৰ বৰা, পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ সভাপতি ৰমেন শইকীয়াই বক্তব্য আগবঢ়োৱা বৈঠকত উপস্থিত থকাসকলক ধপাত নিয়ন্ত্ৰণ কোষে প্ৰকাশ কৰা একোখনকৈ পুস্তিকা প্ৰদান কৰে। ৰান্ধনীজানত জীৱিকা সখী চিত্ৰাৱতী নাথৰ আমন্ত্ৰণত আন এখন সজাগতা সভা অনুষ্ঠিত হয়। অঞ্চলটোৰ আত্মসহায়ক গোট আৰু গ্ৰাম্য সংগঠনৰ স'তে উপস্থিত থকা সভাত যোৰহাট জিলা ধপাত নিয়ন্ত্ৰণ কোষৰ মনোবিজ্ঞানী দীপ্তি শইকীয়াই ধপাত সেৱনৰ বাবে মানৱ শৰীৰত হোৱা ৰোগ, ক্ষতি আৰু ধপাত সেৱনৰ পৰা বিৰত থকাৰ উপায়, আইন আদিৰ সম্পৰ্কত ব্যাখ্যা কৰে। সভাত ৰমেন শইকীয়াইও এষাৰ কয়। সৃষ্টিৰ কৰ্মকৰ্তাৰ লগতে ৰাইজৰ দ্বাৰা প্ৰতিষ্ঠিত-পৰিচালিত অনুষ্ঠানৰ স'তেও জড়িতসকল উপস্থিত আছিল। উল্লেখ্য, যোৰহাট জিলা ধপাত নিয়ন্ত্ৰণ কোষে জিলাখনৰ গাঁওসমূহত সজাগতা সভা অনুষ্ঠিত কৰি আছে।

# ডিগবৈ আঞ্চলিক জাতীয়তাবাদী যুৱ-ছাত্ৰৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা



**ডিগবৈ, ২৭ জানুৱাৰী ঃ** অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ মৰ্মে প্ৰতিখন আঞ্চলিক সমিতিৰ লগতে ডিগবৈ আঞ্চলিক সমিতিয়েও নিজা কাৰ্যালয়তে বৰ্ধিত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰে। ডিগবৈ আঞ্চলিক সমিতিৰ সম্পাদক মথুৰ দাসে আঁত ধৰা সভাত সভাপতিত্ব কৰে সভাপতি শৰৎ চন্দ্ৰ তালুকদাৰে। সভাখনত তিনিচুকীয়া জিলা সমিতিৰ উপ-সভাপতি যদু সোণোৱালসহ ডিগবৈ আঞ্চলিক সমিতিৰ লগতে ডিগবৈ আঞ্চলিক সমিতিৰ অন্তৰ্গত সকলো শাখাৰ সভাপতি, সাধাৰণ সম্পাদক উপস্থিত থাকে। কাৰ্যনিৰ্বাহক সভাত সকলো শাখা সমিতিসমূহৰ সাংগঠনিক দিশ সুদৃঢ় কৰাৰ বিষয়ে আলোচনা কৰা হয়। লগতে বৰ্ধিত কাৰ্যনিৰ্বাহক সভাত প্ৰতিখন শাখাই আগন্তুক দিনত নিজ নিজ অঞ্চলত খেল-ধেমালি আদিকে ধৰি শৈক্ষিক সামাজিক অনুষ্ঠান আয়োজন কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰে। প্ৰতিখন শাখাই তিনিমাহৰ মূৰে মূৰে কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰে। এই সভাতেই ডিগবৈ বিভিন্ন প্ৰান্তৰ কে'বাজনো যুৱকে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদত যোগদান কৰে।

# কামৰূপ জিলাত ৰাষ্ট্ৰীয় ভোটাৰ দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**
**উত্তৰ গুৱাহাটী, ২৭ জানুৱাৰীঃ** ৰাজ্যৰ অন্যান্য জিলাসমূহৰ লগতে কামৰূপ জিলাতো যোৱা ২৫ জানুৱাৰীত দ্বাদশ ৰাষ্ট্ৰীয় ভোটাৰ দিৱস উদ্‌যাপন কৰা হয়। ভাৰতৰ নিৰ্বাচন আয়োগৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি বিশেষকৈ নতুন ভোটাৰসকলক নিৰ্বাচনী প্ৰক্ৰিয়াৰ প্ৰতি সজাগ কৰাৰ উদ্দেশ্যে যোৱা ২০১১ বৰ্ষৰ পৰা পালন কৰি অহা ৰাষ্ট্ৰীয় ভোটাৰ দিৱসৰ এইবাৰৰ মূল বাণী হ'ল 'নিৰ্বাচনক অন্তৰ্ভুক্তিমূলক, সহজলভ্য আৰু অংশগ্ৰহণমূলক কৰা'। কামৰূপ জিলা উপায়ুক্তৰ কাৰ্যালয় সভাকক্ষত জিলা উন্নয়ন আয়ুক্ত নৰসিং বে'ৰ সভাপতিত্বত আয়োজিত ৰাষ্ট্ৰীয় ভোটাৰ দিৱসৰ অনুষ্ঠানত মুখ্য অতিথি ৰূপে উপস্থিত থাকি এই বাণী সন্দৰ্ভত মূল বক্তব্য প্ৰদান কৰে দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক মানস প্ৰতীম বৰুৱাই। ভাষণ প্ৰসংগত বৰুৱাই নিৰ্বাচন আয়োগৰ প্ৰতিষ্ঠা কালৰ পৰা বৰ্তমানলৈ এই ৭২ বছৰীয়া পৰিক্ৰমাৰ বিষয়ে বিশদভাৱে অৱলোকন কৰে। তেওঁ কয় যে মুখ্য নিৰ্বাচন আয়ুক্ত টি এন শেষানৰ কাৰ্যকালত ভাৰতৰ নিৰ্বাচন আয়োগে জনমানসত বিশেষ প্ৰতিষ্ঠা লাভ কৰিছিল। তেওঁ লগতে কয় যে দেশৰ যুৱ প্ৰজন্মই সন্মিলিত প্ৰচেষ্টাৰে আৰু সঠিক দিশেৰে আগবাঢ়ি আহিলে যিকোনো ক্ষেত্ৰতে ভবা ধৰণে ৰূপান্তৰ ঘটাবলৈ সক্ষম হ'ব। সেয়ে ভাৰতৰ নিৰ্বাচনী প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰি দেশৰ উন্নয়নত অৰিহণা যোগাবৰ বাবে আগবাঢ়ি আহিবলৈ তেওঁ যুৱ প্ৰজন্মৰ প্ৰতিনিধিসকলক আহ্বান জনায়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি জিলা উন্নয়ন আয়ুক্ত নৰসিং বে'য়ে কয় যে নিৰ্বাচন স্বচ্ছ আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰিবলৈ নিৰ্বাচন আয়োগে বিশেষ ব্যৱস্থা গ্ৰহণ কৰে। এই সম্পৰ্কে সজাগ কৰাৰ বাবেই ৰাষ্ট্ৰীয় ভোটাৰ দিৱস পালন কৰা হয়। তেওঁ আৰু কয় যে নাগৰিক হিচাপে অধিকাৰ সাব্যস্ত কৰাৰ লগে লগে কৰ্তব্য পালনতো সকলোৱে গুৰুত্ব দিব লাগে। ভোটদানৰ দৰে দেশৰ সামগ্ৰিক উন্নয়নৰ গতিধাৰা নিৰ্ধাৰণ কৰিব পৰা অধিকাৰ তথা সুনাগৰিকৰ কৰ্তব্য পালন কৰাৰ বাবেও বিশেষভাৱে যুৱ প্ৰজন্মৰ প্ৰতি তেওঁ আহ্বান জনায়। অনুষ্ঠানত ভোটাৰ দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা ৰচনা প্ৰতিযোগিতা আৰু ফুটবল প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগীসকলক প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। এই সভাতে জিলাখনৰ শ্ৰেষ্ঠ বি এল অ' দুগৰাকীক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। আনহাতে, জিলাখনৰ বিভিন্ন মহাবিদ্যালয়ৰ পৰা মনোনীত কৰা নিৰ্বাচনী এম্বেছাদৰসকলক নিৰ্বাচন আয়োগৰ তৰফৰ পৰা আগবঢ়োৱা বিশেষ বেজ প্ৰদান কৰা হয়। তদুপৰি অনুষ্ঠানত নতুনকৈ নাম অন্তৰ্ভুক্ত কৰা দুগৰাকী ভোটাৰক ফটোযুক্ত ভোটাৰ পৰিচয়পত্ৰ প্ৰদান কৰা হয়। এই দিৱসৰ কাৰ্যসূচীত নিৰ্বাচনী বিষয়া মানসজ্যোতি বৰা, কামৰূপ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়া, জিলা তথ্য আৰু জনসংযোগ বিষয়া মঞ্জু ৰাণী ডেকাকে ধৰি বিভিন্ন শিক্ষা প্ৰতিষ্ঠানৰ শিক্ষক আৰু নতুন ভোটাৰসকল উপস্থিত থাকে।

# গিবনক পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়াৰ আহ্বান

## মৰিয়নি প্ৰেছ ক্লাবৰ উদ্যোগত ৰাষ্ট্ৰীয় পৰ্যটন দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**
**মৰিয়নি. ২৭ জানুৱাৰীঃ** ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিয়া মৰিয়নি প্ৰেছ ক্লাবৰ বৰ্ষজোৰা কাৰ্যসূচীৰ অংশস্বৰূপে যোৱা ২৫ জানুৱাৰীত প্ৰেছ ক্লাবৰ উদ্যোগত ৰাষ্ট্ৰীয় পৰ্যটন দিৱস উদ্‌যাপন কৰা হয় । মৰিয়নিৰ মেলেঙৰ গিবন ইক কেম্পৰ সহযোগত হোলোঙাপাৰ গিবন অভয়াৰণ্যৰ দাঁতিত অনুষ্ঠিত এই পৰ্যটন দিৱসত যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈ, মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী আদিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানটোত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি সাংসদ গগৈয়ে গিবন অভয়াৰণ্যখনক লৈ মৰিয়নি প্ৰেছ ক্লাবে ৰাষ্ট্ৰীয় পৰ্যটন দিৱসৰ আয়োজন কৰা কাৰ্যক প্ৰশংসা কৰি কয়। অসমৰ মানুহৰ স্বাভিমান আছে । পৰ্যটনৰ ক্ষেত্ৰত অসম বহু আগবঢ়া । কেতবোৰ বিশেষ কাৰণত অসমৰ পৰ্যটন ক্ষেত্ৰখন ভবাৰ দৰে আগবাঢ়ি যাব পৰা নাছিল যদিও শেহতীয়াকৈ চৰকাৰে বহু পদক্ষেপ গ্ৰহণ কৰিছে । 'তেওঁ লগতে কেন্দ্ৰীয় চৰকাৰেও অসমৰ পৰ্যটন ক্ষেত্ৰৰ উন্নয়নৰ বাবে সহযোগিতা আগবঢ়োৱাৰ কথা উল্লেখ কৰে। মৰিয়নি সমষ্টিৰ বিভিন্ন পৰ্যটন ক্ষেত্ৰসমূহৰ আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত সকলো ধৰণৰ সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। আনহাতে, মৰিয়নি প্ৰেছ ক্লাবে সাংসদ গগৈক এক স্মাৰকপত্ৰ প্ৰদান কৰি সমস্যাসমূহ সমাধানৰ বাবে আহ্বান জনায় । স্মাৰকপত্ৰত প্ৰেছ ক্লাবে গিবন অভয়াৰণ্যৰ আন্তঃগাঁথঠনি উন্নয়ন কৰা, দেশী-বিদেশী পৰ্যটক থাকিব পৰাকৈ আধুনিক আৰু অধিক কোঠাৰ ব্যৱস্থা থকা এটা অতিথিশালা নিৰ্মাণ কৰা, অভয়াৰণ্যখনত পৰ্যাপ্ত বনৰক্ষীৰ নিযুক্তি দিয়া, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দৰে গিবনতো অধিক বনকৰ্মী নিয়োগ কৰি অভয়াৰণ্যৰ লগতে তাৰ জীৱ-জন্তুৰ জীৱন ৰক্ষা কৰাৰ ব্যৱস্থা কৰা, গিবন অভয়াৰণ্যলৈ সোমাই যোৱা পথত



আদৰণি তোৰণৰ ব্যৱস্থা কৰাকে ধৰি বহুকেইটা সমস্যা সমাধানৰ আহ্বান জনায় । স্মাৰকপত্ৰত মৰিয়নি সমষ্টিৰ গিবন অভয়াৰণ্যৰ লগতে প্ৰচুৰ সম্ভাৱনা থকা গিবন অভয়াৰণ্যৰ কাষৰীয়া দিছৈ ভেলী, ঐতিহাসিক গাভৰু পৰ্বত, গোমধৰ কোঁৱৰ ক্ষেত্ৰ আদিক লৈ এক পৰ্যটন ক্ষেত্ৰ গঢ়ি তুলিবলৈও আহ্বান জনায়। সাংসদ গগৈয়ে এই ক্ষেত্ৰত সোনকালেই ব্যৱস্থা গ্ৰহণৰ আশ্বাস প্ৰদান কৰাৰ উপৰি লোকসভাৰ অধিৱেশনৰ সময়ত গিবন অভয়াৰণ্যৰ উন্নয়নৰ সম্পৰ্কে কেন্দ্ৰীয় পৰ্যটন আৰু পৰিৱেশ মন্ত্ৰীৰ স'তে আলোচনা কৰিব বুলিও কয়। তাৰ বাবে ইতিমধ্যে গিবন অভয়াৰণ্যৰ সম্পৰ্কত এক প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ মৰিয়নিৰ বনাঞ্চলিক বিষয়াক সাংসদ গগৈয়ে আহ্বান জনায়। সাংসদগৰাকীক গিবন ইক কেম্প আৰু স্থানীয় মহিলাসকলেও সুকীয়াকৈ স্মাৰকপত্ৰ প্ৰদান কৰে। বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে বিলুপ্তপ্ৰায় হলৌ বান্দৰক সুৰক্ষা দিয়াৰ লগতে গিবন অভয়াৰণ্যক এখন লেখত ল'বলগীয়া অভয়াৰণ্য হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত সকলো সহযোগিতা আগবঢোৱাৰ আশ্বাস প্ৰদান কৰে । দিব্যজ্যোতি শইকীয়াই আঁত ধৰা অনুষ্ঠানটোত গিবন অভয়াৰণ্যৰ স'তে জড়িত হৈ থকা মুঠ ১১ গৰাকী টুৰিষ্ট গাইডক প্ৰেছ ক্লাব আৰু গিবন ইক কেম্পৰ তৰফৰ পৰা চেলেং চাদৰেৰে সন্মান জনোৱাৰ লগতে একোটিকৈ থাৰ্মু ফ্লাক্স প্ৰদান কৰা হয়। অনুষ্ঠানটোত মৰিয়নিৰ বনাঞ্চলিক বিষয়া অনিমেষ কলিতা, মেলেং খণ্ড বন বিষয়া কাৰ্যালয়ৰ খণ্ড বন বিষয়া বন্দন দুৱৰী, মৰিয়নি প্ৰেছ ক্লাবৰ সভাপতি জীৱন চন্দ্ৰ দত্ত, ঠেঙাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ চামগুৰি সমষ্টিৰ নিৰ্বাচিত সদস্য পুলক কছাৰী, মৰিয়নি ই-মিডিয়া সন্থাৰ সম্পাদক প্ৰাঞ্জল পাওগাম, গিবন ইক কেম্পৰ জয়ন্তজ্যোতি শৰ্মা আৰু পিনাকপাণি বৰঠাকুৰ, সমাজকৰ্মী, শিক্ষাবিদ নেকিবুল ইছলাম, ৰতন সিং, পুলিন সন্দিকৈ, জ্যেষ্ঠ সংবাদকৰ্মী দীপক দত্ত, নিত্যানন্দ দাস, ৰমেশ আগৰৱালা, দীপক দত্ত (জোন), ৰাজীৱ কৰ্মকাৰ, সপোন ৰহমান শইকীয়া, কৃষ্ণ শৰ্মা, বীৰেন তাঁতী, গৌৰৱ চুতীয়া, ৰিতুৰাজ গগৈ আদি উপস্থিত থাকে। অনুষ্ঠানটোত কিছু সময়ৰ বাবে যোৰহাটৰ উপায়ুক্ত অশোক কুমাৰ বৰ্মনো উপস্থিত থাকে। আজিৰ অনুষ্ঠানটোৰ পাছত মৰিয়নিৰ পৰ্যটন ক্ষেত্ৰখনে এক ইতিবাচক সঁহাৰি লাভ কৰিব বুলি আশা কৰা হৈছে ।

# চুক্তিৰ দফা ৰূপায়ণ হ'লে বিটিআৰৰ পৰিৱেশ সলনি হ'ব



অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ২৭ জানুৱাৰী ঃ** কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু বড়ো সংগ্ৰামী সংগঠনৰে অনুষ্ঠিত ত্ৰিপাক্ষিক বৈঠকত বিগত ২০২০ৰ ২৭ জানুৱাৰীত সম্পাদিত বিটিআৰ চুক্তিখনৰ আজি দ্বিতীয় বৰ্ষপূৰ্তি অনুষ্ঠিত হয়। এই উপলক্ষে আজি বাগ্‌সাৰ বিভিন্ন প্ৰান্তত উক্ত দিৱসটো পালন কৰা হয়। জিলাখনৰ লক্ষীবজাৰৰ মাউজীগেন্দ্ৰীত এবছুৰ বাগ্‌সা জিলা সমিতিৰ উদ্যোগত এই চুক্তি দিৱস পালন কৰা হয়। ক'ভিড বিধিৰ মাজেৰে এই উপলক্ষে বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ স্মৃতিসৌধত পুষ্পাৰ্ঘ্য আৰু মাল্যাৰ্পণ কৰে বাগ্‌সা জিলা এবছুৰ উপদেষ্টা বিজয় সৌমখৌৰ বসুমতাৰীয়ে। লগতে বড়োলেণ্ড আন্দোলনৰ ছহিদৰ প্ৰতিকৃতিত মাল্যাৰ্পণ কৰে বৰপেটা জিলা এবছুৰ প্ৰাক্তন সভাপতি হিটলাৰ বড়োৱে। ইয়াৰ পাছত স্মৃতিৰোমন্থন সভাত এবছুৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক খনিন্দ্ৰ বসুমতাৰীয়ে চুক্তিৰ দুবছৰীয়া দীৰ্ঘ পৰিক্ৰমা ব্যাখ্যা কৰে। এই চুক্তিৰ দফাবোৰ ৰূপায়ণ হ'লে বিটিআৰৰ পৰিৱেশ সলনি হ'ব বুলি তেওঁ কয়। চুক্তি ৰূপায়ণত আজি এবছু সন্তুষ্ট বুলি কয়। উক্ত সভাত এবছুৰ বাগ্‌সা জিলা সমিতিৰ সভাপতি উমেশ দৈমাৰী, সাধাৰণ সম্পাদক নন্দেশ্বৰ বড়োকে ধৰি আন বহুতো লোকে অংশগ্ৰহণ কৰে। জিলা সদৰ মুছলপুৰ ইউ পি পি এলৰ কাৰ্যালয়তো এই দিৱসটো পালন কৰা হয়। এই উপলক্ষে দলৰ পতাকা উত্তোলন কৰে ইউ পি পি এলৰ বাগ্‌সা জিলাৰ সভাপতি তথা বিটিআৰৰ অধ্যক্ষ কাতিৰাম বড়োৱে। ইপিনে, ছহিদ তৰ্পণ কৰে বৰমা সমষ্টিৰ বিধায়ক ভূপেন বড়োৱে। ইয়াৰ পাছতে দলৰ বাগ্‌সা জিলাৰ সাধাৰণ সম্পাদক দয়াল শৰণীয়াই আঁত ধৰা সভাত অংশগ্ৰহণ কৰে মন্ত্ৰী ইউ জি ব্ৰহ্মই। তেওঁ চুক্তি অনুপাতে পৰ্যায়ক্ৰমে সকলো দফা পূৰণ কৰা হ'ব বুলি আশ্বাস দিয়ে। ইয়াৰ পূৰ্বে পাৰ চৰাই মুকলি কৰি দিয়ে ই এম ৰাকেশ ব্ৰহ্মই। ইফালে, মুছলপুৰৰ সমীপৱৰ্তী ভালুকদোঙাতো ইউ পি পি এলৰ কাৰ্যালয়ত এই দিৱসটো পালন কৰা হয়। ইয়াত মুখ্য অতিথিৰূপে অংশ লয় ই এম ৰাকেশ ব্ৰহ্মই।

# অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী সূৰ্যপ্ৰভা শইকীয়াৰ বিয়োগ

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২৭ জানুৱাৰী ঃ** অবিভক্ত শোণিতপুৰৰ বিদ্যায়তনিক ক্ষেত্ৰখনৰ লগতে সামাজিক ক্ষেত্ৰখনলৈ অৱদান আগবঢ়াই যোৱা বিদুষী মহিলা সূৰ্যপ্ৰভা শইকীয়া (৮৯)ৰ কালি পুৱা ১০.১৬ত বাৰ্ধক্যজনিত কাৰণত তেজপুৰত বিয়োগ ঘটে। ১৯৩৩ত চতিয়া নিবাসী শিক্ষক ধনীৰাম শইকীয়াৰ ঔৰসত জন্ম লাভ কৰা সূৰ্যপ্ৰভা শইকীয়া অতি মেধাৱী আছিল আৰু চতিয়া হাইস্কুলৰ পৰা ১৯৫২ত মেট্ৰিক পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। পঢ়াৰ প্ৰতি অতি ধাউতি থকা মহিলাগৰাকীয়ে ইয়াৰ পাছত তেজপুৰৰ দৰং মহাবিদ্যালয়ত আই এ শাখাত নামভৰ্তি কৰি সুখ্যাতিৰে আই এ পৰীক্ষাতো উত্তীৰ্ণ হৈ একেখন মহাবিদ্যালয়ত বি এত নামভৰ্তি কৰে। বি এ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত শিক্ষকতাক বৃত্তি হিচাপে নিৰ্বাচন কৰা শইকীয়াই বিশ্বনাথ চাৰিআলিৰ ছোৱালী হাইস্কুলত সহকাৰী প্ৰধান শিক্ষয়িত্ৰী ৰূপে যোগদান কৰে। কিছু বছৰ পাছত তেওঁ বিশ্বনাথ হাইস্কুলৰ শিক্ষক পুণ্যপ্ৰসাদ শইকীয়াৰ স'তে বিবাহপাশত আবদ্ধ হয়। বিশ্বনাথত তেওঁ কাৰ্যনিৰ্বাহ কৰি থকাৰ সময়তে চতিয়াতো এখন ছোৱালী হাইস্কুল স্থাপনৰ বাবে ৰাইজে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই স্বামীৰ স'তে একেলগে বিশ্বনাথ চাৰিআলিৰ বিদ্যালয়ৰ পৰা ইস্তফা দি চতিয়াৰ ছোৱালী হাইস্কুলত যোগদান কৰে। উল্লেখ্য যে ইয়াত দুয়ো ক্ৰমে প্ৰধান শিক্ষক আৰু সহকাৰী প্ৰধান শিক্ষয়িত্ৰীৰ দায়িত্ব লৈ ইয়াৰ পৰাই অৱসৰ গ্ৰহণ কৰে। এই সময়ছোৱাত চতিয়াৰ নৰ্মাল ৰ'ডত স্থায়ীভাৱে থাকিবলৈ লোৱা শিক্ষয়িত্ৰী গৰাকীয়ে স্বামীৰ লগতে বিভিন্ন সামাজিক কাম-কাজতো জড়িত হৈ পৰে। তেওঁ এইখিনি সময়ত লিখা-মেলাও কৰিবলৈ লয়। স্বামীৰ বিয়োগৰ পাছত পাছত বৰপুত্ৰৰ স'তে তেজপুৰৰ গৰোৱানপট্টিত থাকিবলৈ লয়। বাৰ্ধক্যজনিত কাৰণত যোৱা কিছুদিন ধৰি শাৰীৰিক অসুস্থতাত ভোগা মহিলাগৰাকীয়ে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰিছিল যদিও কালি পুৱা তেওঁৰ বৰপুত্ৰৰ বাসভৱনতে মৃত্যু হয়। তেওঁৰ অন্ত্যেষ্টিক্ৰিয়া তেজপুৰতে সম্পন্ন কৰা হয়। মৃত্যুৰ সময়ত তেওঁ দুই পুত্ৰ এৰি যায়।

# অৱসৰপ্ৰাপ্ত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক, প্ৰাক্তন খেলুৱৈ কোষেশ্বৰ চুতীয়াৰ মৃত্যু



অগ্ৰদূত বাৰ্তা

**মৰাণ ঃ ২৭ জানুৱাৰী ঃ** ডিব্ৰুগড় জিলাৰ অন্তৰ্গত মৰাণ ডোমৰ দলং মাজবিল গাঁৱৰ নিবাসী জ্যেষ্ঠ নাগৰিক, অৱসৰপ্ৰাপ্ত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক তোষেশ্বৰ চুতীয়া (৮৪)ৰ বাৰ্ধক্যজনিত কাৰণত কালি পুৱা ৬-৪৫ বজাত নিজ বাসগৃহত মৃত্যু হয়। অঞ্চলটোৰ অন্যতম শিক্ষানুষ্ঠান বৰপথাৰ উচ্চ মাধ্যমিক বিদ্যালয়ত অৱসৰপ্ৰাপ্ত প্ৰতিষ্ঠাপক শিক্ষক, আজীৱন শিক্ষাব্ৰতী, সাহিত্য-সংস্কৃতিৰ নিষ্ঠাৱান সেৱক, প্ৰাক্তন ফুটবল খেলুৱৈ, সমাজসেৱক চুতীয়া মৰাণৰ বৃহত্তৰ বৰপথাৰ অঞ্চলত শিক্ষাৰ জ্যোতি বিলাই এটা পোহৰৰ অক্ষয় উৎস হিচাপে পৰিচিত আছিল। ১৯৯৬ত বৰপথাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা প্ৰধান শিক্ষকৰূপে অৱসৰ লৈ ২০১৩ত জাতীয় বিদ্যালয়ৰ আৰ্হিত প্ৰতিষ্ঠা কৰা বাল্য বিকাশ বিদ্যালয়ত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক হিচাপে যোগদান কৰি ২০১৬ত উক্ত দায়িত্বৰ পৰা অব্যাহতি লয়। তেওঁৰ শেষ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত মাজবিল কুৰি সমাজ, মাজবিল পুথিভঁৰাল, বৰপথাৰ উচ্চ মাধ্যমিক বিদ্যালয়, বাল্য বিকাশ বিদ্যালয়, ডোমৰ দলং শাখা সাহিত্য সভা, মৰাণ মহকুমা সাংবাদিক মঞ্চ, সাহিত্য চৰ্চাৰ অনুষ্ঠান জোনাকী মেল, ডিব্ৰুগড় জাতীয় বিদ্যালয় সমন্বয় সমিতি, ডিব্ৰুগড় জিলা চুতীয়া জাতি সন্মিলন, অসম গণ পৰিষদ, ৰাইদাং আঞ্চলিক ৰাস সমিতি, তিলৈ গাঁও পঞ্চায়ত, নলনীবাম মজলীয়া বিদ্যালয়, চামগুৰি কুৰি সমাজকে ধৰি অৰ্ধশতাধিক অনুষ্ঠান-প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰে। কেইবছৰমানৰ পূৰ্বে জ্যেষ্ঠ পুত্ৰৰ মৃত্যু হোৱা চুতীয়াই মৃত্যুৰ সময়ত পত্নীৰ উপৰি দুজন পুত্ৰ, তিনি বোৱাৰী এৰি যায়।

# জাগীৰোড মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় ভোটাৰ দিৱস পালন

অগ্ৰদূত বাৰ্তা

**জাগীৰোড, ২৭ জানুৱাৰী ঃ** সমগ্ৰ দেশৰ লগতে জাগীৰোড মহাবিদ্যালয়ত আভ্যন্তৰীণ মান নিৰূপণ কোষৰ উদ্যোগত যোৱা ২৫ জানুৱাৰীত ৰাষ্ট্ৰীয় ভোটাৰ দিৱস পালন কৰা হয়। কোষৰ সমন্বয়ক ড° উৎপল ৰজগুৰুৱে আঁত ধৰা সভাখনত উপাধ্যক্ষ ৰুদ্ৰ কুমাৰ দাসে ছাত্ৰ-ছাত্ৰীসকলক অনুষ্ঠানৰ আৰম্ভণিতে বিষয় সন্দৰ্ভত বিতং বিৱৰণ দাঙি ধৰাৰ লগতে দিনটোৰ তাৎপৰ্য ব্যাখ্যা আগবঢ়ায়। এই উপলক্ষে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত নিৰ্বাচনী ব্যৱস্থাত 'ইলেকট্ৰনিক ভোটিং মেচিনৰ ভূমিকা' বিষয়ত ঠাইতে লিখা ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই ৰচনা প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ তৃতীয় ষাণ্মাসিকৰ কলা শাখাৰ ছাত্ৰ ব্ৰজ মোহন দাসে প্ৰথম স্থান, প্ৰথম ষাণ্মাসিকৰ ছাত্ৰী চয়ানিকা চৌধুৰীয়ে দ্বিতীয় স্থান আৰু পঞ্চম ষাণ্মাসিকৰ ছাত্ৰ অশোক দাসে তৃতীয় স্থান লাভ কৰে। অনুষ্ঠানৰ শেষত বঁটা আৰু মানপত্ৰসমূহ প্ৰদান কৰা হয়।

## নগাঁৱত সদৌ অসম হাইস্কুল চৰকাৰী টিউটৰ সন্থা গঠন

# টিউটৰৰ পৰা শিক্ষকৰ মৰ্যাদা প্ৰদানৰ বাবে চৰকাৰৰ ওচৰত দাবী উত্থাপন

বিশেষ সংবাদদাতা

**নগাঁও ঃ ২৭ জানুৱাৰী ঃ** যোৱা বছৰত তদানীন্তন শিক্ষামন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দীৰ্ঘদিনে অপ্ৰাদেশীকৃত বিদ্যালয়সমূহ প্ৰাদেশিকীকৰণ কৰি ৰাজ্যৰ শৈক্ষিক ক্ষেত্ৰৰ বাবে এক বিশেষ পদক্ষেপ গ্ৰহণ কৰিছিল। এনে প্ৰাদেশীকৃত বিদ্যালয়সমূহত কিছু সংখ্যকক শিক্ষক আৰু কিছু সংখ্যকক টিউটৰ হিচাপে নিযুক্তি প্ৰদান কৰিছিল। বিগত প্ৰায় এটা বছৰ পাৰ হৈ যোৱাত নিযুক্তিপ্ৰাপ্ত চৰকাৰী টিউটৰসকলে শিক্ষকৰ মৰ্যাদা লাভ নকৰাৰ পৰিপ্ৰেক্ষিতত যোৱা ২৩ জানুৱাৰীত নগাঁও জিলাৰ লাচিত বৰফুকন উচ্চ মাধ্যমিক বিদ্যালয়ত 'সদৌ অসম হাইস্কুল চৰকাৰী টিউটৰ সংস্থা' নামেৰে এটি সংস্থা গঠন হৈ যায়। উক্ত সাধাৰণ সভাখনিত নগাঁও, মৰিগাঁও, যোৰহাট, শোণিতপুৰ, মাজুলী, গোৱালপাৰা, ধেমাজি কাৰ্বি আংলং, গোলাঘাট, কামৰূপ মেট্ৰো, কামৰূপ গ্ৰাম্য আদি জিলাৰ শিক্ষকৰ প্ৰতিনিধিসকল উপস্থিত থাকে। উক্ত সাধাৰণ সভাত শোক প্ৰস্তাৱ গ্ৰহণৰ লগতে এখন পূৰ্ণাগ সমিতি গঠন, সংস্থাৰ উপবিধি প্ৰস্তুত, দাবী চনদ প্ৰস্তুত আদি বিভিন্ন কৰ্মপন্থাৰ ওপৰত পৰ্যালোচনাৰে সফলভাৱে সভা সমাপন হয়। সভাখনিৰ আঁত ধৰে লাচিত বৰফুকন উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিচিত্ৰ মোহন ডেকাই। লাউগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অৰুণ কুমাৰ মেধিৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত মূল্যৱান ভাষণ প্ৰদান কৰে সদ্য অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক হৰিনাৰায়ণ বৰদলৈয়ে। এনে প্ৰাদেশীকৃত শিক্ষকসকলৰ সমস্যাৰাজি চৰকাৰৰ লগত আলোচনাৰে সমাধান কৰাৰ বাবে মৰিগাঁও জিলাৰ অতুল চন্দ্ৰ ডেকাক সভাপতি, নগাঁৱৰ বিচিত্ৰ মোহন ডেকাক কাৰ্যকৰী সভাপতি, গোৱালপাৰাৰ কুলদ্বীপ দাসক সাধাৰণ সম্পাদক হিচাপে লৈ এখনি ২৫ জনীয়া পূৰ্ণাংগ সমিতি গঠন কৰা হয়। তদুপৰি ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত নিযুক্তি প্ৰাপ্ত টিউটৰসকলে উক্ত সমিতিৰ বিষয়ববীয়াৰে যোগাযোগ কৰিবলৈ সন্থাৰ তৰফৰ পৰা আহ্বান জনাইছে।

# নৱজাতকৰ মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**হোজাই, ২৭ জানুৱাৰী ঃ** হোজাইৰ বৰপুখুৰীত গণৰাজ্য দিৱসৰ দিনাই এটি দেৰশিশুৰ মৃতদেহ উদ্ধাৰ হয়। এটা কাৰ্টনৰ বাকচত উদ্ধাৰ হ'ল সদ্যোজাত শিশুটিৰ মৃতদেহটো। স্থানীয় শিশুসকলে খেলি থাকোতে বাকচটো প্ৰত্যক্ষ কৰি স্থানীয় ৰাইজে খবৰ দিয়াত আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰে।

# ট্ৰেক্টৰৰ খুন্দাত নিহত ছাত্ৰী



অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২৭ জানুৱাৰী ঃ** একাংশ ট্ৰেক্টৰৰ দৌৰাত্ম্যই সাধাৰণ পথচাৰীক শংকিত কৰিছে। তীব্ৰ বেগেৰে ট্ৰেক্টৰ চলাই সন্ত্ৰাস চলাই গৈছে উদণ্ড ট্ৰেক্টৰ চালকে। আজি দুপৰীয়া তাৰে বহিঃপ্ৰকাশ ঘটিল কঁঞা আৰক্ষী থানাৰ অন্তৰ্গত বাৰাংহাটীত। গাঁওখনৰ পূৱ বাৰাংহাটী চুবুৰিৰ ৰিয়া মচুম নামৰ পাঁচ বছৰীয়া শিশুক এটি পথৰ কাষত লগৰীয়াৰ লগত উমলি থাকোতে নম্বৰবিহীন ট্ৰেক্টৰ এখনে খুন্দিয়াই নিহত কৰে। চুবুৰিটোৰ বাসিন্দা চাইফুদ্দিন আলী আৰু ৰীণা বেগমৰ কন্যা আছিল ৰিয়া। খুন্দিওৱা ট্ৰেক্টৰখন দুধলাং গাঁৱৰ বুলি চিনাক্ত কৰিছে স্থানীয় ৰাইজে। ট্ৰেক্টৰখনে গাঁওখনলৈ মাটি কঢ়িয়াই আছিল। আজি দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছতে চালকজনে দৌৰি সেই স্থান ত্যাগ কৰে। স্থানীয় দ্য আসাম একাডেমীৰ প্ৰথম শ্ৰেণীৰ ছাত্ৰী আছিল ৰিয়া। পাছত স্থানীয় কঁঞা আৰক্ষীয়ে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে।

# অসম ভিত্তিত অনুষ্ঠিতব্য বৰগীত প্ৰতিযোগিতা স্থগিত

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ২৭ জানুৱাৰী ঃ** কলিয়াবৰৰ অন্যতম সাংস্কৃতিক অনুষ্ঠান হাটবৰ কেন্দ্ৰীয় নাট্য সমাজৰ ব্যৱস্থাপনাত ৩০ জানুৱাৰীত অনুষ্ঠিত হ'বলগীয়া বৰগীত প্ৰতিযোগিতা বৰ্তমানৰ ক'ভিডসৃষ্ট পৰিস্থিতিৰ বাবে সাময়িকভাৱে স্থগিত ৰখা হৈছে। অনুষ্ঠানৰ সভাপতি প্ৰদীপ গায়ন আৰু সম্পাদক মুৰুলী বৰাই উল্লেখ কৰে যে দেশৰ পৰিস্থিতি সাপেক্ষে পৰৱৰ্তী সময়ত প্ৰতিযোগিতাৰ দিন-বাৰ ঘোষণা কৰা হ'ব।

# পহিলা ফেব্ৰুৱাৰীৰ পৰা স্তব্ধ হ'ব গাঁও পঞ্চায়তৰ কাম-কাজ

অগ্ৰদূত বাৰ্তা

**চিনামৰা ঃ ২৭ জানুৱাৰী ঃ** গ্ৰামোন্নয়নৰ চালিকা শক্তিস্বৰূপ গাঁও পঞ্চায়তসমূহ অহা এক ফেব্ৰুৱাৰীৰ পৰা অচল হোৱাৰ সম্ভাৱনাই দেখা দিছে। জটিলতা আহিব পাৰে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইন, প্ৰধানমন্ত্ৰী আৱাস যোজনা আদি পঞ্চায়তৰ দ্বাৰা ৰূপায়িত আঁচনিবোৰৰ ক্ষেত্ৰতো। ইয়াৰ মূলতে গাঁও পঞ্চায়তসমূহত স্থায়ী কৰ্মচাৰীৰ অভাৱ। উল্লেখনীয় যে চৰকাৰে ২০০৮ৰ পৰা গাঁও পঞ্চায়তসমূহত ঠিকাভিত্তিক কৰ্মচাৰীৰ নিযুক্তিৰে বিভিন্ন উন্নয়নমূলক আঁচনিৰ কাম কৰাই আহিছে। কিন্তু এই কৰ্মচাৰীসকলে অদ্যাপি ন্যূনতম পাৰিতোষিকত কাম কৰি আছে। ঠিকাভিত্তিক কৰ্মৰত এই পঞ্চায়ত কৰ্মচাৰীসকলে বিভিন্ন সময়ত তেওঁলোকৰ দৰমহা বৃদ্ধিকে ধৰি চাকৰিৰ নিৰাপত্তাৰ দাবী জনাই আহিছে যদিও চৰকাৰ তথা সংশ্লিষ্ট বিভাগে বিভিন্ন সময়ত গা এৰা মনোভাব লৈ আহিছে। এই সন্দৰ্ভত যোৱা ২৪ জানুৱাৰীত গাঁও পঞ্চায়ত ঠিকাভিত্তিক কৰ্মচাৰী পৰিষদে বিভাগীয় আয়ুক্তক লগ কৰি পুনৰবাৰ স্মাৰকপত্ৰ প্ৰদান কৰাৰ লগতে তেওঁলোকৰ দাবীসমূহ অনতিপলমে সমাধান নকৰিলে অহা এক ফেব্ৰুৱাৰীৰ পৰা এলানি আন্দোলনৰ কাৰ্যসূচী লোৱাৰ কথা ঘোষণা কৰাৰ পাছতে আগন্তুক দিনত গাঁও পঞ্চায়তৰ কাম-কাজসমূহত বাধা অহাৰ সম্ভাৱনাই দেখা দিছে।

# লংকাত বৈদ্যুতিক তাঁৰত লাগি বন্যহস্তীৰ মৃত্যু



অগ্ৰদূত বাৰ্তা

**লংকা, ২৭ জানুৱাৰী ঃ** বনাঞ্চলৰ পৰা খাদ্যৰ সন্ধানত জনাঞ্চললৈ ওলাই অহা এটা বনৰীয়া হাতী যোৱা নিশা লংকাৰ দক্ষিণ লস্কৰপথাৰৰ ফৰমাপাৰৰ কপিলী নৈৰ মথাউৰিৰ সমীপত থকা বৈদ্যুতিক খুঁটিৰ তাঁৰত লাগি মৃত্যুক সাৱটি লয়। হাতীটোৱে কপিলী নৈৰ মথাউৰিটো পাৰ হ'ব খোজোতেই সংঘটিত হয় এই মৰ্মান্তিক ঘটনাটো। অঞ্চলটোৰ স্থানীয় ৰাইজে নিশাই বন বিভাগক খবৰ দিয়ে যদিও পলমকৈ পুৱা বন বিভাগৰ লোক উপস্থিত হয়। উল্লেখ্য যে বন বিভাগৰ গা নলৰা কাৰ্যৰ প্ৰতি স্থানীয় প্ৰতিবেশী ৰাইজে বিৰূপ মন্তব্য দাঙি ধৰে। বাতৰি লিখা সময়লৈকে কপিলী নৈৰ মথাউৰিৰ ওপৰত পৰি আছে মতা মৃত হাতীটো। স্থানীয় ৰাইজে মৃত হাতীটোক ফুল-ধূপ দি সেৱা জনায়। উল্লেখ্য যে হোজাই-কাৰ্বি আংলং সীমান্তৰ উক্ত দক্ষিণ লস্কৰপথাৰৰ ফৰমাপাৰ অঞ্চলটোত প্ৰায়েই বন্যহস্তীয়ে উপদ্ৰৱ চলায়। সেয়েহে বন বিভাগক বিহিত ব্যৱস্থা গ্ৰহণৰ আহ্বান জনাইছে স্থানীয় ৰাইজে।

# স্বাস্থ্য কেন্দ্ৰৰ কৰ্মচাৰীৰ বিয়োগ

অগ্ৰদূত বাৰ্তা

**হাউলী, ২৭ জানুৱাৰী ঃ** হাউলীৰ সামূহিক স্বাস্থ্য কেন্দ্ৰত কৰ্মৰত পৰীক্ষাগাৰত প্ৰযুক্তিবিদ মতিয়াৰ ৰহমান (৫৫)ৰ যোৱা নিশা ১১ বজাত গুৱাহাটীৰ এখন চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। তেওঁ বৃক্কৰ ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন অৱস্থাত আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ উপৰি দুজন পুত্ৰ আৰু এগৰাকী কন্যাক এৰি যায়। কৰ্মৰত পৰীক্ষাগাৰৰ প্ৰযুক্তিবিদ মতিয়াৰ ৰহমানৰ মৃত্যুত হাউলীৰ সামূহিক স্বাস্থ্য কেন্দ্ৰৰ সমূহ চিকিৎসক, কৰ্মচাৰী, হাউলীৰ সাংবাদিক দিদাৰ হুছেইন, নিতুমণি দাস, কৌশিক কমল দাস, নয়নমণি ওজা, আনিছুজ জামান, ছফিকুল ইছলামৰ লগতে বিভিন্নজনে শোক প্ৰকাশ কৰিছে।

# শীঘ্ৰে সমস্যা সমাধানৰ দাবী কোচ ৰাজবংশী সন্মিলনৰ

অগ্ৰদূত বাৰ্তা

**চিথিলা, ২৭ জানুৱাৰী ঃ** বিটিআৰ অঞ্চলত মাটি কিনা-বেচাত অসুবিধাত পৰিছে ভূমিপুত্ৰ কোচ ৰাজবংশী জনগোষ্ঠী। যি সময়ত বড়ো জনগোষ্ঠীৰ লোকসকল মাটি কিনা-বেচাত কোনো অসুবিধাৰ সন্মুখীন হোৱা নাই তেনে সময়ত বিটিআৰ অঞ্চলত ভূমিপুত্ৰ কোচ ৰাজবংশীসকল অসুবিধাৰ সন্মুখীন হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে বিভিন্ন সভা-সমিতিত বিটিআৰ অঞ্চলত মাটি কিনা-বেচাৰ সংক্ৰান্তত একো অসুবিধা নহয় বুলি দিয়া প্ৰতিশ্ৰুতি এতিয়া অসাৰ প্ৰতিপন্ন হৈছে বিটিআৰ অঞ্চলত। বৰ্তমান বিটিআৰ অঞ্চলত বসবাস কৰা কোচ ৰাজবংশী জনগোষ্ঠীৰ লোকসকলে মাটি কিনা-বেচা কৰিব পৰা নাই বুলি অভিযোগ সদৌ বিটিআৰ কোচ ৰাজবংশী সন্মিলনীৰ সভাপতি লক্ষিন্দ্ৰ ৰায়ৰ। আজি সদৌ বিটিআৰ কোচ ৰাজবংশী সন্মিলনীৰ সভাপতি লক্ষিন্দ্ৰ ৰায়ে কয় যে ভূমিপুত্ৰ কোচ ৰাজবংশীসকল এতিয়া মাটি কিনা-বেচাৰ ক্ষেত্ৰত যি ধৰণৰ অসুবিধাৰ সন্মুখীন হৈছে এই অসুবিধাৰ অলপ দিনৰ ভিতৰতে সমাধানৰ মুখ্যমন্ত্ৰী আৰু বিটিআৰ প্ৰশাসনে কৰিব লাগে। এই সমস্যা সমাধান নকৰিলে অনাগত দিনত গণতান্ত্ৰিকভাৱে আন্দোলন কাৰ্যসূচী গ্ৰহণ কৰিব বুলিও প্ৰকাশ কৰে। সদৌ বিটিআৰ কোচ ৰাজবংশী সন্মিলনীৰ সভাপতি লক্ষিন্দ্ৰ ৰায়ে কয় যে বিটিআৰ অঞ্চলত বড়ো জাতি-জনগোষ্ঠীৰ দৰে কোচ ৰাজবংশীসকলো মাটি কিনা-বেচা কৰিব লাগিব। কোচ ৰাজবংশী জনগোষ্ঠীৰ লোকসকলো ইয়াৰ ভূমিপুত্ৰ বুলি তেওঁ দাবী কৰে। লগতে বাগ্‌সা আৰু ওদালগুৰিৰ কোচ ৰাজবংশীসকলক সংৰক্ষিত শ্ৰেণীৰূপে সুৰক্ষা কবচ প্ৰদান কৰাৰো দাবী উত্থাপন কৰে।

# সৰ্বহাৰা হোৱা সত্ত্বেও লাভ কৰা নাই চৰকাৰী আঁচনিৰ সুবিধা

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২৭ জানুৱাৰী ঃ** চৰকাৰে আৰ্থিকভাৱে দৰিদ্ৰ লোকৰ বাবে গ্ৰহণ কৰা আঁচনিসমূহৰ সুফল লাভৰ পৰা প্ৰকৃততেই উপযুক্ত লোকৰ বহুসংখ্যকেই বঞ্চিত হোৱা বুলি অভিযোগ উত্থাপন হৈ অহাৰ সময়ত তেজপুৰত এনে বহু ঘটনাই পোহৰলৈ আহিছে। দিনহাজিৰা কৰি নতুবা ৰিক্সা চলাই কোনোমতে পৰিয়াল পৰিচালনা কৰি অহা একাংশ লোকে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ এটা গৃহৰ বাবে আবেদন কৰা সত্ত্বেও এনেসকল লোকৰ নাম আচৰিতভাৱে এনে হিতাধিকাৰীৰ তালিকাত অন্তৰ্ভুক্ত হোৱা নাই। এইসকল থলুৱা লোকে স্থানীয় গাঁও পঞ্চায়ত আৰু উন্নয়ন খণ্ডলৈ অহা-যোৱা কৰি শেষত হতাশাত ভুগিবলগীয়া হৈছে। ইয়াৰ বিপৰীতে আকৌ আৰ্থিকভাৱে টনকিয়াল লোকে লাভ কৰিছে চৰকাৰী আঁচনিৰ গৃহ। শেহতীয়াকৈ তেজপুৰৰ মিলনপুৰ



নিবাসী পুষ্প কটকী নামৰ বৃদ্ধাগৰাকীও এটা চৰকাৰী আবাসগৃহ লাভৰ পৰা বঞ্চিত হ'বলগীয়া ঘটনাই এনে চৰকাৰী আঁচনি প্ৰকৃততে কাৰ বাবে বুলিও বহুলোকে প্ৰশ্ন উত্থাপন কৰিছে। তেজপুৰৰ বালিপুখুৰী গাঁও পঞ্চায়ত অন্তৰ্গত মিলনপুৰৰ এইগৰাকী বৃদ্ধাৰ আত্মীয় বুলিবলৈ কোনো নাই। ইতিমধ্যেই দৃষ্টি শক্তি হেৰুৱাই এডাল লাখুটিকে নিৰ্ভৰ কৰি দিন অতিবাহিত কৰা মহিলাগৰাকীয়ে আজিলৈকে একাধিকবাৰ আবেদন জনোৱাৰ পাছতো লাভ নকৰিলে কোনো ধৰণৰ চৰকাৰী আঁচনিৰ সুফল। বৃদ্ধ পেঞ্চন নতুবা অবিবাহিতা মহিলাৰ বাবে আগবঢ়োৱা চৰকাৰী আঁচনিৰ সাহায্য লাভৰ পৰা বঞ্চিত হৈ পৰা মহিলাগৰাকীৰ পিতৃ-মাতৃৰো ইতিমধ্যে প্ৰায় ৪০বছৰ পূৰ্বেই মৃত্যু ঘটিছে। এজাক বৰষুণত উৰলি যোৱা বাসগৃহৰ ভিতৰত বানৰ দৰে পানীয়ে টোৱাই নিয়ে। আচৰিতভাৱে এইগৰাকী মহিলা বঞ্চিত ৰেছন কাৰ্ডৰ পৰাও। বিদ্যুৎ সংযোগৰ বাবে আবেদন কৰিছিল যদিও বিদ্যুৎ সংযোগো লাভ নকৰিলে। পোৱাৰ ভিতৰত তেওঁ এটা ৰন্ধন গেছৰ চিলিণ্ডাৰ লাভ কৰাৰ কথা প্ৰকাশ কৰি কয় যে পোহৰবিহীন উৰলি যোৱা বাসগৃহটোত চকুৰে মনিব নোৱৰা মানুহগৰাকীয়ে পৰৱৰ্তী সময়ত গেছ যোগাৰ কৰিব ক'ৰ পৰা; উল্লেখ্য যে পূৰ্বে ইটো সিটো কৰি চলি অহা মহিলাগৰাকীৰ দুচকুত চামনি পৰি দৃষ্টি শক্তি হ্ৰাস পায়। বিগত ১০ বছৰে এডাল লাখুটি আৰু ওচৰ চুবুৰীয়াৰ ভৰসাতে জীয়াই থকা কটকীৰ ঘৰটোও ক্ৰমান্বয়ে উৰলি গৈ সম্প্ৰতি জৰাজীৰ্ণ ৰূপ লৈছে। চৰকাৰী আঁচনিৰ অধীনত এটা বাসগৃহ লাভৰ বাবে তেওঁ স্থানীয় পঞ্চায়তৰ উপৰি বিভিন্ন সময়ত জনপ্ৰতিনিধিৰ কাষ চাপিছিল যদিও আজিলৈকে তেওঁ এটা চৰকাৰী বাসগৃহ লাভ কৰাৰ সৌভাগ্য নহ'ল। আনকি তেওঁৰ ৰেছন কাৰ্ডখনো এতিয়া নাই বুলি জনালে অসহায় মহিলাগৰাকীয়ে। জীৱনৰ বিয়লি বেলা হতাশাত ভোগা বৃদ্ধাগৰাকীয়ে বিভিন্ন জনপ্ৰতিনিধিৰ নাম শুনিলেই ক্ষোভিত হৈ পৰে। দেশৰ ৭৩ সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰা সময়ত এইখন দেশৰে এনে অসহায় লোকৰ দুৰৱস্থাই সচেতন মহলক হতচকিত কৰিছে।

# অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক, সমাজকৰ্মী দুলাল তামুলীৰ মৃত্যু



অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ২৭ জানুৱাৰী ঃ** মাজুলীৰ শৈক্ষিক জগতৰ মহীৰূহ, মাজুলীৰ শালমৰা মৌজাৰ মুদৈচুক গাঁও নিবাসী মেৰাগঞ্জ নাৰায়ণ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক, সমাজকৰ্মী, ধৰ্মপৰায়ণ ব্যক্তি দুলাল তামুলী (৯২)ৰ কালি সন্ধিয়া ডিব্ৰুগড়ৰ এখন চিকিৎসালয়ত মৃত্যু হয়। পূব মাজুলীৰ শিক্ষা, সমাজ-সংস্কৃতি উত্তৰণত বিশেষ বৰঙণি আগবঢ়োৱা তামুলীৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে মাজুলীজুৰি শোকৰ ছাঁ পৰিছে। অঞ্চলটোৰ সাংস্কৃতিক অনুষ্ঠান বনগাঁও ৰংঘৰ, তৰুণ ক্লাব, তৰুণ পুথিভঁৰাল, পূৱ মাজুলী মহাবিদ্যালয়, বনগাঁও বালিকা উচ্চ মাধ্যমিক বিদ্যালয়, মুদৈচুক যুৱক সংঘ আদি প্ৰতিষ্ঠাত তেওঁ অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। তেওঁ কে'বা বছৰো ধৰি বনগাঁও ৰংঘৰ পৰিচালনা সমিতিৰ সভাপতি আৰু সম্পাদকৰ দায়িত্ব পালন কৰিছিল। তদুপৰি অন্যান্য অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ উপদেষ্টা আৰু সদস্যৰ দায়িত্ব দক্ষতাৰে পালন কৰিছিল। মাজুলী জিলা সাহিত্য সভাৰ সভাপতি ৰঞ্জিৎ কুমাৰ ভূঞাৰ লগতে মাজুলী জিলা সাংবাদিক সন্থা, পূব মাজুলী মহাবিদ্যালয়, মাজুলী মহাবিদ্যালয়, মেৰাগড় নাৰায়ণ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়, বনগাঁও বালিকা উচ্চ মাধ্যমিক বিদ্যালয়, বনগাঁও এম ভি স্কুল, চামগুৰি সত্ৰ ৰাৱনাপাৰ আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়, মুদৈচুক যুৱক সংঘ, মুদৈচুক মহিলা সমিতি, বনগাঁও ৰংঘৰ, তৰুণ ক্লাব, বনগাঁও ব্যৱসায়ী সন্থা আদিয়ে শোক প্ৰকাশ কৰিছে।

# কৰ্দৈতোলাত সূৰুয কলা নিকেতন আৰম্ভ



অগ্ৰদূত বাৰ্তা

**বৰভাগ ঃ ২৭ জানুৱাৰী ঃ** নলবাৰী জিলাৰ কৰ্দৈতোলাত গণৰাজ্য দিৱসৰ দিনাই উদ্বোধন কৰা হয় সূৰুয কলা নিকেতন নামৰ এটি কলা সাংস্কৃতিক অনুষ্ঠানৰ। দুপৰীয়া ১২ বজাৰ পৰা কলা নিকেতনখনৰ সভাপতি তথা শিক্ষক ৰঞ্জিত দাসৰ সভাপতিত্বত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানৰ সভাত কলা নিকেতনখনৰ বন্তি প্ৰজ্বলন কৰি মুকলি কৰে সাংবাদিক মহিবৰ ৰহমানে। উক্ত অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে সাংবাদিক মেৰাজুল কাজি, বিশিষ্ট শিল্পী, শিক্ষক হেমন্ত কুমাৰ দাস, সাংবাদিক আব্দুল কাদেৰ আলি। অনুষ্ঠানটোৰ জন্মৰ দৃষ্টিভংগী ব্যাখ্যা কৰে কলা নিকেতনৰ কাৰ্যকৰী সভাপতি ফিৰোজ আহমেদে। সভাপতিৰ ভাষণত ৰঞ্জিত দাসে এই কলা নিকেতনত ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীণ উন্নয়নৰ ব্যৱস্থা কৰাৰ চেষ্টা কৰা হ'ব বুলি উল্লেখ কৰে। অনুষ্ঠানত বিশিষ্ট শিল্পী তথা নিকেতনৰ উপদেষ্টা আব্দুল আলী, আতিকুৰ আলী, চাৰিফ আলী, মীৰ হুছেইন, সাংবাদিক ধৰ্মেন্দ্ৰ বেজবৰুৱা আদি উপস্থিত থাকে।

# সমাজ সচেতন, ধৰ্মপ্ৰাণ ব্যক্তি লোকেশ্বৰ দত্তৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ২৭ জানুৱাৰী ঃ** মৰিয়নি নগৰৰ দুই নম্বৰ ৱাৰ্ড নিজৰাপাৰ নিবাসী, সমাজ সচেতন ব্যক্তি, ধৰ্মপ্ৰাণ, জ্যেষ্ঠ ব্যক্তি লোকেশ্বৰ দত্ত (৮৩)ৰ যোৱা ২৫ ডিচেম্বৰৰ বিয়লি নিজ বাসভৱনত মৃত্যু হয়। উল্লেখ্য যে ১৯৩৯ৰ সাত এপ্ৰিলত তিতাবৰৰ ৰঙাজান গড়গুৰিত জন্মগ্ৰহণ কৰি তাতেই শিক্ষাগ্ৰহণ কৰে। পাছত চাকৰি সূত্ৰে মৰিয়নিলৈ আহি সোণোৱাল চাহ বাগিচাত চাকৰি জীৱন আৰম্ভ কৰে। পৰৱৰ্তী সময়ত মৰিয়নি নগৰৰ দুই নম্বৰ ৱাৰ্ডৰ নিজৰাপাৰ অঞ্চলত স্থায়ীভাৱে থাকিবলৈ লয়। সমান্তৰালভাৱে বিভিন্ন সামাজিক কাম-কাজৰ স'তেও তেওঁ জড়িত হৈ পৰে। মৰিয়নি মহাবিদ্যালয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত তেওঁ আগভাগ লৈছিল। মৰিয়নি মহাবিদ্যালয়ত বিজ্ঞান শাখা খোলাৰ ক্ষেত্ৰতো তেওঁ আগভাগ লৈছিল। তেওঁ গংগাপুৰ নিজৰাপাৰ নামঘৰৰ প্ৰতিষ্ঠাপক সদস্য আছিল প্ৰয়াত লোকেশ্বৰ দত্ত। মৰিয়নিৰ বিভিন্ন সমস্যাৰ সমাধানৰ ক্ষেত্ৰত তেওঁ সৰৱ ভূমিকা গ্ৰহণ কৰিছিল। মৰিয়নিৰ বুঢ়া নামঘৰ হিচাপে জনাজাত শ্ৰী শ্ৰী শংকৰদেৱ কীৰ্তন ঘৰ, নতুনমাটি নামঘৰ, গংগাপুৰ নিজৰাপাৰ নামঘৰ আদিৰ স'তে তেওঁ ওতঃপ্ৰোতভাৱে জড়িত আছিল। তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে অঞ্চলটোত শোকৰ ছাঁ পৰে। কালি ২৬ জানুৱাৰীৰ পুৱা তেওঁৰ বাসভৱনত বহুসংখ্যক গুণমুগ্ধৰ উপস্থিতিত শেষ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। মৰিয়নিৰ জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি ধীৰেন্দ্ৰ নাথ দত্ত, গংগাপুৰ নিজৰাপাৰ নামঘৰ পৰিচালনা সমিতি, মৰিয়নি মহাবিদ্যালয়, বিজ্ঞান শাখা, নিজৰাপাৰ গংগাপুৰ মহিলা সমিতি আদিয়ে প্ৰয়াত লোকেশ্বৰ দত্তৰ প্ৰতি শেষ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। আনহাতে, তেওঁৰ মৃত্যুত মৰিয়নিৰ সমাজকৰ্মী বিমান বৰবৰা, শ্ৰী শ্ৰী শংকৰদেৱ কীৰ্তনঘৰ পৰিচালনা সমিতি, নতুনমাটি নামঘৰ পৰিচালনা সমিতি, কিংশুক, মৰিয়নি প্ৰেছ ক্লাৱ আদিয়ে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নী, পুত্ৰ এৰি যায়।

# গোৱালপাৰাত নিচামুক্ত ৰথযাত্ৰাৰ আৰম্ভ



অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৭ জানুৱাৰী ঃ** গোৱালপাৰা জিলা সমাজ কল্যাণ বিভাগে নিচামুক্ত ভাৰত অভিযান উপলক্ষে উলিওৱা সজাগতা ৰথযাত্ৰা আজি মুকলি কৰা হয়। জিলা সমাজ কল্যাণ বিষয়া মনিন্দ্ৰ অধিকাৰী আৰু সমাজ সেৱক শৈলেন দাসৰ উপস্থিতিত পতাকা জোঁকাৰি নিচামুক্ত ৰথযাত্ৰা আৰম্ভ কৰে জিলা উপায়ুক্ত মীনাক্ষী দাস নাথে। নিজ কাৰ্যালয়ৰ সন্মুখত এই সজাগতা ৰথযাত্ৰা আৰম্ভ কৰি জিলা উপায়ুক্তই কয় যে এই ৰথৰ জৰিয়তে ৰাইজক নিচা সেৱনৰ ভয়াবহতা সন্দৰ্ভত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হ'ব। জিলাখনৰ বিভিন্ন প্ৰান্তত ৰথখন ঘূৰিব আৰু নিচামুক্ত সমাজ গঢ়িবলৈ ৰাইজক আহ্বান জনাব বুলিও কয় জিলা উপায়ুক্তজনে।

# নাজিৰাৰ কণমানি ধৃতিষ্মান চক্ৰৱৰ্তীলৈ প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ প্ৰদান

অগ্ৰদূত বাৰ্তা

**নাজিৰা, ২৭ জানুৱাৰী ঃ** নাজিৰাৰ অ'এনজিচি কল'নীৰ ধৃতিষ্মান চক্ৰৱৰ্তীয়ে প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ ২০২২ বঁটা লাভ কৰে। যোৱা ২৪ জানুৱাৰীত শিৱসাগৰ জিলাৰ উপায়ুক্ত কাৰ্যালয়ত ধৃতিষ্মান চক্ৰৱৰ্তীৰ পিতৃ-মাতৃৰ লগতে শিৱসাগৰৰ উপায়ুক্ত মেঘ নিধি দাহালৰ উপস্থিতিত ভাচুৱেলত ব্লকচেইন পদ্ধতিৰে তেওঁক এই বঁটা প্ৰধানমন্ত্ৰীয়ে প্ৰদান কৰে। দেৱজিৎ চক্ৰৱৰ্তী আৰু সোনম চক্ৰৱৰ্তীৰ পুত্ৰ ধৃতিষ্মান চক্ৰৱৰ্তীয়ে মাত্ৰ তিনি বছৰ বয়সতে 'Youngest Multilingual Singer'ৰ খিতাপ অৰ্জন কৰে। বৰ্তমান তেওঁ আঠটা ভাষা ক্ৰমে অসমীয়া, হিন্দী, ইংৰাজী, বাংলা, মাৰাঠী, কানাড়া, সংস্কৃত আৰু সিনহালিত গীত পৰিৱেশন কৰি পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে। মাত্ৰ পাঁচ বছৰ বয়সতে সাত-আঠটা ভাষাৰ প্ৰায় ৭০টামান গীত বাণীবদ্ধ কৰে। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ গীত টুইট কৰে। কণমানি ধৃতিষ্মান চক্ৰৱৰ্তী ছ'চিয়েল মিডিয়াতো বহু জনপ্ৰিয়। ফেচবুকৰ প্ৰফাইলত তেওঁৰ আছে ১৩০০০কৈ অধিক ফলৱাৰ, ইউটিউবতো আছে চাৰি হেজাৰতকৈ অধিক ছাবস্ক্ৰাইবাৰ। বলিউড জগতৰ প্ৰসিদ্ধ শিল্পী ক্ৰমে চান, টনী কক্কৰ, সুনিধি চৌহান, শান্তনু মৈত্ৰ, জীত গাংগুলী আদিকে ধৰি কে'বাগৰাকী জনপ্ৰিয় শিল্পী ধৃতিষ্মানৰ গীত শুনি আপ্লুত হৈছে।

# অৱসৰপ্ৰাপ্ত শিক্ষক ডালিম তালুকদাৰৰ মৃত্যু

**বৰমা, ২৭ জানুৱাৰী ঃ** বৰমাৰ ওচৰৰ নিজনমাটি গাঁৱৰ সমাজকৰ্মী, দেউলগুৰি প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ একনিষ্ঠ সদস্য ডালিম তালুকদাৰ (৪৭)ৰ যোৱা ২৫ জানুৱাৰীৰ নিশা চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। যোৱা ১৯ জানুৱাৰীত হঠাৎ তেওঁৰ শাৰীৰিক অৱস্থাৰ অৱনতি ঘটাত নলবাৰীৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও যোৱা ২০ জানুৱাৰীত তেওঁক জিএমচিএইছত ভৰ্তি কৰোৱা হয়। চিকিৎসাধীন অৱস্থাতে যোৱা নিশা তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ মৃত্যুত নমাটি ফিৰিঙতি সাহিত্য সমাজ, নিজনমাটি গাঁও উন্নয়ন সমিতি, নমাটি বিজয় সংঘ, নিজনমাটি ৰঙালী বিহু সন্মিলনী, নমাটি জ্যেষ্ঠ নাগৰিক সন্থা, মহিলা সমিতি আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

# হোজাইত ক'ভিডত পুনৰ আক্ৰান্ত ৩২জন

অগ্ৰদূত বাৰ্তা

**হোজাই, ২৭ জানুৱাৰী ঃ** হোজাইত পুনৰ বৃদ্ধি পাইছে ক'ভিড আক্ৰান্ত লোকৰ সংখ্যা। আজিৰ দিনটোত জিলাখনত মুঠ ৩২গৰাকী লোক ক'ভিডত আক্ৰান্ত হোৱা বুলি নিশ্চিত কৰা হৈছে। জিলা স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি আজিৰ দিনটোত জিলাখনত ৪৭১গৰাকী লোকৰ ৰেপিড এণ্টিজেন টেষ্ট আৰু ৬২গৰাকী লোকৰ আৰটিপিচিআৰ টেষ্ট কৰোৱা হৈছিল। ইয়াৰে ৰেপিড এণ্টিজেন টেষ্টত ২৯গৰাকী আৰু আৰটিপিচিআৰ টেষ্টত তিনিজন লোকৰ দেহত ক'ভিড-১৯ৰ অৱস্থিতি ধৰা পৰে। জিলাখনত এতিয়াও ২১৬জন ক'ভিড ৰোগী সক্ৰিয় হৈ আছে। ইয়াৰে দুজন ক'ভিড ৰোগী লামডিং ক'ভিড চেণ্টাৰত চিকিৎসাধীন হোৱাৰ বিপৰীতে বাকী সক্ৰিয় ক'ভিড ৰোগীজনে ঘৰতে চিকিৎসা গ্ৰহণ কৰে। আজি জিলাখনৰ ৭৫জন ক'ভিড ৰোগী সুস্থ হৈ উঠিছে বুলি জিলা প্ৰশাসনৰ তথ্যত প্ৰকাশ। ক'ভিডৰ তৃতীয় লহৰত আজিলৈকে মুঠ ১,৪৬২জন লোক আক্ৰান্ত হয়।




ওদালগুৰিত বিটিআৰৰ চুক্তিৰ দ্বিতীয় বৰ্ষপূৰ্তিত প্ৰাক্তন এনডিএফবিৰ প্ৰতিবাদ, বৃহস্পতিবাৰে।

# বৰপেটা কোষাগাৰৰ অৱসৰপ্ৰাপ্ত অধীক্ষক নুৰুল ইছলামৰ মৃত্যু



বিশেষ সংবাদদাতা

**বৰপেটা, ২৭ জানুৱাৰী ঃ** বৰপেটা জিলা কোষাগাৰৰ অৱসৰপ্ৰাপ্ত অধীক্ষক, বৰপেটা জিলা কৰ্মচাৰী পৰিষদৰ উপদেষ্টা বৰপেটা গান্ধীনগৰ নিবাসী নুৰুল ইছলামৰ (৬০) কালি বিয়লি প্ৰায় ৪-৩০ বজাত পৰলোক প্ৰাপ্তি ঘটে। ইছলামে গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত হৃদৰোগৰ অস্ত্ৰোপচাৰ সম্পন্ন কৰি যোৱা ২৫ জানুৱাৰীত ঘৰলৈ আহিছিল যদিও কালি বিয়লি হঠাৎ অসুস্থ হৈ পৰাত ততাতৈয়াকৈ বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ নিয়ে যদিও বাটতে তেওঁ মৃত্যুমুখত পৰে। ইছলামে যোৱা অক্টোবৰত বৰপেটা কোষাগাৰৰ অধীক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰে। বৰপেটা তাঁতীকুছিৰ প্ৰতিষ্ঠাপক উপদেষ্টা নুৰুল ইছলাম বৰপেটাৰ কে'বাটাও অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত আছিল। বৰপেটা সাহিত্য সভাৰ অনুষ্ঠিত হৈ যোৱা জন্ম শতবাৰ্ষিকী উৎসৱৰ বিত্ত উপ-সমিতিৰ সভাপতিৰূপেও তেওঁ সেৱা আগবঢ়াইছিল। তেওঁৰ মৃত্যুত বৰপেটা জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি মাধন ভূঞা শৰ্মা, সম্পাদক উৎপল দাস, তাঁতীকুছিৰ সম্পাদক পুৰুযোত্তম দাস, বৰপেটা প্ৰেছ ক্লাব আৰু বৰপেটা সাহিত্য সভাই শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত ইছলামে পত্নীসহ দুজন পুত্ৰ-কন্যা ইহ সংসাৰত এৰি থৈ গৈছে।

# ৰঙাপৰা মহাবিদ্যালয়ত শিক্ষক-কৰ্মচাৰীক পৰিচালনা সমিতিৰ সভাপতি ২০২১ বঁটা প্ৰদান

বিশেষ সংবাদদাতা

**ৰঙাপৰা, ২৭ জানুৱাৰী ঃ** ৰঙাপৰা মহাবিদ্যালয়ত যোৱা ২৪ জানুৱাৰীত ভাৰতবৰ্ষৰ শিক্ষাদৃষ্টিত এভুমুকি ঃ বিবেকানন্দ, শ্ৰীঅৰবিন্দৰ পৰা ইউনস্কোলৈ শীৰ্ষক এক বক্তৃতানুষ্ঠান অনুষ্ঠিত হোৱাৰ লগতে উক্ত অনুষ্ঠানতে পোন প্ৰথমবাৰৰ বাবে পৰিচালনা সমিতিৰ সভাপতি বঁটা ২০২১ শীৰ্ষক বঁটা প্ৰদান আৰু ২০২০-২১ স্বেচ্ছাসেৱক শ্ৰেণীত ৰাষ্ট্ৰীয় সেৱা আঁচনিত অসম ৰাজ্যিক বঁটাপ্ৰাপ্ত শুভংকৰ দেক অভিনন্দন জনোৱা হয়। ৰঙাপৰা মহাবিদ্যালয়ৰ ডিজিটেল শ্ৰেণী কোঠাত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভানেত্ৰী তথা সদৌ অসম লেখিকা সমাৰোহৰ সভানেত্ৰী ড° চাৰু চহৰীয়া নাথৰ সভানেত্ৰিত্বত অনুষ্ঠিত হোৱা বক্তৃতানুষ্ঠানটোৰ আঁত ধৰে বড়ো বিভাগৰ মুৰব্বী অধ্যাপক প্ৰশান্ত বড়ো আৰু আদৰণী ভাষণ পাঠ কৰে ৰঙাপৰা মহাবিদ্যালয়ৰ অধ্যক্ষ জ° ৰঞ্জন কলিতাই। বন্তি প্ৰজ্বলনৰে আৰম্ভ হোৱা বক্তৃতানুষ্ঠানটোত ২০২০ সাহিত্য অকাডেমী অনুবাদ বঁটাপ্ৰাপ্ত, শ্ৰীৰামকৃষ্ণ, বিবেকানন্দ আৰু শ্ৰীঅৰবিন্দ একান্ত অনুৰাগী, সুবক্তা তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি দিগন্ত বিশ্ব শৰ্মাই কয় যে ভাৰতৰ শিক্ষানীতি তিনিটা বিষয় বস্তুৰ ওপৰত প্ৰতিষ্ঠিত। আধুনিক যুগৰ মানুহৰ প্ৰধান চিন্তাৰ বিষয় হ'ল যেতিয়া আমি অতীতৰ কথা আলোচনা কৰো তেতিয়া আধুনিক যুগৰ মানুহক এটা প্ৰশ্নই বিভ্ৰান্ত কৰে যে বৰ্তমান সময়ত পাঁচ হেজাৰ বৰ্ষৰ আগৰ শিক্ষাদৃষ্টি প্ৰাসংগিক হয় নে নহয়। শোণিতপুৰ জিলাত ৬০ দশকৰ আগতে ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাই ৰাইজক এটা বাৰ্তা দিবলৈ যত্ন কৰিছিল। বৰ্তমানৰ সময়ত নৱপ্ৰজন্মসকলে জীৱিকাক লৈ চিন্তাৰ মাজেৰে দিন অতিবাহিত কৰিছে। বৰ্তমানৰ যুগতো বাণিজ্য তন্ত্ৰৰ যুগ। বাণিজ্যৰ যুগৰ দিনত সভ্য মানুহে কিমান শিক্ষা মূল্য প্ৰদান কৰিছে। পুঁজিবাদীৰ ওচৰত এজন মানুহ কৃতিদাস হ'বলৈ কুণ্ঠাবোধ নকৰে বুলি তেওঁ মন্তব্য কৰে। লগতে দিগন্ত বিশ্ব শৰ্মাই কয় যে বহু সাধুকথাৰ মাজেৰে ভগৱান ৰামকৃষ্ণ পৰমহংসই বহু কথা মানুহক শিকাই থৈ গৈছে। শিক্ষাৰ তিনিটা বৈশিষ্ট্যৰ কথা উল্লেখ কৰে। ভাৰতীয় শিক্ষাদৃষ্টিত জীৱন, বিদ্যাৰ্থী, ছাত্ৰ আদি লক্ষ্য, বিষয়বস্তু লক্ষ্য। বিবেকানন্দ আৰু শ্ৰীঅৰবিন্দৰ ভাৰতৰ শিক্ষা দৃষ্টি আজি সমগ্ৰ বিশ্বই গ্ৰহণ কৰিছে। শিক্ষকসকলৰ দায়িত্ব এজন ছাত্ৰ-ছাত্ৰীসকলৰ অন্তৰত থকা গুণৰ স'তে বিবেচিত কৰাই দিয়া কথাও উল্লেখ কৰে। ইফালে, অনুষ্ঠানৰ মাজতে শ্ৰীৰামকৃষ্ণ, বিবেকানন্দ আৰু শ্ৰীঅৰবিন্দ অনুৰাগী হিচাপে মহাযোগী শ্ৰীঅৰবিন্দ বিৰচিত 'ভাৰতীয় সংস্কৃতিৰ ভিত্তি', 'কৰ্মযোগী ভাৰতৰ নৱপ্ৰজন্ম', 'কাৰা কাহিনী', 'গীতাৰ ভূমিকা' আদি গ্ৰন্থ অসমীয়া ভাষালৈ অনুবাদ কৰি কৰ্মযোগীৰ চিন্তা আৰু আদৰ্শক অসমৰ জনগণৰ পৰিচয় কৰি দিয়া দিগন্ত বিশ্ব শৰ্মাক ৰঙাপৰা মহাবিদ্যালয়ৰ পৰিয়ালে ফুলাম গামোচা, সম্বৰ্ধনা পত্ৰ আৰু শৰাইৰে মৰম যাচে। ইপিনে, ২০২১ত ৰঙাপৰা মহাবিদ্যালয়ত ন্যূনতম দিন ছুটী লৈ অধিক কৰ্ম দিনত উপস্থিত থকা শিক্ষকদ্বয় ক্ৰমে ৰিষিৰাজ ছেত্ৰী, প্ৰবীণ ইংলেং আৰু কৰ্মচাৰী লক্ষীধৰ দাসক পৰিচালনা সমিতিৰ সভাপতি বঁটা ২০২১ত প্ৰদান কৰা হয়।

# একেজন উদ্যোগপতিৰ গুদামত অগ্নিকাণ্ড

অগ্ৰদূত বাৰ্তা,

**উত্তৰ গুৱাহাটী ঃ ২৭ জানুৱাৰী ঃ** উত্তৰ গুৱাহাটী কেছৰী উদ্যোগ প্ৰতিষ্ঠানত এদিনৰ ব্যৱধানত দুই স্থানৰ একেজন উদ্যোগপতিৰ গুডামত অগ্নিকাণ্ডৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। সোমবাৰে আমিনগাঁও উদ্যোগিক পামৰ কেছৰী ধূপ কাঠি উদ্যোগত সংঘটিত হৈছিল অগ্নিকাণ্ড। বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ ফলত অগ্নিকাণ্ড সংঘটিত হোৱাৰ অভিযোগ উঠিছিল। অগ্নিকাণ্ডত ভস্মীভূত হয় লক্ষাধিক টকাৰ ধূপকাঠিৰ লগতে মূল্যবান সম্পত্তি। আজি পুনৰ ব্ৰহ্মপুত্ৰ ঔদ্যোগিক পামত ৰহস্যজনক অগ্নিকাণ্ড। পামৰ পাঁচ-এ নম্বৰ গুদামত অৱস্থিত বহী পেপাৰ গুদামত অগ্নিকাণ্ড সংঘটিত হয়। জুই লগা মাত্ৰেই লগে লগে ঘটনাস্থলীত উপস্থিত হয় অগ্নি নিৰ্বাপক বাহিনী তথা আৰক্ষী অগ্নি নিৰ্বাপক বাহিনীয়ে তৎকালে জুই নুমাবলৈ সক্ষম হয়। অগ্নিকাণ্ডৰ কাৰণ পুনৰ বৈদ্যুতিক শ্বট চাৰ্কিট বুলি সদৰী কৰিছে মালিক পক্ষই। কিন্তু, উদ্যোগ চৌহদত ঘৰুৱা চিলিণ্ডাৰেৰে জ্বালাই কৰি আছিল শ্ৰমিকে। সেই জালাইৰ পৰা অগ্নিকাণ্ড হোৱাৰ আশংকা কৰিছে স্থানীয় লোকে। ইফালে, গুদামটিত সুৰক্ষা ব্যৱস্থা নথকাৰ স্বৰূপ ওলাই পৰিছে। তৎকালীন ব্যৱস্থা গ্ৰহণৰ বাবে কাগজৰ গুডামত নাছিল খিৰিকী তথা আন পথ। যাৰ বাবে জুই লগাৰ সময়ত ভিতৰত প্ৰৱেশৰ বাবে ভাঙিব লগা হয় দেৱাল। অইন যিয়েই নহওক একেজন গৰাকীৰ দুই উদ্যোগত এনেদৰে অগ্নিকাণ্ড হোৱাৰ আঁৰত যে ৰহস্য আছে সেয়া নিশ্চিত। একাংশৰ অভিযোগ বীমা আদায়ৰ বাবে এনেধৰণৰ কুপন্থা অৱলম্বন কৰিব পাৰে।

# যুৱক সংঘৰ নামত আবণ্টিত ভূমি দখলৰ ষড়যন্ত্ৰৰ অভিযোগ

## পথ নিৰ্মাণৰ পৰিকল্পনা বন্ধৰ দাবীত স্মাৰকপত্ৰ

**তিতাবৰ, ২৭ জানুৱাৰী ঃ** তিতাবৰ ৰাজহচক্ৰৰ অন্তৰ্গত আৰু আমগুৰি খৰিকটীয়া মৌজাৰ অধীনত থকা উত্তৰ-পূব বিবিজান যুৱক সংঘৰ নামত থকা ভূমিত ৰাজনৈতিক আশীৰ্বাদপুষ্ট এটা প্ৰতিক্ৰিয়াশীল চক্ৰই দখল কৰাৰ ষড়যন্ত্ৰক কেন্দ্ৰ কৰি তিতাবৰত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে তিতাবৰ ৰাজহ চক্ৰৰ কাৰ্যালয়ৰ চিঠা বহীত যুৱক সংঘটোৰ নামত দাগ নম্বৰ আৰু পট্টা নম্বৰসহ প্ৰমাণপত্ৰ থকাৰ পাছতো ৰাজনৈতিক মদতপুষ্ট অসাধু চক্ৰটোৰে উক্ত ভূমিত এটি পথ নিৰ্মাণ কৰা বিষয়টোক লৈ গৰজি উঠিছে তিতাবৰ নগৰৰ বাসিন্দাসকল। যুৱ সংঘটোৰ লগত জড়িত কোনো বিষয়ববীয়া, সদস্যৰ আনুষ্ঠানিক অনুমতি নোলোৱাকৈ অসাধু চক্ৰটোৰে অকৰ্তৃত্বশীলভাৱে এজন কংগ্ৰেছী নেতাৰ তৎপৰতাত সেই অঞ্চলটোৰ কেইজনমান লোকে অবিজ্ঞানসন্মতভাৱে নিজৰ সুবিধাৰ বাবে পথ নিৰ্মাণ কৰিবলৈ লোৱাত স্থানীয় সচেতন ৰাইজে প্ৰতিবাদ কৰি সংশ্লিষ্ট কৰ্তৃপক্ষক শীঘ্ৰেই ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। ইয়াৰ পূৰ্বেও উক্ত পথৰ লগত সংঘৰ সমিতিক লৈ উত্তৰণ পথৰ কেইজনমান লোকৰ মাজত তৰ্কাতৰ্কি আৰু কাজিয়াই আদালতৰ মজিয়া গৰকিছিল বুলি ভুক্তভোগী লোকসকলে স্বীকৰোক্তি দিছে। সেই সময়তো বিষয়টোৰে স্থানীয় লোকসকলৰ তীব্ৰ আপত্তিৰ পাছতেই তদানীন্তন ৰাজহ চক্ৰ বিষয়া মনোজ বৰুৱাৰ মধ্যস্থতাত বিষয়টো বিবদমানৰূপে চিহ্নিত কৰাত সংঘৰ তৰফৰ পৰা যোৰহাটৰ ন্যায়িক দণ্ডাধীশৰ অদালতত গোচৰো তৰা হৈছিল। গোচৰৰ অন্তত আদালতে ৰায়দান কৰি পথ নিৰ্মাণত স্থগিতাদেশ জাৰি কৰিছিল। কিন্তু এতিয়া উক্ত স্থানত এটা চক্ৰই বিধায়ক পুঁজি হৰলুকি আৰু অপব্যৱহাৰ কৰাৰ স্বাৰ্থতে পুনৰ পথছোৱা নিৰ্মাণ কৰিবলৈ লোৱাত পুনৰ সংঘাত সৃষ্টি হোৱাৰ আশংকাৰ সৃষ্টি হৈছে। কাৰিকৰী বিশেষজ্ঞৰ দ্বাৰা পৰীক্ষা-নিৰীক্ষা নকৰাকৈ উক্ত পথটো নিৰ্মাণ কৰিলে বিশেষকৈ বাৰিষা কালত যুৱ সংঘৰ ভূমিৰ লগত সংলগ্ন কালভাৰ্টটোৰে পানী অহা-যোৱা পথ বন্ধ হৈ পৰিব। ফলত তিতাবৰ টাউন হাইস্কুল, লাচিত নগৰ, জ্যোতিনগৰ, মিলন নগৰ, ইছলামপট্টি অঞ্চলত আবদ্ধ বাঢ়নী পানীৰ সৃষ্টি হৈ ভয়াৱহ প্লাৱিত কৰাৰ সম্ভাৱনা আছে বুলি ৰাইজে অভিযোগ উত্থাপন কৰিছে। সেয়ে কেৱল ব্যক্তিগত লাভ-লোকচানৰ বাবে বিধায়ক পুঁজি ব্যয় কৰিবলৈকে পথ নিৰ্মাণৰ কাম ততালিকে বন্ধ কৰি স্থানীয় ৰাইজৰ হ'ব পৰা বিপদ, ক্ষয়-ক্ষতিৰ প্ৰতি লক্ষ্য ৰাখিবলৈও স্মাৰকপত্ৰৰ জৰিয়তে তিতাবৰ মহকুমাধিপতিক দাবী জনাইছে। অন্যথা ৰাইজৰ মত অনুসৰি যিকোনো গণতান্ত্ৰিক প্ৰতিবাদী সিদ্ধান্ত ল'বলৈ ৰাইজ বাধ্য হ'ব বুলি সকীয়াই দিছে। উল্লেখ্য যে বিধায়কৰ আশীৰ্বাদপুষ্ট পথ নিৰ্মাণৰ লগত জড়িত কংগ্ৰেছী দুষ্ট চক্ৰটোৰে দিনৰ পোহৰতে জনস্বাৰ্থ বিৰোধী কাৰ্যত লিপ্ত হোৱাৰ পাছতো কি কাৰণত তিতাবৰৰ ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ দায়িত্বশীল বিষয়াৰ পদক্ষেপ শূন্য সেই বিষয়ক লৈ ৰাইজৰ মাজত ব্যাপক সমালোচনা উঠিছে।

# বৰহোলাত ড্ৰাগছসহ ধৃত দুই

বিশেষ সংবাদদাতা

**নগাবাট ঃ ২৭ জানুৱাৰী ঃ** এক বিশেষ সূত্ৰৰ ভিত্তিত অভিযান চলাই বৰহোলাৰ আৰক্ষীয়ে যোৱা ২৪ আৰু ২৫ জানুৱাৰীত দুজনকৈ ড্ৰাগছ ব্যৱসায়ীক জালত পেলাবলৈ সক্ষম হয়। ব্যৱসায়ী দুজন ক্ৰমে শিলডুবি মিৰিজান গাঁৱৰ মুনীন্দ্ৰ কাটনী আৰু টুটু সোণোৱাল। মুনীন্দ্ৰ কাটনীক যোৱা ২৩ জানুৱাৰীৰ নিশা গড়াজান ভিডিপিৰ সহায়ত আৰক্ষীয়ে ৩৪ টা নিচাজাতীয় টেবলেটসহ গ্ৰেপ্তাৰ কৰে। আনহাতে, টুটু সোণোৱালক যোৱা নিশা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। দুয়োকে ইতিমধ্যে বৰহোলা আৰক্ষীয়ে ১৭/২০২২ নম্বৰত গোচৰ ৰুজু কৰি জেললৈ প্ৰেৰণ কৰিছে। উল্লেখ্য যে বৰহোলা অঞ্চলত দীৰ্ঘদিনৰ পৰা একাংশ অসাধু লোকে নিচাজাতীয় ড্ৰাগছ সেৱন আৰু বিক্ৰী কৰি শৈক্ষিক আৰু সামাজিক পৰিৱেশ বিনষ্ট কৰিছে। সকলোবোৰ ড্ৰাগছৰ ঘাটি তৎকালে উৎখাতৰ ক্ষেত্ৰত বৰহোলা আৰক্ষীক কঠোৰ পদক্ষেপ গ্ৰহণৰ আহ্বান জনাইছে সচেতন ৰাইজে।

# নলবাৰীত অত্যাধুনিক প্ৰেক্ষাগৃহৰ আধাৰশিলা স্থাপন

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২৭ জানুৱাৰী ঃ** নলবাৰী জিলাৰ গোপালথান পলিটেকনিক হাইস্কুলত যোৱা ২৩ জানুৱাৰীত আনটাইড ফাণ্ডেৰে নিৰ্মাণ হ'ব লগা এটা সকলো সুবিধা থকা অত্যাধুনিক প্ৰেক্ষাগৃহৰ আধাৰশিলা স্থাপন কৰা হয়। বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰূপ কুমাৰ শৰ্মাই আঁত ধৰা অনুষ্ঠানত আধাৰশিলা স্থাপন কৰে স্থানীয় বিধায়ক জয়ন্ত মল্ল বৰুৱাই। তদুপলক্ষে অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰকাশ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত সভাত প্ৰাক্তন ছাত্ৰ তথা বিজেপিৰ ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক ফণীন্দ্ৰ নাথ শৰ্মা, জিলা পৰিষদৰ সদস্য বিৰাজ মেধি, পঞ্চায়ত সভানেত্ৰী আঁতৰি বৈশ্য, জিলা বিজেপিৰ সভাপতি ডাঃ মৃগাংক তালুকদাৰসহ বহু সংখ্যক ৰাইজ উপস্থিত থাকে। সভাত বিধায়ক বৰুৱাই ভাষণত কয় যে শৈক্ষিক দিশক সকলোৱে লগ হৈ আগবঢ়াই নিব লাগিব। বিদ্যালয় এখনৰ উন্নয়ন সাধনত চৰকাৰ, জনপ্ৰতিনিধিৰ দায়িত্ব আছে। ৰাইজৰ সহযোগ অবিহনে এয়া অসম্ভৱ। তেওঁ লগতে কয় বিদ্যালয়খনৰ উন্নয়ন, শৈক্ষিক দিশৰ ক্ষেত্ৰত মন্ত্ৰী-বিধায়কৰ দৰে ৰাইজৰো দায়িত্ব আছে বুলি উল্লেখ কৰে।

# যোৰহাটত বিশুদ্ধ খোৱাপানী যোগান-তিনিটা শৌচাগাৰ উদ্বোধন

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ২৭ জানুৱাৰী ঃ** যোৰহাট চিকিৎসা মহাবিদ্যালয়ত অসম তেল আৰু প্ৰাকৃতিক গেছ নিগম যোৰহাটে চি এছ আৰ আঁচনিৰ অধীনত যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ আগবঢ়োৱা বিশুদ্ধ খোৱাপানী যোগান আৰু তিনিটা শৌচাগাৰ কক্ষৰ যোৱা ২৪ জানুৱাৰীত উদ্বোধন কৰা হয়। অনুষ্ঠানত যোৰহাট জিলাৰ উপায়ুক্ত অশোক কুমাৰ বৰ্মনৰ উপস্থিতিত আঁচনিখন উদ্বোধন কৰে অসম তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ কাৰ্যকৰী সঞ্চালিকা সুষমা ৰাৱতে। অনুষ্ঠানত যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ ৰত্নকান্ত তালুকদাৰ, অধীক্ষক ডাঃ পূৰ্ণিমা বৰুৱা, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সহকাৰী কাৰ্যকৰী অভিযন্তা প্ৰতুল চৌধুৰীৰ লগতে মহাবিদ্যালয়ৰ উপ-অধীক্ষক তথা বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। উল্লেখ্য যে এই আঁচনি মুকলিৰ পৰা চিকিৎসা মহাবিদ্যালয়ৰ ৰোগীসকলৰ লগতে জনসাধাৰণ যথেষ্ট উপকৃত হ'ব বুলি কয়।

# তুলসীবিলত গাঞ্জাসহ গাড়ী জব্দ ঃ গ্ৰেপ্তাৰ এক

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ২৭ জানুৱাৰী ঃ** গোসাঁইগাঁও মহকুমাৰ তুলসীবিলত আজি বিয়লি আৰক্ষী আৰু এটি বেচৰকাৰী সংস্থাই অভিযান চলাই গাঞ্জাসহ এ এছ-০১ ডি ৱাই-২৭৩৫ নম্বৰৰ এখন চেন্ট্ৰ' গাড়ী জব্দ কৰাৰ লগতে এজন লোকক আটক কৰে। লোকজন ধুবুৰী জিলাৰ বৰখুটিৰ নিবাসী বকুল চন্দ্ৰ নাথ বুলি জানিব পৰা গৈছে। গোপন সূত্ৰৰ ভিত্তিত আৰক্ষী আৰু নেছনেল ক্ৰাইম ৰিচাৰ্জ ইণ্টিলিজেণ্ট ব্যুৰ' নামৰ বেচৰকাৰী সংস্থাই তুলসীবিলত অভিযান চলাই পাঁচ কেজি গাঞ্জাসহ গাড়ীখনক আটক কৰে। পাছত গাড়ী আৰু গাঞ্জাসহ ধৃত যুৱকজনক গোসাঁইগাঁও থানালৈ আনি আৰক্ষীয়ে সোধপোছ অব্যাহত ৰাখিছে। উক্ত গাঞ্জাখিনি কোকৰাঝাৰৰ পৰা ধুবুৰীলৈ সৰবৰাহ কৰাৰ কথা আছিল।

# ভূৰাগাঁৱত আত্মহত্যা কৰা সমবায়ৰ কৰ্মচাৰী অজিত দাসৰ পৰিয়ালক আৰ্থিক সাহায্য

অগ্ৰদূত বাৰ্তা

**ভূৰাগাঁও, ২৭ জানুৱাৰী ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁও সমবায় সমিতিৰ কৰ্মচাৰী অজিত দাসে ১৯ মাহে দৰমহা নাপাই হতাশাগ্ৰস্ত হৈ অৱশেষত লুইতত জঁপিয়াই আত্মহত্যা কৰাৰ পাছতে সৰ্বত্ৰে প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। সমবায় সমিতিৰ কৰ্মচাৰী দাসৰ আত্মহত্যাৰ ছয়দিন পাছত যোৱা ২৫ জানুৱাৰীত তেওঁৰ গৃহত উপস্থিত হয় সদৌ অসম সমবায় সমিতিসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ নেতৃত্ব। সদৌ অসম সমবায় সমিতিসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ সভাপতি শৈলেন কুমাৰ বৰুৱা, তিনিচুকীয়া জিলা সমিতিৰ সম্পাদক বিজন শইকীয়া, মৰিগাঁও জিলা সমিতিৰ সভাপতি জীৱন বৰা, বঘৰা সমবায় সমিতিৰ সভাপতি খগেন বৰদলৈ আৰু পাভকাটি সমবায় সমিতিৰ সম্পাদক দেৱব্ৰত ৰায় দাসৰ ঘৰত উপস্থিতি হৈ সমবেদনা জ্ঞাপন কৰে। সমন্বয়ৰক্ষী সমিতিৰ নেতৃত্বই পৰিয়ালটোলৈ কিছু আৰ্থিক সাহায্য আগবঢ়ায়। ইয়াৰ উপৰি দাসৰ পত্নীক ভূৰাগাঁও সমবায় সমিতিত কৰ্মচাৰী হিচাপে সংস্থাপন দিয়াৰ দাবী জনায় সমন্বয়ৰক্ষী সমিতিৰ বিষয়ববীয়াসকলে।



তেজপুৰত গণতন্ত্ৰ দিৱসৰ মাৰ্চপাষ্ট

# গোৱালপাৰাত কৃষি বিভাগৰ পাৱাৰ টিলাৰ বিতৰণ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৭ জানুৱাৰী ঃ** গোৱালপাৰা জিলা কৃষি বিভাগৰ কাৰ্যালয়ত কৃষকৰ মাজত আজি ৰাজ সাহায্যযুক্ত পাৱাৰ টিলাৰ বিতৰণ কৰা হয়। ৰাষ্ট্ৰীয় কৃষি বিভাগ যোজনা, পূব ভাৰত সেউজ বিপ্লৱ অভিযান আৰু ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা মিছনৰ জৰিয়তে জিলাখনৰ ১৩৩জন বাছনিকৃত কৃষকৰ মাজত জিলা বিভাগে ৰাজ সাহায্যযুক্ত পাৱাৰ টিলাৰ বিতৰণৰ কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। এই সন্দৰ্ভত কালি অনুষ্ঠিত এক সভাত জিলা উপায়ুক্ত মীনাক্ষী নাথে ছয়জন কৃষকক ৰাজ সাহায্যযুক্ত পাৱাৰ টিলাৰ প্ৰদান কৰি কাৰ্যসূচীৰ আৰম্ভ কৰে। জিলা কৃষি বিষয়াৰ কাৰ্যালয়ত অনুষ্ঠিত পাৱাৰ টিলাৰ বিতৰণ কাৰ্যসূচীত বাছনিকৃত কৃষক হিতাধিকাৰীৰ উপৰি জিলা কৃষি বিষয়া প্ৰসেনজিৎ বৰা, মহকুমা কৃষি বিষয়া আবুবক্কৰ ছিদ্দিকৰ লগতে কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

# গোৱালপাৰা জিলা চৰ চাপৰি সাহিত্য পৰিষদৰ নতুন সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৭ জানুৱাৰী ঃ** গোৱালপাৰা জিলা সাংবাদিক সন্থাৰ কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত চৰ চাপৰি সাহিত্য পৰিষদ, অসমৰ গোৱালপাৰা জিলা সমিতি গঠনৰ উদ্দেশ্যে যোৱা ২৩ জানুৱাৰীত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্তৰ চৰ-চাপৰিৰ লগত সম্পৰ্ক থকা বহু বিশিষ্ট ব্যক্তিৰ উপস্থিতিত অনুষ্ঠিত সভাখনত পৌৰোহিত্য কৰে অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক তথা বিশিষ্ট সাহিত্যিক কেৰামত আলী শ্বেখে। সভাখনত চৰ চাপৰি সাহিত্য পৰিষদ, অসমৰ সভাপতি ড° হাফিজ আহমেদৰ লগতে পশ্চিম গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যাপক শ্বৰীফুল ইছলাম, অধিবক্তা ছাদ্দাম হুছেইন, অৱসৰপ্ৰাপ্ত শিক্ষক আব্দুল মালেক, শিক্ষক শাহানুৰ ইছলামে উপস্থিত থাকি ভাষণ প্ৰদান কৰে। সভাত চৰ চাপৰিৰ ঐতিহ্য, ভাষা-সংস্কৃতি আদি অসম সাহিত্য সভাৰ লগতে বিশ্ব দৰবাৰত উপস্থাপন কৰাৰ বাবেই চৰ চাপৰি সাহিত্য পৰিষদে প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি কয় ড° আহমেদে। ইপিনে চৰ চাপৰি সাহিত্য পৰিষদৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভাখন অহা ২৬ আৰু ২৭ ফেব্ৰুৱাৰীত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। উল্লেখ্য যে উক্ত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা গোৱালপাৰা চহৰৰ নটসূৰ্য ফণী শৰ্মা ভৱনত অনুষ্ঠিত হ'ব। সভাত, আব্দুল মালেকক মুখ্য উপদেষ্টা, শিক্ষক শাহানুৰ ইছলামক সভাপতি, শিক্ষক আবু শ্বামাক সাধাৰণ সম্পাদক, জুবাইদুৰ আহমেদক সম্পাদক, শিক্ষক আৰু আক্কাছ আহমেদক সাংস্কৃতিক সম্পাদক, ছাহজাহান আলীক প্ৰচাৰ সম্পাদক আৰু ফাৰুক আব্দুল্লাসহ ন গৰাকীক কাৰ্যকৰী সদস্যৰূপে লৈ ৩১ জনীয়া গোৱালপাৰা জিলা চৰ চাপৰি সাহিত্য পৰিষদৰ এখন শক্তিশালী নতুন সমিতি গঠন কৰা হয়।

# অসমৰ ভূমি মেঘালয়ক এৰি দিয়াৰ সিদ্ধান্ত অসম চৰকাৰৰ

## সংবাদমেলত প্ৰতিক্ৰিয়া নাগৰিক সুৰক্ষা মঞ্চ, অসমৰ

অগ্ৰদূত বাৰ্তা,

**অভয়াপুৰী, ২৭ জানুৱাৰী ঃ** সাংবিধানিক বাধ্য-বাধকতাৰ পৰিপ্ৰেক্ষিতত তিনি দশক ধৰি সৰ্বোচ্চ ন্যায়ালয়ে অসমৰ সীমা সমস্যাৰ ওপৰত ৰায়দান দিবলৈ সক্ষম নোহোৱাৰ সময়তে ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰী পদত অধিষ্ঠিত হৈয়ে দুটামান সংগঠন, ৰাজনৈতিক দলক লগত লৈয়ে অসমৰ ভূমি মেঘালয়ক গতাবলৈ অসাংবিধানিক, হঠকাৰী সিদ্ধান্ত ল'বলৈ আগবাঢ়িছে। এই মন্তব্য নাগৰিক সুৰক্ষা মঞ্চ, অসমৰ। মঞ্চৰ সভাপতি ভদ্ৰেশ্বৰ বৰ্মনে কালি এক সংবাদমেলত অসমৰ ভূমি চুবুৰীয়া ৰাজ্যই দখল কৰা সন্দৰ্ভত তথ্য দাঙি ধৰি উল্লেখ কৰে যে নাগালেণ্ডে ৭৮ হেজাৰ নশ ৪০ হেক্টৰ, অৰুণাচলে ৪৯ হেজাৰ চাৰিশ ৩০ হেক্টৰ, মিজোৰামে ৩৯ হেজাৰ দুশ ১৭ হেক্টৰ আৰু মেঘালয়ে ৫৫ হেজাৰ নশ ৪০ হেক্টৰ ভূমি দখল কৰি আছে। চুবুৰীয়া ৰাজ্যৰ আগ্ৰাসনে অসমৰ ভূ-খণ্ডক ক্ৰমশঃ সংকুচিত কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত প্ৰফুল্ল কুমাৰ মহন্ত নেতৃত্বাধীন অসম চৰকাৰে ১৯৮৮ত নাগালেণ্ড আৰু অৰুণাচল প্ৰদেশৰ আগ্ৰাসনৰ বিৰুদ্ধে সৰ্বোচ্চ ন্যায়ালয়ত গোচৰ ৰুজু কৰিছিল। গোচৰ দুটা ক্ৰমে আছিল অ' এছ ৩/ ১৯৮৮ আৰু অ'এছ ১/১৯৮৯। কিন্তু আজি তিনি দশক পাৰ হৈ যোৱাৰ পাছতো কোনো সমাধান নোলাল। আনকি চুবুৰীয়া ৰাজ্যৰ স'তে অসম চৰকাৰ, ভাৰত চৰকাৰৰ প্ৰতিনিধিৰ স'তে কে'বালানিও আলোচনা হৈ যোৱাৰ পাছতো সমস্যাৰ সমাধান নহ'ল। মঞ্চৰ সভাপতি বৰ্মনে অভয়াপুৰীস্থিত সংগঠনটোৰ অস্থায়ী কাৰ্যালয়ত আয়োজন কৰা সংবাদমেলত কয় যে কেন্দ্ৰীয় চৰকাৰে সংশ্লিষ্ট ৰাজ্যৰ অনুমতি সাপেক্ষে, লোকসভা আৰু ৰাজ্যসভাৰ অনুমোদন সাপেক্ষে, লোকসভা আৰু ৰাজ্যসভা উভয় সদনতে সৰ্বসন্মতি ক্ৰমে গৃহীত প্ৰস্তাৱহে আন্তঃৰাজ্যিক সীমা সন্দৰ্ভত সিদ্ধান্ত ল'ব পাৰে। এনে সিদ্ধান্ত লোৱাৰ সময়ত জনগণৰ দাবীক অগ্ৰাধিকাৰ দিয়াটো সাংবিধানিক দায়িত্ব। এনে পৰিপ্ৰেক্ষিততে দুয়োটা গোচৰ তিনি দশক ধৰি সৰ্বোচ্চ ন্যায়ালয়ত ওলমি ৰৈছে। ইয়াৰ পাছতো মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কিহৰ ভিত্তিত, কেনে সংবিধানৰ গণ্ডীত সকলো সাংবিধানিক বাধ্য-বাধকতাক আওকাণ কৰি নিজৰ খেয়াল-খুচি মতে কেইটামান সংগঠন, ৰাজনৈতিক দলক লগত লৈ অসমৰ ভূমি মেঘালয়ক গতোৱাৰ চূড়ান্ত সিদ্ধান্ত লৈছে, তাক লৈ সৰৱ হৈ পৰে সভাপতি বৰ্মন। অসমৰ ভূমি মুখ্যমন্ত্ৰী ড° শৰ্মাৰ পৈতৃক সম্পত্তি নহয় যে মন গ'লেই কাৰোবাক গতাই দিব।

# তিনিচুকীয়াত উদণ্ড বাইকাৰ্ছ সংঘটিত বহুকেইটা দুৰ্ঘটনা

অগ্ৰদূত বাৰ্তা

**মাৰ্ঘেৰিটা, ২৭ জানুৱাৰী ঃ** তিনিচুকীয়া জিলাৰ বিভিন্ন ৰাজপথত বাঢ়িছে উদণ্ড বাইকাৰ্ছৰ অতপালি! সংঘটিত হৈছে এটাৰ পাছত আনটো দুৰ্ঘটনা। লিডুৰ এজন যুৱকক আজি নিশা উদণ্ড মটৰ চাইকেল চালকে পিছফালৰ পৰা খুন্দিয়াই গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত কৰে। লিডু শামুজান গাঁৱৰ নিবাসী বাবু খানৰ পুত্ৰ আফটাব খান (১৭)-এ সন্ধিয়া প্ৰায় ছয় বজাত ওচৰৰে আত্মীয়ৰ ঘৰৰ পৰা খোজকাঢ়ি আহি থকা অৱস্থাত এখন নম্বৰপ্লেটবিহীন বুলেটে পিছফালৰ পৰা প্ৰচণ্ড বেগেৰে খুন্দিয়ায়। বহু দূৰলৈ ছিটিকি পৰি যুৱকজন ঘটনাস্থলীতে মুমূৰ্ষু হৈ পৰে। ইফালে, দুৰ্ঘটনা সংঘটিত কৰি বুলেটৰ আৰোহীজনে নিজৰ মটৰ চাইকেলখন ঘটনাস্থলীতে এৰি পলায়ন কৰে। মূৰত আৰু বুকুত গুৰুতৰভাৱে আঘাত পোৱা যুৱকজনক বৰ্তমান চিকিৎসকে উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড়লৈ প্ৰেৰণ কৰিছে। পৰিয়ালৰ লোকে ঘটনা সন্দৰ্ভত লিডু আৰক্ষীক এজাহাৰ দাখিল কৰিছে। পৰিয়ালৰ লোকে দুৰ্ঘটনাগ্ৰস্ত বাহনখনৰ মালিক লিডু ইটাখুলাৰ নিবাসী জনৈক তালুকদাৰৰ বুলি অভিযোগ কৰিছে।

# ১০ ফুট তিনি ইঞ্চি উচ্চতাৰ ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ আৱক্ষমূৰ্তি উন্মোচন



## নুমলীগড় শোধনগাৰ শাখা সাহিত্য সভাৰ উদ্যোগ

**অগ্ৰদূত বাৰ্তা**
**নুমলীগড়, ২৭ জানুৱাৰী ঃ** অসম সাহিত্য সভাৰ শ্ৰেষ্ঠ শাখা সাহিত্য সভাৰ সন্মানেৰে স্বীকৃত নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভাৰ উদ্যোগত তথা নুমলীগড় শোধনাগাৰৰ পৃষ্ঠপোষকতাত নুমলীগড় শোধনাগাৰ নগৰাঞ্চলৰ সাহিত্য সভা কাৰ্যালয় চৌহদত নিৰ্মিত ১০ ফুট তিনি ইঞ্চি উচ্চতাৰ ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ আবক্ষমূৰ্তি কালি উন্মোচন কৰা হয়। ডবা, কাহ, শংখ আৰু উৰুলিৰ মংগল ধ্বনিৰ লগতে এক অনুষ্ঠানত শোধনাগাৰৰ পৰিচালন সঞ্চালক সৌমেন্দ্ৰ কুমাৰ বৰুৱাই মূৰ্তিৰ আনুষ্ঠানিক উন্মোচন কৰে। তদুপৰি, শোধনাগাৰৰ কাৰিকৰীসঞ্চালক ভাস্কৰজ্যোতি ফুকন আৰু বিত্তসঞ্চালক ইন্দ্ৰনীল মিত্ৰই সুধাকণ্ঠজনৰ জীৱনী সম্বলিত ফলকৰ উন্মোচন কৰে। নুমলীগড় শোধনাগাৰ শাখা সাহিত্য সভাৰ সভাপতি হেমন্ত কুমাৰ নাথে আদৰণি ভাষণ আগবঢ়োৱা উক্ত অনুষ্ঠানত ড° ভূপেন হাজৰিকাৰ ভ্ৰাতৃ সমৰ হাজৰিকা সপৰিয়ালে উপস্থিত থাকে। বিশিষ্ট কলানিৰ্দেশক, ভাস্কৰ্যশিল্পী নুৰুদ্দিন আহমেদে এই মূৰ্তিটো নিৰ্মাণ কৰিছে। উক্ত অনুষ্ঠানত ভাস্কৰ্যশিল্পী গৰাকীক সম্ভাষণ জনোৱা হয়।

জব্দ এটা পইন্ট ২২ পিষ্টল, গুলি, এটা মেগেজিন

# খটখটীত পিষ্টলসহ যুৱক আটক

**বিশেষ সংবাদদাতা**
**বকলীয়াঘাট, ২৭ জানুৱাৰী ঃ** গণৰাজ্য দিৱসৰ মাজতে যোৱানিশা কাৰ্বি আংলং জিলাৰ খটখটীত আৰক্ষীয়ে পিষ্টলসহ এজন যুৱকক গ্ৰেপ্তাৰ কৰে। যোৱা নিশা আঠ বজাত খটখটী থানাৰ আৰক্ষী আৰু কাৰাগাঁও টহলদাৰী চকীৰ আৰক্ষীৰ দল এটা ভাৰপ্ৰাপ্ত বিষয়া অৰুণ কুমাৰ নাথৰ সহযোগত আৰক্ষীৰ এটা দলে খটখটী থানাৰ অন্তৰ্গত ইউনাইটেড আদিবাসী গাঁৱত তালাচী চলায়। উক্ত অভিযানত আৰক্ষীৰ দলটোৱে এজন যুৱকৰ জিম্মাৰ পৰা দুই জাই সক্ৰিয় গুলী, এটা মেগজিনসহ এটা পইন্ট ২২ পিষ্টল উদ্ধাৰ কৰে। ধৃত যুৱকজন উত্তৰ প্ৰদেশৰ দেওৰীয়া জিলাৰ লাৰ থানাৰ অন্তৰ্গত আজানা নিবাসী মন্টু প্ৰসাদ (৩০) বুলি চিনাক্ত কৰা হৈছে। উল্লেখ্য যে ধৃত যুৱকজনে অস্থায়ীভাৱে খটখটী থানাৰ অন্তৰ্গত লাংবালি গাঁৱত বাস কৰিছিল।



# ঘগ্ৰাপাৰ-বুৰবুৰীত নোনা নৈৰ মথাউৰি বালিৰে নিৰ্মাণৰ অভিযোগ

## ৰাইজৰ গৰখীয়া গোপাল থানলৈ ভাবুকি

**অগ্ৰদূত বাৰ্তা,**
**ঘগ্ৰাপাৰ, ২৭ জানুৱাৰী ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত নোনা নৈৰ সোঁফালে বুৰবুৰীত মথাউৰি নিৰ্মাণৰ নামত অনিয়ম-দুৰ্নীতি সংঘটিত হোৱা বুলি অভিযোগ উঠিছে। মথাউৰি নিৰ্মাণত ঠিকাদাৰে অনিয়ম সংঘটিত কৰাত আজি বুৰবুৰী গাঁৱৰ ৰাইজে মথাউৰিতে ক্ষোভ উজাৰে। বুৰবুৰী গাঁৱৰ যুৱনেতা ৰণ্টু শৰ্মা, শংশৰ ভট্ট, নিজখগটাৰ দিগন্ত তালুকদাৰৰ নেতৃত্বত একাংশ নৈপৰীয়া ৰাইজে মথাউৰিলৈ ওলাই আহি বিভিন্ন শ্ল'গান দি পৰিৱেশ উত্তাল কৰে। উল্লেখ্য যে নলবাৰী জলসম্পদৰ অধীনত প্ৰায় তিনি কিলোমিটাৰ দৈৰ্ঘ্যৰ প্ৰায় চাৰি কোটি ৮২ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হৈ থকা ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বুৰবুৰীৰ সমীপৰ নোনা নৈৰ মথাউৰি বালি মাটিৰে নিৰ্মাণ কাৰ্যৰ উচিত তদন্ত বাবে ইতিমধ্যে নলবাৰীৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাক স্থানীয় ৰাইজে লিখিত অভিয়োগ দিছে যদিও আজি পৰ্যন্ত কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। ইফালে, বালিৰে মথাউৰি নিৰ্মাণ কৰাৰ ফলত নোনা নৈৰ কাষত অৱস্থিত ঐতিহ্যমণ্ডিত গৰখীয়া গোপাল থানখনলৈ ভাবুকি কঢ়িয়াই আনিছে বুলি ৰাইজে অভিয়োগ উত্থাপন কৰিছে। উল্লেখ্য যে প্ৰতিবছৰে বানত ককবকাই থকা ৩১ নম্বৰ ঘাইপথৰ পৰা বাহাৰঘাটলৈ যোৱা মথাউৰিটোৰ এছোৱা নিৰ্মাণত ঠিকাদাৰে ব্যাপক অনিয়ম কৰাৰ অভিযোগ উঠিছে।

## কাছমাৰীত অগপৰ বিজয় উৎসৱ, দলীয় কৰ্মীক পুৰস্কাৰ বিতৰণ

# ঠেঙাল কছাৰী পৰিষদীয় নিৰ্বাচনত অগপ প্ৰাৰ্থীৰ জয়লাভ

**অগ্ৰদূত বাৰ্তা**
**মেৰাপানী, ২৭ জানুৱাৰী ঃ** মেৰাপানী মহকুমাৰ ১৩ নম্বৰ কাছমাৰী ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ সদ্যসমাপ্ত নিৰ্বাচনত শাসকীয় মিত্ৰজোঁটৰ অগপ প্ৰাৰ্থী শিখামণি ঠেঙাল বৰুৱা জয়ী হোৱাৰ পাছত আজি কাছমাৰীৰ শিখামণি ঠেঙালৰ বাসগৃহত শাসকীয় মিত্ৰজোঁটে অনুষ্ঠিত কৰে এক বিজয় উৎসৱ। বিগত ২০০১ৰ বিধানসভা নিৰ্বাচনৰ পাছত প্ৰথমবাৰৰ বাবে গোলাঘাট বিধানসভা সমষ্টিত অসম গণ পৰিষদ দলে ঠেঙাল কছাৰী পৰিষদীয় নিৰ্বাচনত সাব্যস্ত কৰা এই বিজয়ে দলীয় কৰ্মীসকলক যথেষ্ঠ উৎসাহিত কৰি তুলিছে। আজি অনুষ্ঠিত বিজয় উৎসৱ উপলক্ষে অনুষ্ঠিত এখন সভাত মিত্ৰজোঁটৰ বিজেপি আৰু অগপৰ কৰ্মীসকলে বিজয়ী প্ৰাৰ্থী শিখামণি ঠেঙাল বৰুৱাক সম্বৰ্ধনা জ্ঞাপন কৰে। সদ্য অনুষ্ঠিত ঠেঙাল কছাৰী পৰিষদীয় নিৰ্বাচনত গোলাঘাট জিলাৰ ১৩ নম্বৰ কাছমাৰী পৰিষদীয় সমষ্টিত অগপ প্ৰাৰ্থী শিখামণি ঠেঙাল বৰুৱাই কংগ্ৰেছ প্ৰাৰ্থী জাহ্নবী শইকীয়াক ৩০১ টা ভোটৰ ব্যৱধানত পৰাজিত কৰি আকৰ্ষণীয় বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হৈছে। অগপৰ কেন্দ্ৰীয় সমিতিৰ নেতা ড° নৃপেন বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত গোলাঘাট অগপৰ সম্পাদক আছিকুৰ ৰহমান, বিজেপি কিষাণ মৰ্চাৰ ৰাজ্যিক সভাপতি দেৱজিত বৰা, গোলাঘাট বিজেপিৰ সম্পাদক পোনা বৰাৰ লগতে বহু সংখ্যক দলীয় কৰ্মী উপস্থিত থাকে। ইফালে, বিজয় উৎসৱৰ অনুষ্ঠানতে গোলাঘাট জিলাৰ অসম গণ পৰিষদ দলৰ কৰ্মীসকলক উৎসাহিত কৰিবলৈ এক অভিনৱ পদক্ষেপ গ্ৰহণ কৰে অগপ গোলাঘাট জিলা সমিতিয়ে। দলৰ উত্তৰণৰ স্বাৰ্থত অৰিহণা যোগোৱাৰ লগতে শেহতীয়া পৰিষদীয় নিৰ্বাচনত সৰ্বাধিক ভোট লাভ কৰা বুথসমূহৰ কৰ্মীসকলক আৰ্থিক পুৰস্কাৰেৰে পুৰস্কৃত কৰাৰ ব্যৱস্থা কৰে গোলাঘাট জিলা অগপই। ১৩ নম্বৰ কাছমাৰী পৰিষদীয় সমষ্টিত অগপ প্ৰাৰ্থী শিখামণি ঠেঙাল বৰুৱাক সৰ্বাধিক ভোট প্ৰদান কৰা সোণালী পথাৰ বুথক ১০ হেজাৰ টকা, কল্যাণপুৰ বুথ সমিতিক পাঁচ হেজাৰ টকা আৰু দক্ষিণ নেঘেৰি বুথ সমিতিক নগদ তিনি হেজাৰ টকা আৰ্থিক পুৰস্কাৰ প্ৰদান কৰে গোলাঘাট জিলা অগপৰ সম্পাদক আছিকুৰ ৰহমানে।

# অসম ভিত্তিত তৰ্ক প্ৰতিযোগিতাৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**
**জাঁজী, ২৭ জানুৱাৰী ঃ** যোৰহাট জিলাৰ টীয়ক প্ৰেছ ক্লাবৰ ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানৰ স'তে সংগতি ৰাখি অহা ১৯ ফেব্ৰুৱাৰীত টীয়ক উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয় প্ৰেক্ষাগৃহত সদৌ অসম ভিত্তিত এখন আন্তঃমহাবিদ্যালয় প্ৰাইজমানি তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাৰ তৰ্কৰ বিষয় 'সামাজিক মাধ্যম বৰ্তমান সময়ত বৈদ্যুতিন আৰু ছপা মাধ্যমৰ বাবে এক প্ৰত্যাহ্বান'। মহাবিদ্যালয়-বিশ্ববিদ্যালয়ৰ পৰা দুজনীয়া ছাত্ৰ-ছাত্ৰীৰে গঠিত (এগৰাকীয়ে সপক্ষে আৰু আনগৰাকীয়ে বিপক্ষে) দলে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব। সবিশেষ জানিবৰ বাবে আৰু আগতীয়াকৈ যোগদান নিশ্চিত কৰিবৰ বাবে ইচ্ছুক প্ৰতিযোগীসকলে ৭০৮৬৩০৩২৩৩, ৭০০২৮১২৩৪৩ নম্বৰত যোগাযোগ কৰিব পাৰিব।

## বুজ ল'লে ৭.৫ কোটি টকীয়া অভিলাষী আঁচনিৰ

# মন্ত্ৰী পীযুষৰ খহনীয়া পৰিদৰ্শন

**ডুমডুমা, ২৭ জানুৱাৰী ঃ** তিনিচুকীয়া জিলাত কালি জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা উপস্থিত হৈ কে'বা ঠাইতো বান-খহনীয়া পৰিদৰ্শন কৰে। মন্ত্ৰী হাজৰিকাই কালি তিনিচুকীয়া জিলাত কেন্দ্ৰীয়ভাৱে আয়োজন কৰা গণতন্ত্ৰ দিৱসৰ পতাকা উত্তোলন কৰাৰ পাছত খহনীয়া অঞ্চল পৰিদৰ্শন কৰে। তিনিচুকীয়া জিলাৰ শদিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত দিবাং নদীয়ে সৃষ্টি কৰা খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শনৰ বাবে মন্ত্ৰী হাজৰিকাই বাঁহবাৰী ঘাটৰ পৰা হাতীঘুলিলৈকে নাৱেৰে যাত্ৰা কৰে। তেওঁ কেনেদৰে নিৰ্মাণ কৰিলে খহনীয়া ৰোধ কৰিব পাৰি তাৰ সন্দৰ্ভত বিভাগীয় বিষয়া-কৰ্মচাৰীৰ স'তে আলোচনা কৰে। ইয়াৰ লগতে এছডিআৰএফৰ ৭.৫ কোটি টকা ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া বান্ধৰ কাম অতি সোনকালে আৰম্ভ



কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। ইফালে, ৩৭ নম্বৰ ঘাইপথটোৰ কিছু অংশ কুণ্ডিল নদীয়ে খহাই পথটোৰ লগতে পথচাৰী তথা কাষৰীয়া ৰাইজৰ প্ৰতি ভাবুকি সৃষ্টি কৰি আহিছিল। সেই অঞ্চল পৰিদৰ্শন কৰাৰ লগতে প্ৰতিৰোধৰ বাবে চলি থকা নিৰ্মাণ কাৰ্য পৰ্যবেক্ষণ কৰে। কুণ্ডিল নদীৰ বান সমস্যা সমাধানৰ বাবে অতি সোনকালে নদীখনৰ খনন কাৰ্য আৰম্ভ কৰা হ'ব বুলি সিদ্ধান্ত লোৱা বিষয়েও মন্ত্ৰী হাজৰিকাই উল্লেখ কৰে। পৰিদৰ্শন কালত মন্ত্ৰী হাজৰিকাৰ স'তে লখিমপুৰৰ সাংসদ প্ৰদান বৰুৱা, বিধায়কদ্বয় বলিন চেতিয়া আৰু ৰূপেশ গোৱালা, তিনিচুকীয়া জিলাৰ উপায়ুক্ত নৰসিং পৱাৰ, জলসম্পদ বিভাগৰ কাৰ্যবাহী অভিযন্তাই সংগ দিয়ে।

# ৰঙাজানত কলাগুৰু দিৱস আয়োজন

**ডুমডুমা, ২৭ জানুৱাৰী ঃ** তিনিচুকীয়া জিলাৰ অন্তৰ্গত ৰঙাজানস্থিত বিষ্ণু-জ্যোতি শিশু বিকাশ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত অহা ৩১ জানুৱাৰীত শিল্পী কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ জন্মদিন 'কলাগুৰু দিৱস' আয়োজন কৰা হৈছে। ২০১৪ৰ পৰা বিভিন্ন সাহিত্য, সাংস্কৃতিক, সামাজিক আদি অনুষ্ঠানৰ সহযোগত দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰি অহা উক্ত দিৱসটো এই বৰ্ষত ক'ভিড পৰিস্থিতিৰ বাবে ৰঙাজান মইনা পাৰিজাত আৰু ৰঙাজান বিষ্ণু-জ্যোতি শিশু বিকাশ কেন্দ্ৰৰ উদ্যোগত অনুষ্টুপীয়াকৈ উদ্‌যাপন কৰিবলৈ লৈছে। 'কলাগুৰু দিৱস'ত ৰাইজৰ উপস্থিতি ৰঙাজান বিষ্ণু-জ্যোতি শিশু বিকাশ কেন্দ্ৰৰ সঞ্চালক ভাস্কৰ হেমন্ত ৰাজ মৰাণ আৰু সম্পাদক মনোৰঞ্জন মৰাণে কামনা কৰিছে।

# মিকিৰ বামুণী গ্ৰাণ্টৰ কৃষকৰ ভূমিৰ অধিকাৰ ঘূৰাই দিয়াৰ দাবীত প্ৰতিবাদ


## পঞ্জাৱৰ দুই কৃষক নেতাৰ অংশগ্ৰহণ ঃ উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান চি পি আইৰ



**বিশেষ সংবাদদাতা**
**নগাঁও, ২৭ জানুৱাৰী ঃ** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত মিকিৰ বামুণী গ্ৰাণ্টৰ ৰায়তি কৃষকসকলে নিজৰ কৃষি ভূমিৰ ওপৰত অধিকাৰ ঘূৰাই দিয়াৰ দাবীত কালি গণৰাজ্য দিৱসৰ দিনা এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰে। উক্ত প্ৰতিবাদী কাৰ্যসূচীত পঞ্জাৱৰ পৰা অহা দুই কৃষক নেতাই অংশগ্ৰহণ কৰে। মিকিৰ বামুণী গ্ৰাণ্টৰ ৰায়তি কৃষকৰ কৃষি ভূমিৰ পৰা ৰায়তি কৃষকৰ অধিকাৰ খৰ্ব কৰি এজিউৰ পাৱাৰ কোম্পানীক সৌৰশক্তি প্ৰকল্প স্থাপনৰ বাবে চৰকাৰে অনুমোদন জনোৱাৰ প্ৰতিবাদত নিখিল ভাৰত কৃষক সভা, চি পি আই, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, কৃষক মুক্তি সংগ্ৰাম সমিতিকে ধৰি বিভিন্ন দল-সংগঠনে ধাৰাবাহিকভাৱে সংগ্ৰাম কৰি আহিছে। ইয়াৰ অংশৰূপে কালিও মিকিৰ বামুণী গ্ৰাণ্টত এই দল-সংগঠনসমূহে কৃষকৰ ভূমিৰ অধিকাৰ বিচাৰি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰে। মিকিৰ বামুণী গ্ৰাণ্টৰ কৃষকক ৰায়তি মাটি ঘূৰাই দিয়ক, এজিউৰ কোম্পানী মূৰ্দাবাদ, সকলো কৃষক এক হওঁক, পুঁজিবাদ মূৰ্দাবাদ আদি আদি শ্ল'গান দিয়ে। কালি প্ৰতিবাদকাৰীসকলে নগাঁৱৰ উপায়ুক্ত কাৰ্যালয়ৰ সম্মুখত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰিবলৈ বিচাৰিছিল যদিও প্ৰশাসনে অনুমতি নিদিয়াত প্ৰতিবাদকাৰীসকল নগাঁও আৰ্বত ভৱনৰ সম্মুখত সমবেত হৈ বিভিন্ন ধ্বনি দি পৰিৱেশ উত্তাল কৰে। এই কাৰ্যসূচীত পঞ্জাৱৰ দুই কৃষক নেতা তেজবিৰ সিং, গুৰমিত সিং, কৃষক নেতা জয়ন্ত গগৈ, সোনেশ্বৰ নৰহ, অধিবক্তা কৃষ্ণ গগৈ, ইনামুল হুদা, ছাত্ৰনেতা মনোজ সিংহ ৰাজা, চি পি আইৰ ৰাতুল বৰা, জিতু নাথ, সমাজকৰ্মী ইশান কোচ ৰাজবংশী, বিদিশা বৰ্মন, বসুন্ধৰা জয়ৰথ, লিখক প্ৰত্যুষৰঞ্জন ভাগৱতী, দীপ গগৈ আদিয়ে অংশগ্ৰহণ কৰে। উপায়ুক্ত কাৰ্যালয়ৰ সম্মুখত প্ৰশাসনে অনুমতি নিদিয়াত প্ৰতিবাদকাৰীসকলে মিকিৰ বামুণী গ্ৰাণ্টত এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰে। আনহাতে, আজি চি পি আইৰ নগাঁও জিলা পৰিষদে নগাঁও জিলাৰ উপায়ুক্তক এখন স্মাৰকপত্ৰ প্ৰদান কৰি মিকিৰ বামুণী গ্ৰাণ্টৰ কৃষকসকলৰ কৃষিভূমি ৰায়তি কৃষকসকলক ঘুৰাই দি সম্পূৰ্ণ অবৈধভাৱে স্থাপন কৰা এজিউৰ পাৱাৰ কোম্পানীৰ সকলো নিৰ্মাণকাৰ্য বন্ধ কৰা, আৱেদন কৰা সকলো কৃষকক কৃষকসকলৰ উপৰি পুৰুষৰ নামত থকা ৰায়তি খতিয়ানৰ নকল কপি কৃষকক শীঘ্ৰেই প্ৰদান কৰাকে ধৰি কে'বাটাও দাবী উত্থাপন কৰে।

# তিনি মাহেও সন্ধান নোলাল শিৱা নয়ন দাসৰ

**অগ্ৰদূত বাৰ্তা**
**গৌৰীসাগৰ, ২৭ জানুৱাৰী ঃ** তিনিমাহ পূৰ্বে ঘৰৰ পৰা সন্ধানহীন হোৱা শিৱসাগৰ জিলাৰ আইলামুখ গাঁৱৰ ২১ বছৰীয়া যুৱক শিৱা নয়ন দাসৰ আজিও সন্ধান ওলোৱা নাই। একমাত্ৰ পুত্ৰৰ সন্ধানত পিতৃ-মাতৃয়ে আৰক্ষী থানাৰ লগতে আত্মীয় স্বজনৰ উপৰি বিভিন্নজনৰ কাষ চাপিছে যদিও পুত্ৰৰ সন্ধান উলিয়াব নোৱাৰি চৰম হতাশাত ভূগিছে। উল্লেখ্য যে জয়সাগত আৰক্ষী চকীৰ অন্তৰ্গত গাঁওখনৰ নিবাসী গজেন দাস আৰু নিৰু দাসৰ একমাত্ৰ সন্তান শিৱানয়নে যোৱা বছৰ ১১ অক্টোবৰত নিশা আঠ বজাত ঘৰৰ পৰা সন্ধানহীন হৈ পৰে। ঘৰৰ পৰা নিৰুদ্দেশ হোৱা তিনিদিনৰ পাছতে জয়সাগৰ আৰক্ষী চকীত পিতৃ-মাতৃয়ে এজাহাৰ দাখিল কৰে। কিন্তু আৰক্ষী চকীৰ আৰক্ষীয়ে যোৱা তিনিমাহেও যুৱকজনৰ সন্ধান উলিয়াবলৈ সক্ষম নহ'ল। আনহাতে, পুত্ৰৰ সম্ভেদ পোৱাৰ আশাৰে আৰক্ষী চকীখনলৈ তাতবাতি কৰি থকা পিতৃ-মাতৃক আৰক্ষীয়ে নিৰুদ্দিষ্ট পুত্ৰৰ সন্ধান চলাই থকা বুলিয়েই আশ্বাস দি আহিছে।



# মহিলাৰ ফাইনেলত বাৰ্টি-ডানিয়েলা

## হিলফুল ক্লাব ফাইনেলত

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ২৭ জানুৱাৰীঃ** মৰিগাঁও জিলাৰ নগাবন্ধা বজাৰ সমিতিৰ উদ্যোগত নগাবন্ধা মিনি ষ্টেডিয়ামত চলি থকা সদৌ অসম প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাৰ বুধবাৰৰ খেলত মৰিগাঁৱৰ মিলনপুৰৰ হিলফুল ক্লাবে ভূৰবন্ধাৰ টুটু এন.আৰ.এছ.ক ন উইকেটত হৰুৱাই ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত ভূৰবন্ধাৰ টুটু এন.আৰ.এছ. দলটোৱে পোনতে বেট ধৰি 16 অভাৰত আঠটা উইকেট হেৰুৱাই 114 ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত মিলনপুৰ হিলফুল ক্লাব দলটোৱে বেট ধৰি 9.4 অভাৰত এটা উইকেটৰ বিনিময়তে 117 ৰাণ সংগ্ৰহৰে বিজয় লক্ষ্যত উপনিত হয়।



### অষ্ট্ৰেলিয়ান অপেন

**মেলবৰ্ণ, ২৭ জানুৱাৰী ঃ** চলিত অষ্ট্ৰেলিয়ান অপেনৰ মহিলাৰ একক শাখাৰ ফাইনেল মেচখন অনুষ্ঠিত হ'ব আমেৰিকাৰ ডানিয়েলা ক'লিনছ আৰু অষ্ট্ৰেলিয়াৰ বাৰ্টিৰ মাজত। উল্লেখ্য যে প্ৰথমখন ছেমিফাইনেলত অষ্ট্ৰেলিয়াৰ বাৰ্টিয়ে 6-1, 6-3 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে মেডিছন কিছক। আনহাতে, দ্বিতীয়খন ছেমিফাইনেলত আমেৰিকাৰ ডানিয়েলা ক'লিনছে 6-4, 6-1 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে ইগাক। উল্লেখ্য যে কোৱাৰ্টাৰ ফাইনেলত বাৰ্টিয়ে 6-2, 6-0 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰিছিল পেগুলাক। আনহাতে, মহিলাৰ একক শাখাৰ আন এখন কোৱাৰ্টাৰ ফাইনেলত কিছে 6-3, 6-2 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰিছিল বাৰ্বোৰাক। উল্লেখ্য যে হালেপ, অ'ছাকা আদি তাৰকাৰ বিদায়ৰ পাছত এতিয়া খিতাপৰ দাবিদাৰ হৈ পৰিছে অষ্ট্ৰেলিয়াৰ বৰ্টি। বিশ্ব ৰেংকিঙৰ শীৰ্ষস্থানৰ মহিলা টেনিছ খেলুৱৈ অষ্ট্ৰেলিয়াৰ বাৰ্টিয়ে ইয়াৰপূৰ্বে চতুৰ্থ ৰাউণ্ডৰ মেচত 6-4, 6-3 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰিছিল আমান্দাক। আনহাতে, তৃতীয় ৰাউণ্ডৰ মেচত বাৰ্টিয়ে 6-2, 6-3 ৰ পোনপটীয়া ব্যৱধানত হৰুৱাইছিল কামিলাক। ইয়াৰপূৰ্বে মহিলাৰ একক শাখাৰ দ্বিতীয় ৰাউণ্ডৰ মেচত বাৰ্টিয়ে 6-1, 6-1 ৰ পোনপটীয়া ব্যৱধানত ইটালীৰ লুছিয়াক পৰাস্ত কৰিছিল । ঘৰুৱা সমৰ্থকৰ সন্মুখত খেলা বাৰ্টিয়ে মাত্ৰ 52 মিনিটতে দ্বিতীয় ৰাউণ্ডৰ মেচখনত জয়লাভ কৰে। মহিলাৰ একক শাখাৰ প্ৰথম ৰাউণ্ডৰ মেচত অষ্ট্ৰেলিয়াৰ বাৰ্টিয়ে প্ৰতিদ্বন্দ্বী লেছিয়াক 6-0, 6-1 ৰ ব্যৱধানত পৰাস্ত কৰিছিল।



## এতিয়াও নিশ্চিত হোৱা নাই ভাৰতৰ নতুন টেষ্ট অধিনায়ক

**মুম্বাই, ২৭ জানুৱাৰী ঃ** অহা মাহত ভাৰত ভ্ৰমণলৈ আহিব ৱেষ্ট ইণ্ডিজ ক্ৰিকেট দল। এই ভ্ৰমণত কেৰিবিয়ান দলে তিনিখন এদিনীয়া আৰু সমসংখ্যক টি-20 মেচ খেলিব। বি চি চি আয়ে ভাৰতীয় ক্ৰিকেট দল আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ এদিনীয়া আৰু টি-20 মেচৰ শৃংখলাৰ সূচী প্ৰকাশ কৰিছে। সেই অনুসৰি এদিনীয়া মেচ তিনিখন আহমেদাবাদত আৰু টি-20 মেচ তিনিখন কলকাতাত অনুষ্ঠিত হ'ব। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অহা ছয়, ন আৰু 11 ফেব্ৰুৱাৰীত এদিনীয়া মেচ তিনিখন হোৱাৰ বিপৰীতে কলকতাৰ ইডেন গাৰ্ডেনত অহা 16, 18, 20 ফেব্ৰুৱাৰীত টি-20 মেচ তিনিখন অনুষ্ঠিত হ'ব। উল্লেখ্য যে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলিব লগা এদিনীয়া আৰু টি-20 মেচৰ শৃংখলাত ভাৰতীয় দলক নেতৃত্ব দিব ৰোহিত শৰ্মাই। বি চি চি আয়ে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলিব লগা এদিনীয়া আৰু টি-20 মেচৰ শৃংখলাৰ বাবে ভাৰতীয় দল দুটা ঘোষণা কৰিছে। কিন্তু ভাৰতীয় দলৰ নতুন টেষ্ট অধিনায়ক কোন হ'ব সেয়া এতিয়াও নিশ্চিত হোৱা নাই বুলি বি চি চি আইৰ সূত্ৰত প্ৰকাশ। উল্লেখ্য যে ভাৰত-ৱেষ্ট ইণ্ডিজৰ শৃংখলাৰ পাছতে ভাৰতলৈ আহিব শ্ৰীলংকা দল। টীম ইণ্ডিয়াই শ্ৰীলংকাৰ বিৰুদ্ধে দুখন টেষ্ট আৰু তিনিখন টি-20 মেচ খেলিব। অহা মাৰ্চত হ'ব এই শৃংখলা। তাৰপাছতে মাৰ্চৰ অন্তিম সপ্তাহৰ পৰা দেশত আই পি এল হোৱাৰ সম্ভাৱনা আছে। ইফালে, চলিত বৰ্ষতে ভাৰতলৈ আহিব দক্ষিণ আফ্ৰিকা দলো। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে পাঁচখন টি-20 মেচ খেলিব টীম ইণ্ডিয়াই। কিন্তু শ্ৰীলংকা আৰু দক্ষিণ আফ্ৰিকাৰ সূচী প্ৰকাশ কৰা হোৱা নাই।

### দুখন মেচত জয়ী হ'লেই ইতিহাস গঢ়িব ৰাফেল নাডালে

## আজি পুৰুষৰ দুয়োখন ছেমিফাইনেল



**মেলবৰ্ণ, ২৭ জানুৱাৰী ঃ** চলিত অষ্ট্ৰেলিয়ান অপেনৰ পুৰুষৰ একক শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে ডানিল। কোৱাৰ্টাৰ ফাইনেলত তেওঁ 6-7, 6-3, 7-6, 7-5, 6-4 ৰ ব্যৱধানত জয়ী হয়। উল্লেখ্য যে প্ৰত্যাশিতভাবে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল ৰাছিয়াৰ ডানিল মেডভেদেৱে। পুৰুষৰ একক শাখাৰ চতুৰ্থ ৰাউণ্ডত মেচত ডানিল জয় হয় 6-2, 7-6, 6-7, 7-5 ৰ ব্যৱধানত। ইয়াৰপূৰ্বে তৃতীয় ৰাউণ্ডৰ মেচত ডানিলে মাত্ৰ 55 মিনিটত 6-4, 6-4, 6-2 ৰ ব্যৱধানত জয়লাভ কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল। আনহাতে, মেডভেদেৱে দ্বিতীয় ৰাউণ্ডৰ মেচত জয়লাভ কৰি হেলাৰঙে তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছিল। নিকৰ বিৰুদ্ধে 7-6, 6-4, 4-6, 6-2 ৰ ব্যৱধানত জয়লাভ কৰে ডানিলে। তদুপৰি প্ৰথম ৰাউণ্ডৰ মেচত ডানিলে 6-1, 6-4, 7-6 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰিছিল হেনৰীক। ছেমিফাইনেলত ডানিল মুখামুখি হ'ব ষ্টেফান'ছৰ। ইফালে, পুৰুষৰ একক শাখাৰ আনখন ছেমিফাইনেল অনুষ্ঠিত হ'ব নাডাল আৰু বাৰেটিনিৰ মাজত। উল্লেখ্য যে স্পেইনৰ তাৰকা ৰাফেল নাডালে চলিত অষ্ট্ৰেলিয়ান অপেনৰ পুৰুষৰ একক শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰি খিতাপ জয়ৰ বাবে মাত্ৰ দুখন মেচৰ দূৰত আছে। পুৰুষৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত নাডালে চাৰি ঘণ্টা আঠ মিনিটৰ যুঁজৰ অন্তত পাঁচটা মাৰাথন ছেট খেলি 6-3, 6-4, 4-6, 3-6, 6-4 ৰ ব্যৱধানত পৰাস্ত কৰে কানাডাৰ ছাপ'ভাল'ভক। এইবাৰ খিতাপৰ যুঁজ ডানিল আৰু নাডালৰ মাজতে হোৱাৰ সম্ভাৱনা আছে। উল্লেখ্য যে নাডালে ইয়াৰপূৰ্বে চতুৰ্থ ৰাউণ্ডৰ মেচত 7-6, 6-2, 6-2 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰিছিল এড্ৰিয়ানক। বিশ্ব টেনিছৰ তাৰকা ৰাফেল নাডালে তৃতীয় ৰাউণ্ডৰ মেচত 6-3, 6-2, 3-6, 6-1 ৰ ব্যৱধানত জয়ী হোৱাৰ বিপৰীতে পুৰুষৰ একক শাখাৰ দ্বিতীয় ৰাউণ্ডৰ মেচত স্পেইনৰ তাৰকাজনে 6-2, 6-3, 6-4 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে হানমানক। কেৰিয়াৰৰ 21 সংখ্যক গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতাৰ খিতাপ জয়ৰ লক্ষ্য লৈ মেলবৰ্ণলৈ আহিছে নাডাল। বছৰৰ প্ৰথমখন গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা অষ্ট্ৰেলিয়ান অপেনত শীৰ্ষ বাছনিৰ নাডালে প্ৰথম ৰাউণ্ডৰ মেচত 6-1, 6-4, 6-2 ৰ ব্যৱধানত পৰাস্ত কৰিছিল মাৰ্কাছক।

### আঘাতৰ বাবে পুনৰ বাদ পৰিল জাডেজা ঃ বুমৰাহ-ছামিক জিৰণি

## ৰোহিত শৰ্মাৰ নেতৃত্বত ৱেষ্টইণ্ডিজৰ বিৰুদ্ধে খেলিব লগা ভাৰতীয় দল ঘোষণা

**মুম্বাই, ২৭ জানুৱাৰী ঃ** ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলিব লগা এদিনীয়া আৰু টি-20 মেচৰ শৃংখলাত ভাৰতীয় দলক নেতৃত্ব দিব ৰোহিত শৰ্মাই। উল্লেখ্য যে বি চি চি আয়ে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলিব লগা এদিনীয়া আৰু টি-20 মেচৰ শৃংখলাৰ বাবে ভাৰতীয় দল দুটা ঘোষণা কৰিছে। দুই অভিজ্ঞ পেচাৰ যশপ্ৰীত বুমৰাহ আৰু মহম্মদ ছামিক জিৰণি দিয়া হৈছে। বিপৰীতে আঘাতৰ পৰা এতিয়াও ৰবীন্দ্ৰ জাডেজা মুক্ত নহোৱাত দলত স্থান নাপালে। কিন্তু আঘাতৰ পৰা মুক্ত হৈ উঠিছে অধিনায়ক ৰোহিত। শৃংখলাত সহঃ অধিনায়ক লোকেছ ৰাহুলে দ্বিতীয় এদিনীয়া মেচৰ পৰাহে দলত যোগ দিব। আনহাতে, অক্ষৰ পেটেলে কেবল টি-20 শৃংখলাতহে খেলিব। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাত হোৱা এদিনীয়া শৃংখলাত টীম ইণ্ডিয়াক নেতৃত্ব দিছিল অ'পেনাৰ লোকেছ ৰাহুলে। শেহতীয়াকৈ ভাৰতীয় এদিনীয়া দলৰ অধিনায়ক হিচাপে দায়িত্ব পোৱা ৰোহিত শৰ্মাই আঘাতৰ পৰা আৰোগ্য লাভ নকৰাত ৰাষ্ট্ৰীয় নিৰ্বাচক মণ্ডলীয়ে ৰাহুলৰ কান্ধত এই দায়িত্ব অৰ্পণ কৰিছিল। উল্লেখ্য যে, দক্ষিণ আফ্ৰিকা ভ্ৰমণলৈ প্ৰস্তুতি চলাই থকাৰ সময়তে ৰোহিত শৰ্মাই হেমষ্ট্ৰিঙৰ আঘাতৰ সন্মুখীন হৈছিল। পাছত তেওঁ বাংগালুৰুস্থিত ৰাষ্ট্ৰীয় ক্ৰিকেট একাডেমীত নিজকে সুস্থ কৰি তোলাৰ প্ৰক্ৰিয়া চলাই আছিল। কিন্তু সময় মতে সুস্থ নহোৱাত ৰোহিত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে এদিনীয়া শৃংখলাৰ পৰাও বাহিৰ হয়। কিন্তু ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলিব লগা এদিনীয়া আৰু টি-20 মেচৰ শৃংখলাত ভাৰতীয় দলক নেতৃত্ব দিব ৰোহিত শৰ্মাই। উল্লেখ্য যে অহা মাহত ভাৰত ভ্ৰমণলৈ আহিব ৱেষ্ট ইণ্ডিজ ক্ৰিকেট দল। এই ভ্ৰমণত কেৰিবিয়ান দলে তিনিখন এদিনীয়া আৰু সমসংখ্যক টি-20 মেচ খেলিব।



### ঘোষিত এদিনীয়া দল

ৰোহিত শৰ্মা (অধিনায়ক), লোকেছ ৰাহুল, ৰিতুৰাজ গাইকোৱাড, শিখৰ ধৱন, বিৰাট কোহলি, সূৰ্যকুমাৰ যাদব, শ্ৰেয়াছ আয়াৰ, দীপক হুদা, ঋষভ পণ্ট, দীপক চাহাৰ, ছাৰ্দুল ঠাকুৰ, যুজবেন্দ্ৰ চাহাল, কুলদ্বীপ যাদব, ৱাশ্বিংটন সুন্দৰ, ৰবী বিষ্ণয়, মহম্মদ চিৰাজ, প্ৰসিদ্ধ কৃষ্ণা আৰু আভেশ খান।

### টীম ইণ্ডিয়াৰ টি-২০ দল

ৰোহিত শৰ্মা (অধিনায়ক), লোকেছ ৰাহুল, ইষান কিষান, বিৰাট কোহলি, সূৰ্যকুমাৰ যাদব, শ্ৰেয়াছ আয়াৰ, ঋষভ পণ্ট, ভেংকটেশ আয়াৰ, দীপক চাহাৰ, ছাৰ্দুল ঠাকুৰ, ৰবী বিষ্ণয়, অক্ষৰ পেটেল, যুজবেন্দ্ৰ চাহাল, ৱাশ্বিংটন সুন্দৰ, মহম্মদ চিৰাজ, ভূৱনেশ্বৰ কুমাৰ, হাৰ্যল পেটেল আৰু আভেশ খান।





### অন্তিম মেচত ৭৫ ৰাণত পৰাস্ত হ'ল নেদাৰলেণ্ড

## ক্ৰমাগত তৃতীয় জয়ৰে ৩-০ ৰ ব্যৱধানত এদিনীয়া শৃংখলা লাভ আফগানিস্তানৰ

**ডোহা, ২৭ জানুৱাৰী ঃ** আফগানিস্তানে নেদাৰলেণ্ডছৰ বিৰুদ্ধে খেলা তিনিখনীয়া এদিনীয়া শৃংখলাটো 3-0 ৰ ব্যৱধানত লাভ কৰিছে। উল্লেখ্য যে তৃতীয়খন মেচত আফগানিস্তানে 75 ৰাণত জয়লাভ কৰে। পোনতে বেটিং কৰি আফগানিস্তানে পাঁচ উইকেটত কৰে 254 ৰাণ। প্ৰত্যুত্তৰত, নেদাৰলেণ্ডছে 179 ৰাণত ইনিংছ সামৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে শৃংখলাৰ দ্বিতীয়খন মেচত আফগানিস্তানে 48 ৰাণত জয়লাভ কৰিছিল। পোনতে বেটিং কৰি গুৰবাজৰ (103] শতকৰে আফগানিস্তানে ছয় উইকেটত 237 ৰাণ কৰে। প্ৰত্যুত্তৰত, নেদাৰলেণ্ডছে 189 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। ৰেহমানে দখল কৰে চাৰিটা উইকেট। আনহাতে, আফগানিস্তানে এদিনীয়া শৃংখলাৰ প্ৰথমখন মেচত 36 ৰাণত জয়লাভ কৰিছিল। উল্লেখ্য যে এই জয়ৰে আফগানিস্তানে তিনিখনীয়া এদিনীয়া শৃংখলাত 1-0 ৰ অগ্ৰগতি লয়। ডোহাত অনুষ্ঠিত হোৱা মেচত পোনতে বেটিং কৰি আফগানিস্তানে ন উইকেটত 222 ৰাণ কৰে। দলৰ হৈ শ্বাহে 70 ৰাণ আৰু শ্বাহিদীয়ে 73 ৰাণ কৰে। প্ৰত্যুত্তৰত, নেদাৰলেণ্ডছে 48 অভাৰত 186 ৰাণ কৰি ইনিংছ সামৰে।



## তৃতীয় উত্তৰ-পূৱ মিডিয়া ক্ৰিকেটত এন কে টিভি, প্ৰাগ নিউজৰ জয়লাভ

**গুৱাহাটী, ২৭ জানুৱাৰী ঃ** গুৱাহাটীৰ জজ খেলপথাৰত চলি থকা তৃতীয় ৰাইছমদি নুনিচা সোৱৰণী উত্তৰ-পূব মিডিয়া ক্ৰিকেট চেম্পিয়ন ট্ৰফীৰ বৃহস্পতিবাৰৰ মেচত জয়লাভ কৰিছে এন কে টিভি আৰু প্ৰাগ নিউজে । পুৱা বৰষুণৰ বাবে অভাৰ সীমিত কৰা প্ৰথম মেচত এন কে টিভিয়ে চাৰি ৰাণত পৰাস্ত কৰে নিউজ টাইম অসমক। বিজয়ী দলৰ প্ৰণৱ জ্যোতি দাসে মাত্ৰ এক অভাৰ বলিং কৰিয়েই ক্ৰমাগত তিনিটা উইকেট দখল কৰাৰ দ্বাৰা টুৰ্ণামেণ্টৰ প্ৰথমটো হেটট্ৰিক অৰ্জন কৰে। ইফালে, দ্বিতীয় মেচত প্ৰাগ নিউজে দি এ নিউজ প্লাছৰ বিৰুদ্ধে ন উইকেটত বিজয়ী হয় । অৰ্ধশতকীয় ইনিংছ খেলা মৃগাংক শৰ্মাক মেন অৱ দ্য মেচৰ ট্ৰফী প্ৰদান কৰা হয় । কাইলৈ পুৱা ডিডিকে দলে এন ডি 24ৰ বিৰুদ্ধে আৰু বিয়লি এন কে টিভিয়ে কাৰ্বি আংলং প্ৰেছ ক্লাবৰ বিৰুদ্ধে খেলিব।

### পুনৰ পৰাজয়ৰ সন্মুখীন ইংলণ্ড

## তৃতীয় টি-২০ জয়ৰে শৃংখলাত ২-১ ৰ অগ্ৰগতি ৱেষ্টইণ্ডিজৰ

**ব্ৰীজটাউন, ২৭ জানুৱাৰী ঃ** ৱেষ্ট ইণ্ডিজে তৃতীয়খন টি-20 মেচত ইংলণ্ডক 20 ৰাণত পৰাস্ত কৰি পাঁচখনীয়া শৃংখলাত 2-1 ৰ অগ্ৰগতি লৈছে। পোনতে বেটিং কৰি ৱেষ্ট ইণ্ডিজে ৰবমান পাৱেলৰ (107] শতক তথা নিক'লাছ প'ৰানৰ 70 ৰাণৰ সহায়ত পাঁচ উইকেটত 224 ৰাণ কৰে। প্ৰত্যুত্তৰত, ইংলণ্ডে ন উইকেটত 204 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। দলৰ হৈ বাণ্টনে 73 আৰু ফিল ছল্টে 57 ৰাণ কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে ইংলণ্ডে দ্বিতীয়খন টি-20 মেচত এক ৰাণত জয়লাভ কৰি পাঁচখনীয়া শৃংখলাত 1-1 ত সমতা স্থাপন কৰিছিল। মেচখনত পোনতে বেটিং কৰি ইংলণ্ডে আঠ উইকেটত 171 ৰাণ কৰে। প্ৰত্যুত্তৰত, ৱেষ্ট ইণ্ডিজে আঠ উইকেটত 170 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে এচেজ শৃংখলা 4-0 ৰ ব্যৱধানত হেৰুৱাই বিধ্বস্ত হোৱা ইংলণ্ডে ৱেষ্ট ইণ্ডিজ ভ্ৰমণৰ প্ৰথমখন টি-20 মেচত লজ্জাজনক পৰাজয়ৰ সন্মুখীন হৈছিল। ব্ৰীজটাউনত অনুষ্ঠিত হোৱা প্ৰথমখন টি-20 মেচত ৱেষ্ট ইণ্ডিজে ন উইকেটত ইংলণ্ডক পৰাস্ত কৰি পাঁচখনীয়া টি-20 শৃংখলাত 1-0 ৰ অগ্ৰগতি লৈছিল। পোনতে বেটিং কৰা ইংলণ্ডে মাত্ৰ 103 ৰাণতে ইনিংছ সামৰে। প্ৰত্যুত্তৰত, ৱেষ্ট ইণ্ডিজে এটা উইকেট হেৰুৱাই 104 ৰাণ কৰি সহজ জয় অৰ্জন কৰে। ইংলণ্ডৰ বিৰুদ্ধে শৃংখলা সমাপ্ত কৰি ৱেষ্ট ইণ্ডিজ আহিব ভাৰতলৈ।



## সদৌ অসম ভিত্তিত ক্ৰিকেট আৰম্ভ

**বিশেষ সংবাদদাতা, ওদালগুৰি ২৭ জানুৱাৰী ঃ** ওদালগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত চতুৰ্থ বাৰ্ষিক মানস প্ৰতীম দাস সোঁৱৰণী সদৌ অসম ক্ৰিকেট প্ৰতিযোগিতাখনি আজিৰে পৰা আৰম্ভ হৈছে। ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত হোৱা প্ৰতিযোগিতাখনিৰ আজি উদ্বোধনী খেলত সহজে জয়লাভ কৰে অ'এম চি ক্ৰিকেট দলে। খেলখনত কবিৰালী ক্ৰিকেট ক্লাৱে টছত জয়ী হৈ ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়। অ'এমচি দলে ¿25 অভাৰত নটাকৈ উইকেট হেৰুৱাই 201 ৰান সংগ্ৰহ কৰে। ইয়াৰ প্ৰত্যুত্তৰত কবিৰালীয়ে 17.1 অভাৰত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ 87 ৰান সংগ্ৰহ কৰিবলৈ সক্ষম হয়। প্ৰতিযোগিতাখনিৰ আৰম্ভণিতে পতাকা উত্তোলন আৰু শ্বহীদ তৰ্পন কাৰ্যসূচী মুকলি কৰে ক্ৰমে আঞ্চলিক আছুৰ সভাপতি ৰাজদ্বীপ দাস আৰু সাধাৰণ সম্পাদক বিকাশ দাসে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে জিলা আছুৰ সভাপতি প্ৰাঞ্জল পাটোৱাৰীয়ে। খেলখন উদ্বোধন কৰে ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ পুষ্পধৰ শৰ্মাই। অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে আছুৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক বিতোপন দাসৰ লগতে জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক বিপুল লহকৰ।



দৈনিক অগ্ৰদূত
Regn No. RNP/GH-085/2021-2023


## বিলাসনন্দন চ'ৰা




# আমিয়েই বিশ্বগুৰু

**দিল্লীৰ** দৰবাৰ! ফোনটো ধৰি বাদশ্বাহে বহু সময় থিয় হৈ থাকিল। সেইফালৰ পৰা কোনোবাই কিবা কৈ আছে আৰু বাদশ্বাহে শুনি আছে। কোনে কৈছে, কি কৈছে, ধৰিব পৰা হোৱা নাই। কিন্তু বাদশ্বাহে মন দি শুনি আছে। কিছু সময় শুনাৰ পাছত ফোনটো থৈ বাদশ্বাহে চাইলেণ্ট মোডত গুচি গ'ল! হঠাৎ যেন ৰিংটোন বাজি উঠিল। বাদশ্বাহে এফালৰ পৰা হুকুম দিবলৈ ধৰিলে—ভাংৰা পাৰ্টি মাতি লৈ আহা! ভাংৰা নাচিবলৈ দিয়া। বিহু মাতি দিয়া। বিহু নাচিবলৈ দিয়া। লতাদিৰ বেমাৰ, গতিকে আশাদিক মাতি দিয়া, গান গাবলৈ দিয়া। খিলাড়ী কুমাৰক মাতি দিয়া, একছন দেখুৱাবলৈ কোৱা। ফৰেইনৰ বি টি এছ জাতীয় বেণ্ড এটাক মাতি দিয়া, উৎপাত কৰিবলৈ দিয়া। ব্ৰাজিলৰ চাম্বা পাৰ্টিক মাতি দিয়া, চাম্বা নাচিবলৈ দিয়া। বিৰুষ্কাক মাতি দিয়া, বাচ্চাটোকো লৈ আহিবলৈ কোৱা। মুঠতে হাঁহা, স্ফূৰ্তি কৰা, আনন্দ কৰা..... হা হা হা!

বাদশ্বাহে ৰাজকীয় হাঁহি মাৰি হুকুমবোৰ দি গ'ল ঠিকেই, দৰবাৰৰ কোনেও কিন্তু ধৰিব নোৱাৰিলে—হঠাৎ ইমান স্ফূৰ্তি কিহৰ কাৰণে। বস্তুৰ দামতো কমা নাই। পাব্লিকৰ খংতো কমা নাই! ইউ পিৰ কণ্ডিছন ভাল নহয়। পাঞ্জাৱতো তথৈবচ! তেন্তে হঠাৎ ইমান আনন্দ! তাকো ৰিপাব্লিক নাইটৰ দিনাই! কোনেও একো ধৰিব পৰা নাই!

আনন্দতে বাদশ্বাহ আত্মহাৰা হৈ ঘূৰি ফুৰিছে! এবাৰ ইফালে যায়, এবাৰ সিফালে যায়! কোনফালে যাব, বাদশ্বাহ স্ফূৰ্তিতে ক'ব নোৱৰা হৈ গৈছে। দৰবাৰৰে এজনে ধৈৰ্য ধৰিব নোৱাৰি বাদশ্বাহক সুধিয়ে পেলালে— 'জাহাপনা, আপুনি ইমান আনন্দত কিয় আছে?'

ঃ আনন্দ কৰিব লগা কথাই হৈছে।

ঃ কি হৈছে জাহাপনা?

ঃ এইমাত্ৰ দৰবাৰৰ বিষয়াসকললৈ ফোন আহিছিল!

ঃ ক'ৰ পৰা?

ঃ এমেৰিকাৰ পৰা! লগে লগে বিষয়াই মোক ফোন কৰি খবৰটো দিলে।

ঃ কি খবৰ?

ঃ গৰম খবৰ।

ঃ কি গৰম খবৰ?

ঃ খবৰটো কি জানা?

ঃ কি জাহাপনা?

ঃ আমাক বিশ্বগুৰু বুলি মানি লোৱা হৈছে!

ঃ সঁচাইনে জাহাপনা?

ঃ অ' সঁচাই!

ঃ বিশ্বাসেই হোৱা নাই জাহাপনা।

বাদশ্বাহে ক'বলৈ ধৰিলে—'প্ৰথমে মোৰো বিশ্বাস হোৱা নাছিল।



সেইকাৰণে বাৰে বাৰে বিষয়াজনক সুধিছো—সঁচাইনে? সঁচাই আমাক বিশ্বগুৰু বুলি মানি লোৱা হৈছেনে? পাছত ভাবিলো—এমেৰিকাৰ পৰা কোৱা হৈছে যেতিয়া মিছাতো ক'ব নালাগে।'

সঁচা-মিছাৰ সন্দেহখিনি আঁতৰাই থৈ বাদশ্বাহে দৃঢ়তাৰে ক'বলৈ ধৰিলে—'এটা সময় আছিল যেতিয়া সমগ্ৰ বিশ্বই আমাক ভাষ্যগুৰু বুলিহে মানি লৈছিল। যুক্তি আছিল—আমি বোলে ভাষণ দিবহে জানো, কামত একো নাই। পাছত আমাক ৰিচ্চটগুৰু বুলি মানি লোৱা হ'ল। আমি বোলে ৰিচ্চট লোৱাত ওস্তাদ! ৰিচ্চটগুৰুৰ পাছত আমাক মানি লোৱা হ'ল মষ্ঠ্গুৰু! আমি বোলে ৰাইজৰ টকাৰে মস্তী কৰি ফুৰো। ইমানবোৰ বদনাম হোৱাৰ পাছত এতিয়া আমি এটা স্বীকৃতি পাইছো। দ্য হোল ৱৰ্ল্ডে মানি ল'বলৈ বাধ্য হৈছে যে আমি বিশ্বগুৰু! এয়া কিন্তু কম ডাঙৰ কথা নহয়। ইয়াৰ আঁৰত আছে মোৰ অপৰিসীম কষ্ট, ত্যাগ আৰু সাধনা! মই ব্লেকমানী বাহিৰৰ পৰা লৈ আহিম বুলি কৈছো। দেছ চাফা কৰি দিম বুলি কৈছো। বুলেট ট্ৰেইন চলাই দিম বুলি কৈছো। গংগাত গা ধুই প্ৰমাণ কৰি দিছো যে মই কিমান পাপমুক্ত। ৰাম মন্দিৰৰ ভূমি পূজন কৰি মই প্ৰমাণ কৰি দিছো যে লংকালৈ যিয়ে যায়, সি ৰাৱণ নহ'বও পাৰে!'

এইদৰে বিশ্বগুৰু হোৱাৰ আঁৰত থকা নিজৰ কষ্ট-ত্যাগ-সাধনাৰ দীঘলীয়া ভাচন দি থকাৰ সময়তে বাদশ্বাহৰ ফোনটো বাজি উঠিল। বধাই দিবৰ কাৰণে কোনোবাই ফোন কৰা বুলি ভাবি বাদশ্বাহে ফোনটো ধৰিলে। ফোনটো কাণত লৈ কিছু সময় থিয় হৈ থাকিল। ফোনটো কাটিলে। কিছু সময়ৰ বাবে বাদশ্বাহ চাইলেণ্ট মোডত গুচি গ'ল আৰু হঠাৎ হুকুম দিলে—'সৱকে আহিবলৈ মানা কৰি দিয়া। গানা-বাজানা বন্ধ!'

ঃ কিয় বাদশ্বাহ?

ঃ আমাৰ বিষয়াই শুনোতে ভুল কৰিছিল—বিশ্বগুৰু নহয়, আমাক হাস্যগুৰু বুলিহে বিশ্বই মানি লৈছে। যুক্তি হ'ল—আমি যি যি কাম কৰো, তাকে দেখি দ্য হোল ৱৰ্ল্ডে হাঁহে বোলে!

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

# অ'মিক্ৰনৰ এণ্টিবডীৰ পৰা হ'ব ডেল্টাৰো প্ৰতিৰোধ



## নিৰ্দিষ্ট টিকাকৰণ কৌশলৰ প্ৰয়োজনীয়তাত গুৰুত্ব বিশেষজ্ঞৰ

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৭ জানুৱাৰী ঃ** অ'মিক্ৰনত আক্ৰান্ত হোৱাৰ পাছত শৰীৰত এনে 'শক্তিশালী' প্ৰতিৰোধ ক্ষমতা গঢ়ি উঠে, যি পৰৱৰ্তী সময়ত অ'মিক্ৰনৰ সমান্তৰালকৈ কৰ'না ভাইৰাছৰ আন আন প্ৰজাতিৰ সংক্ৰমণৰ আশংকাও হ্ৰাস কৰে। আনকি উদ্বেগজনক প্ৰজাতিৰূপে চিহ্নিত ডেল্টাৰ সংক্ৰমণকো সহজে প্ৰতিহত কৰিব পাৰে এই এণ্টিবডীয়ে। অ'মিক্ৰনৰ এণ্টিবডী সম্পৰ্কীয় বিশেষ পৰ্যালোচনাত এই তথ্য উঠি অহাৰ বুলি জনালে 'ইণ্ডিয়ান কাউন্সিল অৱ মেডিকেল ৰিছাৰ্চ' (আইচিএমআৰ)-এ। ডেল্টাৰ সংক্ৰামক ক্ষমতা আৰু আক্ৰান্তৰ সামগ্ৰিক স্বাস্থ্যত ইয়াৰ কুপ্ৰভাৱে বিশেষজ্ঞসকলক চিন্তাত ৰাখিছিল। অৱশ্যে অ'মিক্ৰনৰ পৰা সৃষ্টি হোৱা এণ্টিবডীক লৈ এই নতুন তথ্য সন্মুখলৈ অহাৰ পাছত এতিয়া সেই প্ৰসংগত আশাৰ পোহৰ দেখিছে তেওঁলোকে। সেয়ে অ'মিক্ৰন-নিৰ্দিষ্ট টিকাকৰণ কৌশলৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰিছে বিশেষজ্ঞসকলে। এই পৰ্যালোচনাৰ বাবে মুঠ ৩৯জনৰ ওপৰত এই পৰীক্ষা কৰা হয় বুলি জনাইছে আইচিএমআৰৰ সূত্ৰই। তেওঁলোকৰ মতে, ২৫জনক এষ্ট্ৰাজেনেকাৰ দ্বাৰা তৈয়াৰী প্ৰতিষেধকৰ দুটা পালি প্ৰদান কৰা হয়। আন আঠজনক দিয়া হয় ফাইজাৰৰ দুটা পালি প্ৰতিষেধক। বাকী ছজনক টিকাকৰণ কৰা নহ'ল। উল্লেখ্য যে ৩৯জনৰ ভিতৰত ২৮জনেই বিদেশৰ পৰা অহা। তেওঁলোক আহিছিল সংযুক্ত আৰব আমিৰশ্বাহি, আফ্ৰিকাৰ বিভিন্ন দেশ, আমেৰিকা আৰু ব্ৰিটেইনৰ পৰা। তেওঁলোক সকলোৱেই অ'মিক্ৰনত আক্ৰান্ত আছিল বুলি জনাইছে বিশেষজ্ঞসকলে। পৰ্যালোচনাৰ প্ৰসংগতে আইচিএমআৰৰ এক বিবৃতিত কোৱা হৈছে, 'অ'মিক্ৰন আক্ৰান্তসকলৰ ওপৰত আমাৰ পৰ্যালোচনাত যথেষ্ট প্ৰতিৰোধ ক্ষমতাৰ প্ৰমাণ পোৱা গৈছে। শৰীৰত যি এণ্টিবডী সৃষ্টি হৈছে, সি অ'মিক্ৰনৰ লগতে ডেল্টাসহ আন 'ভেৰিয়েণ্ট অৱ কনচাৰ্ণ'ৰ বিৰুদ্ধেও কাৰ্যকাৰিতাৰ প্ৰমাণ দিছে।' ইপিনে, দেশত হ্ৰাস পাইছে ক'ভিড আক্ৰান্তৰ সংখ্যা। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ প্ৰকাশিত তথ্যতে সেই তথ্য পোৱা গৈছে। বুধবাৰে সক্ৰিয় ৰোগীৰ সংখ্যা ১৩,৮২৪জন হ্ৰাস পোৱা বুলি জনোৱা হৈছে। এই তথ্যই স্বাস্থ্য বিষয়াসকলকো আশান্বিত কৰি তুলিছে।



একমাত্ৰ বেটাৰীৰ দামেই হ'ল ১৫ হেজাৰ পাউণ্ড (ভাৰতীয় মুদ্ৰাত ১৪ লাখ ১৪ হেজাৰ টকা)। ইয়াৰ পাছতে সিঙে তেওঁৰ গাড়ীখনৰ বৰ্তমানৰ বজাৰমূল্যৰ সন্ধান লয়। তেতিয়াই গম পালে যে সম্প্ৰতি গাড়ীখনৰ মূল্য ১২ লাখ ৫০ হেজাৰ টকা। অৰ্থাৎ এতিয়া গাড়ীৰ তুলনাত ইয়াৰ বেটাৰীৰ দাম বেছি। বেটাৰীৰ দাম প্ৰায় চাৰে ১৪ লাখ টকা।

### প্ৰচুৰ হেঁপাহেই ডিঙিৰ কাঁইটৰ দৰে হ'ল মাৰ্চিডিজ ভক্তৰ

# গাড়ীৰ তুলনাত বেটাৰীৰ দাম বেছি

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৭ জানুৱাৰী ঃ** ক'বলৈ গ'লে কেৰেলাতকৈ গুটি দীঘলৰ দৰে কাণ্ড। এনে এক কাণ্ডৰ বাবেই ব্ৰিটেইনত বাস কৰা এজন ভাৰতীয় মূলৰ লোকৰ বাবে নিজৰ অতি প্ৰিয় মাৰ্চিডিজ গাড়ীখনেই এতিয়া ডিঙিৰ কাঁইটৰ দৰে হৈ পৰিছে। এসময়ত অতি হেঁপাহত ক্ৰয় কৰা মাৰ্চিডিজ গাড়ীখনেই এতিয়া ইংলণ্ডৰ লেইষ্টাৰত বাস কৰা ৰঞ্জিৎ সিঙৰ বাবে প্ৰধান সমস্যা হৈ পৰিছে।

৬৩ বছৰীয়া সিঙৰ মাৰ্চিডিজ গাড়ীৰ প্ৰতি আগৰে পৰাই প্ৰবল আসক্তি আছিল। সেইবাবেই প্ৰায় আঠ বছৰৰ পূৰ্বে ২৭ হেজাৰ পাউণ্ড (ভাৰতীয় মুদ্ৰাত ২৭ লাখ টকাৰ কিছু বেছি) ব্যয় কৰি মাৰ্চিডিজ কোম্পানীৰ এখন হাইব্ৰীড গাড়ী ক্ৰয় কৰিছিল। কোম্পানীৰ তৰফৰ পৰা তেতিয়াই তেওঁক কোৱা হৈছিল যে গাড়ীখনৰ বেটাৰীৰ ম্যাদ আঠ বছৰ। তাৰ পাছত বেটাৰী সলনি কৰিব লাগিব। অৱশ্যে সেই বেটাৰীয়েই যে আঠ বছৰৰ পাছত মূৰৰ কামোৰণি হৈ উঠিব, সেয়া কল্পনাও কৰিব পৰা নাছিল সিঙে। বেটাৰী সলাবলৈ গৈ দাম শুনিয়েই সৰগ ভাঙি পৰাৰ দৰে অৱস্থা হৈছে তেওঁৰ। কিয়নো সিঙক কোৱা হ'ল যে একমাত্ৰ বেটাৰীৰ দামেই হ'ল ১৫ হেজাৰ পাউণ্ড (ভাৰতীয় মুদ্ৰাত ১৪ লাখ ১৪ হেজাৰ টকা)। ইয়াৰ পাছতে সিঙে তেওঁৰ গাড়ীখনৰ বৰ্তমানৰ বজাৰমূল্যৰ সন্ধান লয়। তেতিয়াই গম পালে যে সম্প্ৰতি গাড়ীখনৰ মূল্য ১২ লাখ ৫০ হেজাৰ টকা। অৰ্থাৎ এতিয়া গাড়ীৰ তুলনাত ইয়াৰ বেটাৰীৰ দাম বেছি। বেটাৰীৰ দাম প্ৰায় চাৰে ১৪ লাখ টকা। তাৰ উপৰি গাড়ীৰ মেকানিকে প্ৰতি ঘণ্টাত পাৰিশ্ৰমিক ল'ব দুশ পাউণ্ড বা ২০ হেজাৰ টকা। ইয়াৰ পাছতে তেওঁ হাইব্ৰীড গাড়ীৰ এজন বিশেষজ্ঞৰ কাষ চাপে পৰামৰ্শ ল'বলৈ, কিন্তু তাতো তেওঁ নিৰাশ হ'ল। বিশেষজ্ঞজনে জনালে যে এই গাড়ীখন সস্তাত ভাল কৰাৰ কোনো উপায়েই নাই। হয় বেটাৰী সলনি কৰিব লাগিব, নহ'লে গাড়ীখন বিক্ৰী কৰিব লাগিব। আকৌ হেঁপাহত কিনা গাড়ীখন সিঙে বিক্ৰী কৰিবও বিচৰা নাছিল। ফলত বেটাৰী সলনি কৰিব নে গাড়ী বিক্ৰী কৰিব, তাক লৈ তেওঁৰ দুই নাৱত দুই ভৰিৰ দৰে অৱস্থা হৈছে। সিঙৰ কন্যা ৰামনিক কৌৰে এটা গাড়ী কোম্পানীত কাম কৰে। তেওঁ কয়, 'দেউতা অত্যন্ত হতাশ। গাড়ীখনক লৈ কি কৰিব একো ভাবি পোৱা নাই। তেওঁ অৱসৰপ্ৰাপ্ত। ফলত ইমান বেছি টকাও তেওঁৰ হাতত নাই।'

# চাৰি টকাত হাজিৰা কৰা মনু দাস এতিয়া লাখপতি

### পৰিশ্ৰম-সততাৰ ফলতে ব্যৱসায়ত কৰিলে দোপতদোপে উন্নতি

**অগ্ৰদূত বাৰ্তা**
**আমগুৰি, ২৭ জানুৱাৰী ঃ** কঠোৰ পৰিশ্ৰমৰ লগত যদি সততা আৰু নিষ্ঠা থাকে, তেনেহ'লে সেই পৰিশ্ৰমে মানুহক এক ঊৰ্ধমুখী জীৱনলৈ লৈ যায়। জীৱনত জীয়াই থাকিবলৈ মানুহক প্ৰচুৰ অৰ্থ-সম্পত্তিৰ প্ৰয়োজন নাই, কিন্তু সততা আৰু কঠোৰ পৰিশ্ৰমে মানুহক উন্নতিৰ শিখৰলৈ লৈ যায়। তেনে মানুহৰ জীৱন হয় ধন্য। যি সময়ত আমাৰ সমাজৰ একাংশ যুৱকে চোৰাং তথা অনৈতিক আৰু অসামাজিক উপায়েৰে সহজলভ্য ধনৰ পাছত দৌৰি সমাজলৈ অশুভ বাৰ্তা কঢ়িয়াই আনি এখন দামী গাড়ী আৰু এটা ঘৰকে জীৱনৰ সৰ্বস্ব বুলি ভাবি গড্ডালিকা প্ৰবাহত উটি-ভাহি ফুৰিছে, সেই সময়ত আমগুৰিৰ ফলমূলৰ ব্যৱসায়ী মনু দাস (৬০) আজি নিজৰ কঠোৰ পৰিশ্ৰমৰ বিনিময়ত এজন সফল ব্যৱসায়ীৰূপে প্ৰতিষ্ঠিত হৈছে। আমগুৰি নগৰৰ কছাৰী লাইন তথা পাঁচ নম্বৰ ৱাৰ্ডৰ বাসিন্দা দাস হৈছে প্ৰয়াত সভাৰাম দাসৰ চতুৰ্থ পুত্ৰ। দৰিদ্ৰ পৰিয়ালৰ দাসে ১২ বছৰ বয়সৰ পৰা আমগুৰি নগৰত শাক-পাচলিৰ ব্যৱসায় আৰম্ভ কৰিছিল। ১৯৭৫তে ব্যৱসায় আৰম্ভ কৰা দাসে ফলমূলৰ ব্যৱসায় কৰিব নালাগে বুলি দেউতাকে আমগুৰি নগৰত থকা দোকানখন দুবাৰকৈ ভাঙি দিছিল। তথাপি নিজৰ প্ৰবল ইচ্ছা আৰু জেদৰ বাবে দাসে দুবাৰকৈ দোকান সাজি লৈছিল। কেই বছৰমান পাছত ফলমূলৰ ব্যৱসায় বাদ দি মাছৰ ব্যৱসায়তো ধৰিছিল যদিও ঘৰৰ মানুহৰ তাগিদাত পুনৰ ফলমূলৰ ব্যৱসায় আৰম্ভ কৰে। ১৯৮৭ত দাসে ফলমূলৰ ব্যৱসায়ৰ পৰা জমা হোৱা টকাৰে এবিঘা মাটি বন্ধক লৈছিল। তাৰ পাছৰেপৰা ব্যৱসায়ীজনে পাছলৈ ঘূৰি চাবলগীয়া হোৱা নাই। দৰিদ্ৰ পৰিয়ালৰ দাসৰ সেয়াই আছিল আৰম্ভণি। এসময়ত ঘৰ চলাবলৈ চাৰি টকাত হাজিৰা কৰা দাসে এতিয়া আমগুৰি নগৰৰ মাজমজিয়াত নিজৰ ফলমূলৰ দোকানৰ লাভৰ পুঁজিৰে মাটি কিনি সুন্দৰকৈ ঘৰ সজোৱাৰ লগতে তিনি সন্তানক উচ্চশিক্ষিত কৰাৰ উপৰি জ্যেষ্ঠ সন্তানক ব্যৱসায় কৰিবলৈ গাড়ীও কিনি দিছে। আন দুজন পুত্ৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী। কনিষ্ঠ পুত্ৰ নিতু দাস এজন প্ৰতিভাশালী চিত্ৰকৰ। তেওঁ কিছুদিনৰ পূৰ্বে এঙাৰেৰে ছবি আঁকি ইণ্ডিয়া ৰেকৰ্ডত নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হয়। নিচেই সাধাৰণ অৱস্থাৰপৰা আহি সফল ব্যৱসায়ীৰূপে প্ৰতিষ্ঠিত হোৱা দাস এজন অমায়িক আৰু ভদ্ৰ তথা হাঁহিমুখীয়া লোক। এজন সচেতন নাগৰিকৰূপে পৰিচিত দাস সকলোৰে মাজত 'মনুদা'ৰূপে জনপ্ৰিয়। তেওঁৰ ফলমূলৰ দোকানত পত্নী প্ৰমীলাৰ লগতে তিনিওজন পুত্ৰই সহায়-সহযোগিতা কৰি আহিছে।




# সোণাপুৰত দুষ্প্ৰাপ্য বনৰৌৰ বাকলিসহ গ্ৰেপ্তাৰ সাত



**অগ্ৰদূত বাৰ্তা**
**সোণাপুৰ, ২৭ জানুৱাৰী ঃ** আজি বিয়লি বন্যপ্ৰাণী অপৰাধ নিয়ন্ত্ৰণ বিভাগ আৰু সোণাপুৰ বন বিভাগে সোণাপুৰত অভিযান চলাই বনৰৌৰ ছালসহ সাতজন লোকক গ্ৰেপ্তাৰ কৰে। অভিযানকাৰী দলটোৱে এখন ৰিজ'ৰ্টৰ পৰা চাৰি কেজি এশ গ্ৰাম ওজনৰ দুষ্প্ৰাপ্য বনৰৌৰ ছাল উদ্ধাৰ কৰে। দলটোৱে লগতে তিনিখন মটৰচাইকেল, ছটা ম'বাইল ফোনো জব্দ কৰে। বন বিভাগে সদৰী কৰা মতে, লোককেইজনে মেঘালয়ৰ পৰা বনৰৌৰ ছালখিনি আনিছিল আৰু ৰিজ'ৰ্টত বাহৰ পাতি ক্ৰেতালৈ অপেক্ষা কৰি আছিল। তেনে সময়তে বন বিভাগে অভিযান চলাই অভিযুক্ত লোককেইজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ইতিমধ্যে বন বিভাগে এটি গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে।

# জুকিনি-কেপচিকাম খেতিৰে মাহত ডেৰলাখ উপাৰ্জন চামগুৰিৰ খেতিয়কৰ

## কৃষিবিভাগৰ সহায় অবিহনে ইউটিউবত চাই কৰিছে জুকিনি খেতি



**অগ্ৰদূত বাৰ্তা**
**চামগুৰি, ২৭ জানুৱাৰী ঃ** চৰকাৰী চাকৰিৰ পাছে পাছে হামৰাও কাঢ়ি ৰাজ্যখনৰ লাখ লাখ নিৱনুৱা ঢপলিয়াই ফুৰাৰ সময়তে নগাঁও জিলাৰ চামগুৰিৰ এজন যুৱকে খেতি কৰি মাহত ডেৰলাখ টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। কৃষি বিভাগে কৃষকৰ হেতু বিভিন্ন আঁচনিৰ বিষয়ে ঢাক-ঢোল বজাই থকাৰ সময়তে কৃষি বিভাগৰ সহায় অবিহনে বৈজ্ঞানিক পদ্ধতিৰে বজাৰত নতুনকৈ উপলব্ধ হোৱা জুকিনি পাচলি কৰি লাভবান হৈছে জুলফিকৰ আলী ভুট্টো নামৰ যুৱকজন। ইউটিউবত চাৰ্চ কৰি সুদুৰ ইটালীত প্ৰথমবাৰ খেতি কৰা বিদেশী জুকিনি পাচলিৰ সন্দৰ্ভত জুলফিকৰে' 'দৈনিক অগ্ৰদূত'ক কয়, 'বজাৰত নতুনকৈ পাচলি উলিয়ালে ভাল দাম পোৱা যায়। কাৰণ নতুন পাচলি এবিধ দেখিলে গ্ৰাহকে দাম দি হ'লেও কিনি সোৱাদ ল'ব বিচাৰে। এইবিধ পাচলিৰ ওজনো বেছি হয়। এটা জুকিনিত পাঁচ/ছয় কিলোলৈকে ওজন হয়। গতিকে এটা পাচলিতে দাম বহুত পোৱা যায়।' বৰ্তমান তেওঁ তিনি কঠা মাটিত জুকিনি খেতি কৰিছে। ইয়াৰ বাবে জুলফিকৰে অনলাইনত গুটি আনি পুলি উৎপাদন কৰি খেতি কৰিছে। সাতামপুৰুষীয়া কৃষি পদ্ধতিক বাদ দি সম্পূৰ্ণ বৈজ্ঞানিক পদ্ধতি প্ৰয়োগ কৰি যুৱ খেতিয়কজনে কেপচিকাম আৰু জুকিনি পাচলি উৎপাদন কৰিবলৈ সক্ষম হৈছে। কৃষি ক্ষেত্ৰত নতুনকৈ সংযোজন ঘটা 'মালচিং' পদ্ধতি অৱলম্বন কৰি যুৱকজন সফল হৈছে ফচল উৎপাদন কৰাত। চামগুৰিৰ মুৰিপুঠিখাইটি গাঁৱৰ এইজন যুৱকে কৃষি কৰ্মৰ জৰিয়তে মাহত ডেৰলাখ টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। জুলফিকৰে জুকিনি পাচলিৰ উপৰি ডেৰ বিঘা মাটিত কেপচিকাম খেতি কৰি ফচল উৎপাদনৰে ৩৫ টকা প্ৰতি কিলোত পাইকাৰী দামত বিক্ৰী কৰিবলৈ সক্ষম হৈছে। তেওঁ জনোৱা মতে, বৰ্তমানলৈকে প্ৰতি বিঘাত ৮০০ কেপচিকাম পুলি ৰোপণ কৰি উৎপাদন হোৱালৈকে ৪০ হেজাৰ টকা খৰচ হৈছে। প্ৰতি সপ্তাহত ১/১২ কুইণ্টল প্ৰতি বিঘাত কেপচিকাম উৎপাদন কৰি বজাৰত বিক্ৰী কৰি মাহত ডেৰলাখ টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে উদ্যমী খেতিয়কজনে। ইয়াৰ সমান্তৰালভাৱে কৃষি বিভাগৰ সহায় অবিহনে তেওঁ জুকিনি খেতি কৰিও লাভবান হৈছে। তেওঁ অভিযোগ কৰামতে, নগাঁও কৃষি বিভাগৰ কাৰ্যালয়ত চৰকাৰী কৃষি আঁচনিৰ বাবে জানিব বিচৰাত একো আঁচনি নাই বুলি বিমুখ কৰি কৃষি বিষয়াই পঠিয়াই দিছিল তেওঁক। ইয়াৰ পাছত যুৱকজনে ইউটিউবত চাৰ্চ কৰি জুকিনি আৰু কেপচিকাম খেতি পদ্ধতি শিকি মাহত ডেৰলাখ টকা বৰ্তমান অৱস্থাত উপাৰ্জন কৰিবলৈ সক্ষম হয়। জুকিনি খেতি সন্দৰ্ভত জুলফিকৰে কয়, 'জুকিনি পাচলিৰ খেতি পদ্ধতি মই ইউটিউবৰ পৰা শিকি অনলাইনত ১৬০টকাকৈ ১০ গ্ৰাম গুটিৰ পেকেটসমূহ আনি নিজে পুলি উৎপাদন কৰি মালছিং পদ্ধতিৰে খেতি কৰো। বিঘাত ৭০০ পুলি লাগে। পুলিসমূহ ৰোপণৰ পাছত ডিএপি, পটাছ আৰু বিঘাত পাঁচ কিলো হিচাপত কক'নাট চইল প্ৰয়োগ কৰি প্ৰথম উৎপাদনত সপ্তাহত এক কুইণ্টল জুকিনি পাবলৈ সক্ষম হৈছো।' বৰ্তমান সপ্তাহত এক কুইণ্টলকৈ জুকিনি উৎপাদন কৰি ১৭ টকাকৈ প্ৰতি কিলো পাইকাৰী দৰত স্থানীয় বজাৰত বিক্ৰী কৰি আছে। ইপিনে, বৰ্তমান তেওঁৰ লগতে ইমান হুছেইন আৰু ছৰিফুল ইছলামে কৃষি বিভাগৰ সহায় অবিহনে পাঁচ বিঘা মাটিত তৰমুজ খেতি কৰিবলৈ মাটি প্ৰস্তুত কৰি আছে।




অগ্ৰদূত পাব্লিচাৰ্চ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com